Content includes AI-generated material

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, MAY 26, 2025 ■ সোমবাৰ, ১১ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৪৮ Guwahati, Assam ।। মূল্যঃ এটকা

## পঞ্জাৱত গুলীয়াই হত্যা কাউন্সিলাৰক

অমৃতসৰ, ২৫ মে': পঞ্জাবৰ অমৃতসৰত অচিনাক্ত দুৰ্বৃত্তই গুলীয়াই হত্যা কৰে শিৰোমণি আকালি দলৰ ২ পৃষ্ঠাত

## বিধানসভাতো যোৰহাট ২৬লৈ সাজু গৌৰৱ! চেলেঞ্জ মুখ্যমন্ত্ৰীকো

ই-সংবাদ, ২৫ মে': যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে দলে টিকট দিলে যোৰহাট ৭ পৃষ্ঠাত

## ৰাষ্ট্ৰীয় জনতা দলত নিষেধ তেজ প্ৰতাপ! ঘোষণা পিতৃ লালুৰ

### যুৱতীৰে গোপন সম্পৰ্ক ফাদিল

পাটনা, ২৫ মে': সন্মুখত বিহাৰ বিধানসভা নিৰ্বাচন। কিন্তু তাৰ পূৰ্বেই ৰাষ্ট্ৰীয় জনতা দলৰ পৰা বহিষ্কাৰ হ'ল তেজপ্ৰতাপ যাদৱ। দলৰ মুৰব্বী পিতৃ লালু প্ৰসাদ ২ নং পৃষ্ঠাত

### ড০ সমুজ্জ্বল, উৎপল শৰ্মাক আওপকীয়াকৈ কটাক্ষ

## তেওঁলোক 'জাজ' নহয়! উভতি ধৰিলে শৃংখল চলিহাই

ই-সংবাদ, ২৫ মে' : তেল ডিপোৰ কাজিয়া ভাঙিবলৈ গৈ ৰাজনৈতিক ষড়যন্ত্ৰৰ বলি হৈ কাৰাগাৰত থকা সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি ২ নং পৃষ্ঠাত





## অপাৰেশ্যন সেন্দুৰ সংকল্পৰ প্ৰতিচ্ছবি

### মোদীৰ 'মন কী বাত'

নতুন দিল্লী, ২৫ মে': পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ 'অপাৰেচন সেন্দুৰ'ৰ সফলতা আৰু সমগ্ৰ দেশতে ৪ পৃষ্ঠাত

## নামঘৰত শৰণ লৈ ইছলাম ত্যাগ ৰুবুল আলীৰ সমগ্ৰ পৰিয়ালৰ

ই-সংবাদ, ২৫ মে': শোণিতপুৰ জিলাৰ জামুগুৰিহাট এটা ৮ জনীয়া পৰিয়ালে ইছলাম ধৰ্ম ত্যাগ কৰি হিন্দু ধৰ্ম গ্ৰহণ কৰা ঘটনাই অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। জামুগুৰিহাটৰ এটি ৮ জনীয়া ইছলাম ধৰ্মাৱলম্বী



পৰিয়ালে ইছলাম ধৰ্ম ত্যাগ কৰি হিন্দু ধৰ্ম গ্ৰহণ কৰিছে। পৰিয়ালটোৱে শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ ধৰ্মীয় মূল্যবোধ, ৰীতি-নীতিৰ প্ৰতি আকৰ্ষিত হৈ এই সিদ্ধান্ত লৈছে বুলি জানিব পৰা গৈছে। এই ধৰ্মান্তকৰণ অনুষ্ঠান ৫ পৃষ্ঠাত

### ভিন্ন প্ৰান্তৰ পৰা থানালৈ ধৰি আনি কাগজ-পত্ৰ চাই বহুতক দিলে এৰি

# অবৈধ বাংলাদেশীৰ বিৰুদ্ধে ৰাজ্যজুৰি অভিযান

■ বাংলাদেশীৰ নামত দৰিদ্ৰ সংখ্যালঘু শ্ৰমিকৰ ওপৰত নিৰ্যাতন নচলাবলৈ চৰকাৰক আহ্বান সংখ্যালঘু সংগঠনৰ

ই-সংবাদ বিশেষ, ২৫ মে': গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশ মতে, অসমত আৰম্ভ হৈছে বাংলাদেশী গ্ৰেপ্তাৰ অভিযান। ভাৰতত অবৈধভাৱে প্ৰৱেশ কৰা বাংলাদেশীৰ বিৰুদ্ধে ৰাজ্য ৫ পৃষ্ঠাত

## ইতিহাস! ডিফেন্স একাডেমীত মহিলাৰ সাফল্যৰ জয়গান

### উত্তীৰ্ণ হ'ব ১৭ মহিলা কেডেট

ই-সংবাদ, ২৫ মে': মহাৰাষ্ট্ৰৰ পুণেস্থিত নেচনেল ডিফেন্স একাডেমী চমুকৈ এনডিএ-এ প্ৰথমবাৰ নতুন অভিলেখ ৭ পৃষ্ঠাত



মহিলা কেডেটৰ প্ৰথম বেচ্ছৰ একাংশ





## ৰিপুণ বৰা, খালেকক দিলে নতুন দায়িত্ব

ই-সংবাদ, ২৫ মে': অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি সলনি হ'ব নে নহয় সেই লৈ জল্পনা-কল্পনা চলি থকাৰ মাজতে ৫ নং পৃষ্ঠাত

## ৪ ট্ৰিলিয়ন! বিশ্বৰ চতুৰ্থ বৃহত্তম অৰ্থনীতিত ভাৰতৰ পদাৰ্পণ

### জাপানকো অতিক্ৰম, তথ্য সদৰী নিটি আযোগৰ অধ্যক্ষ সুব্ৰমণিয়ামৰ

নতুন দিল্লী, ২৫ মে': বিশ্বৰ চতুৰ্থ সৰ্ববৃহৎ অৰ্থনীতি হিচাপে জাপানক অতিক্ৰম কৰিলে ভাৰতে। শনিবাৰে নিটি আয়োগৰ দশম গৱৰ্ণিং কাউন্সিলৰ বৈঠকৰ অন্তত সংবাদমেলত এই তথ্য প্ৰদান ২ নং পৃষ্ঠাত




## 'সন্ত্ৰাসবাদৰ সমৰ্থনত চৰকাৰ গঠন ইউনুছৰ'

নতুন দিল্লী, ২৫ মে': বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী মহম্মদ ইউনুছৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন ৬ পৃষ্ঠাত

## ৰাজনৈতিক প্ৰতিদ্বন্দ্বী গৌৰৱক 'পলিটিকেল মাৰ্ডাৰ'ৰ চেষ্টা চলোৱা হৈছে বুলি অভিযোগ

## গৌৰৱ গগৈক 'ডিফেণ্ড' কৰি মুখ্যমন্ত্ৰীক সমালোচনা ৰিপুন বৰাৰ



ই-সংবাদ, ২৫ মে': আজি ৰাজীৱ ভৱনত প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা প্ৰাক্তন ৰাজ্য সভাৰ সাংসদ ৰিপুন বৰাই এখন সংবাদমেল সম্বোধন ৩ নং পৃষ্ঠাত

'পত্নী এলিজাবেথে পাক সংস্থাৰ পৰা দৰমহা পালেও তেওঁৰ দেশপ্ৰেমক লৈ প্ৰশ্ন কৰা উচিত নহয়'



### পেহেলগামক লৈ বিতৰ্ক

## স্বামীহাৰা মহিলাৰ ইচ্ছাশক্তিক লৈ প্ৰশ্ন বিজেপি সাংসদৰ

ভিৱনী, ২৫ মে': পেহেলগামত সংঘটিত ভয়াৱহ সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত বিতৰ্কিত মন্তব্য কৰি পুনৰ চৰ্চালৈ আহিছে ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাষ্ট্ৰীয় জনতা দলত নিষেধ তেজ প্ৰতাপ!

যাদৱেই ৬ বছৰৰ বাবে দলৰ পৰা বহিষ্কাৰ কৰে জ্যেষ্ঠ পুত্ৰ তেজক। ইয়াৰ পিছতে বিহাৰ ৰাজনীতিত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। সূত্ৰ অনুসৰি, দলৰ সমান্তৰালভাৱে পৰিয়ালৰ পৰাও তেজ প্ৰতাপক পৰিত্যাগ কৰাৰ সিদ্ধান্ত লৈছে লালু যাদৱে। যাদৱ পৰিয়ালৰ সূত্ৰই জনোৱা মতে, দলীয় অনুশাসন আৰু পাৰিবাৰিক নিয়ম পালন নকৰাৰ বাবে তেজ প্ৰতাপে এই শাস্তিৰ সন্মুখীন হ'বলগীয়া হৈছে। লালু প্ৰসাদৰ মতে, তেজ প্ৰতাপৰ কাৰ্যকলাপে দল আৰু পৰিয়াল উভয়ৰে ভাবমূৰ্তি কলংকিত কৰি তুলিছে। বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "মোৰ ডাঙৰ পুত্ৰৰ আচৰণ, তেওঁৰ দায়িত্বহীন কাম মোৰ পৰিয়ালৰ মূল্যবোধৰ বিৰুদ্ধে। সেয়েহে সকলো দিশ বিবেচনা কৰি মই তেওঁক দল আৰু পৰিয়ালৰ পৰা বহিষ্কাৰ কৰাৰ সিদ্ধান্ত লৈছো। এতিয়াৰ পৰা দলত তেওঁৰ কোনো ভূমিকা নাথাকিব। পৰিয়ালতো তেওঁৰ কোনো ভূমিকা নাথাকিব। ছবছৰৰ বাবে তেওঁক দলৰ পৰা বহিষ্কাৰ কৰা হৈছে।" দৰাচলতে লালুৰ জ্যেষ্ঠ পুত্ৰ তেজ প্ৰতাপে সদায় বিতৰ্কৰ সৃষ্টি কৰি আহিছে। তেওঁ কেতিয়াও দলৰ নিয়ম মানি চলা নাছিল। বিতৰ্কিত কাৰণত তেওঁ মাজে মাজে শিৰোনাম দখল কৰি আহিছে, যাৰ বাবে বাৰে বাৰে দলটোৰ অস্বস্তিত সৃষ্টি হৈছে। শেহতীয়াকৈ তেজ প্ৰতাপ এগৰাকী মহিলাৰ সৈতে সম্পৰ্কক লৈ এক নতুন বিতৰ্কৰ মাজত সোমাই পৰিছে। শনিবাৰে তেওঁৰ ফেচবুক প্ৰফাইলত এটা পোষ্টত দাবী কৰা হৈছে যে তেওঁ এগৰাকী যুৱতীৰ সৈতে ১২ বছৰ ধৰি সম্পৰ্কত আছিল। অৱশ্যে কেইঘণ্টামানৰ ভিতৰতে পোষ্টটো ডিলিট কৰা হয়। পিছত তেজ প্ৰতাপে তেওঁৰ ফেচবুক একাউণ্ট 'হেক' হোৱা বুলি দাবী কৰে। এই ঘটনাৰ পিছত লালু প্ৰসাদে নিজৰ পুত্ৰক দলৰ পৰা বহিষ্কাৰ কৰাৰ সিদ্ধান্ত লয়। উল্লেখ্য যে, তেজ প্ৰতাপ অৱশ্যে দীৰ্ঘদিন ধৰি মূল আৰজেডিৰ সাংগঠনিক কাম-কাজৰ পৰা কিছু দূৰৈত আছিল। এসময়ত তেওঁৰ ভাতৃ তেজস্বীৰ সৈতে দলৰ 'অধিগ্ৰহণ'ক লৈ সংঘাত হৈছিল। কিন্তু লালুৰ সমৰ্থন সদায় তেজস্বী যাদৱৰ প্ৰতি আছিল। যাৰ বাবে তেজ প্ৰতাপে মূল সংগঠনৰ পৰা আঁতৰি যায়। ইয়াৰ পিছত কেতিয়াবা নাটকত অভিনয় কৰা দেখা গৈছিল, কেতিয়াবা ছবিত হাত চেষ্টা কৰা দেখা গৈছিল যদিও সমান্তৰালভাৱে ৰাজনীতিও চলাবলৈ চেষ্টা কৰিছিল। এতিয়া সেই সুযোগ কাঢ়ি লোৱা হৈছে। আৰু মাত্ৰ কেইটামান দিন পিছতে বিহাৰত অনুষ্ঠিত হ'ব নিৰ্বাচন। ফলত তেজ প্ৰতাপৰ বহিষ্কাৰ বিহাৰ নিৰ্বাচনত যে এটা ইছ্যু হ'বলৈ গৈ আছে তাত কোনো সন্দেহ নাই। অৱশ্যে ইয়াৰ দ্বাৰা কোনটো ৰাজনৈতিক শিবিৰ লাভৱান হ'ব সেয়া এতিয়াও স্পষ্ট নহয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তেওঁলোক 'জাজ' নহয়! উভতি ধৰিলে

বৰুৱাক তীব্ৰ আক্ৰমণ কৰিছিল। সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বক উত্তৰ দিবলৈ শংকৰজ্যোতি বৰুৱা বাহিৰত নাই। কাৰাগাৰত থকা শংকৰজ্যোতি বৰুৱাৰ হৈ আজি সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বক উত্তৰ দিছে বীৰ লাচিত সেনাৰ প্ৰশাসনিক সচিব শৃংখল চলিহাই। শংকৰজ্যোতি বৰুৱাক আছুৱে সদস্যাক বিয়া কৰোৱাৰ প্ৰলোভন দি যৌন শোষণ চলোৱা বুলি উত্থাপন কৰি ভয়ত আছু এৰি যোৱা বুলি কৈছিল আৰু কোনো কাৰণত শংকৰজ্যোতি বৰুৱাৰ পক্ষ নলয় বুলি স্পষ্ট কৰিছিল। আজি আছুৰ তেনে মন্তব্যক উভতি ধৰি শৃংখল চলিহাই আছুক জাজ হ'ব নোৱাৰে বুলি কটাক্ষ কৰে। আজি লাচিত সেনাৰ প্ৰশাসনিক সচিব শৃংখল চলিহাই কয় যে আমি স্কুল-কলেজৰ ল'ৰা-ছোৱালীক নি ধৰ্ণা নিদিওঁ। কালি মই কেইজনমানক ন্যায়াধীশৰ দৰে কথা কোৱা দেখিলো। তেওঁলোকে শংকৰজ্যোতিক দোষী সাব্যস্ত কৰি যেন ৰায় প্ৰদান কৰিছে। শংকৰজ্যোতিৰ বিৰুদ্ধে কোৱাসকল ন্যায়াধীশ নতুবা ৰায় প্ৰদান কৰিব নোৱাৰে। আজি আছু নেতৃত্বৰ নাম নোলোৱাকৈ শৃংখল চলিহাই তীক্ষ্ণ কটাক্ষ কৰে। আছুক কটাক্ষ কৰি শৃংখল চলিহাই আৰু কয় যে 'তেওঁলোক জাজ হ'ব নোৱাৰে। তেওঁলোকে ৰায় দিব নোৱাৰে, আমি আশাবাদী শংকৰজ্যোতি বৰুৱাই ন্যায় পাব। দুলীয়াজানৰ বি এন সিং পেট্ৰ'ল পাম্প খুলিবলৈ নিৰ্দেশনা সন্দৰ্ভত খোৱা সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰে চলিহাই কয় যে 'পেট্ৰ'ল পাম্প সন্দৰ্ভত দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰিছিল অইলে। কিন্তু তদন্তৰ প্ৰতিবেদন ৰাজহুৱা নকৰাকৈ কেনেকৈ পেট্ৰ'ল পাম্পটো খোল খালে, অইল ইণ্ডিয়া আইনৰ ঊৰ্ধ্বত নহয়। বীৰ লাচিত সেনাৰ নেতৃত্ব অইলৰ লগত আলোচনাত বহিব। যোৱা ১৭ মে'ত দুলীয়াজানৰ বি এন সিং পেট্ৰ'ল পাম্পত দুই ব্যৱসায়ী গোষ্ঠীৰ মাৰপিট লাগিছিল। মাৰপিট ভাঙিব গৈছিল শংকৰজ্যোতি গগৈ। তাৰ পিছতে গ্ৰেপ্তাৰ হৈছিল আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা। ১৯ মে'ত শংকৰজ্যোতিক গ্ৰেপ্তাৰ কৰি হেণ্ডকাই লগাইছিল আৰক্ষীয়ে। ৰাজ্যৰ প্ৰতিটো দল-সংগঠনে শংকৰজ্যোতি বৰুৱাত হেণ্ডকাফ লগোৱা কাণ্ডক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। কিন্তু সদৌ অসম ছাত্ৰ সন্থা নিমাতে আছিল। এদিন পূৰ্বে আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, সভাপতি উৎপল শৰ্মাই কয়, আছুৰ এগৰাকী সদস্যাক বিয়া কৰোৱাৰ প্ৰলোভন দি যৌন শোষণ কৰিছিল শংকৰজ্যেতি বৰুৱাই। শংকৰজ্যোতিৰ সপক্ষে আছুৱে স্থিতি নলয়, স্থিতি ল'ম বুলি আশা কৰাটোৱেই ভুল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৪ ট্ৰিলিয়ন! বিশ্বৰ চতুৰ্থ বৃহত্তম অৰ্থনীতিত

কৰে নিটি আয়োগৰ অধ্যক্ষ বি ভি আৰ সুব্ৰমণিয়ামে। তেওঁ ভাৰতৰ অনুকূল ভূ-ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থাৰ কথাও উল্লেখ কৰে। সুব্ৰমণিয়ামে কয় যে আমি বৰ্তমান চতুৰ্থ সৰ্ববৃহৎ অৰ্থনীতি। আমি এতিয়া ৪ ট্ৰিলিয়ন ডলাৰৰ অৰ্থনীতি। পিটিআইৰ উদ্ধৃতি দি তেওঁ কয় যে আইএমএফৰ তথ্যয়ো নিশ্চিত কৰিছে যে ভাৰতৰ অৰ্থনীতি এতিয়া জাপানতকৈও বৃহৎ। তেওঁ লগতে কয়, "ভাৰততকৈ কেৱল আমেৰিকা, চীন আৰু জাৰ্মানীহে এতিয়া আগত আছে। বৰ্তমানৰ পৰিকল্পনা অনুসৰি যদি আমি আগবাঢ়ি থাকো, তেন্তে আগন্তুক আঢ়ৈ-তিনি বছৰৰ ভিতৰত আমি তৃতীয় সৰ্ববৃহৎ অৰ্থনীতিৰূপে পৰিগণিত হ'ম।" ইফালে, শেহতীয়াকৈ আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে এপ'লক আমেৰিকাত বিক্ৰী হোৱা আইফোন আমেৰিকাতে নিৰ্মাণ কৰিবলৈ কৰা মন্তব্য সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত সুব্ৰমণিয়ামে কয় "শুল্ক কি হ'ব সেয়া অনিশ্চিত। অৱশ্যে বৰ্তমানৰ গতিশীলতাক বিবেচনা কৰিলে আমি নিৰ্মাণৰ বাবে এক সুলভ স্থান।" ইয়াৰ উপৰি সুব্ৰমণিয়ামে কয় যে সম্পদৰ মুদ্ৰাকৰণৰ দ্বিতীয় পৰ্যায়ৰ কাম চলি আছে আৰু আগষ্ট মাহত ঘোষণা কৰা হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পঞ্জাৱত গুলীয়াই হত্যা কাউন্সিলাৰক

এগৰাকী কাউন্সিলাৰক। চেহেৰথা অঞ্চলত সংঘটিত হৈছে এই ঘটনা। আৰক্ষীয়ে জনোৱা মতে, মৃত কাউন্সিলাৰজনৰ নাম হৰজিন্দৰ সিং বাহমান। উল্লেখ্য যে হৰজিন্দৰ সিং জলন্ধৰ বিধানসভা সমষ্টিৰ ২ নং ৱাৰ্ডৰ কাউন্সিলাৰ আছিল। অতিৰিক্ত ডিচিপি হৰপাল সিং ৰান্ধৱাই জনোৱা মতে, দেওবাৰে বিয়লি ৩-৪ জন অচিনাক্ত ব্যক্তিয়ে বাইকত থকা হৰজিন্দৰ সিঙক ৰখাবলৈ চেষ্টা কৰি কেইবাজাঁই গুলীচালনা কৰে। ইয়াৰ পিছতে সংকটজনক অৱস্থাত হৰজিন্দৰক নিকটৱৰ্তী হাস্পতাললৈ নিয়া হয় যদিও চিকিৎসকে মৃত ঘোষণা কৰে। ইফালে, শিৰোমণি আকালি দলৰ জ্যেষ্ঠ নেতা বিক্ৰম সিং মজিতিয়াই দাবী কৰা মতে, কিছুদিনৰ পৰা কাউন্সিলাৰগৰাকীয়ে হত্যাৰ ভাবুকি লাভ কৰি আহিছিল। এই বিষয়ে তেওঁ আৰক্ষীকো অৱগত কৰিছিল যদিও আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ পৰিণতিত আজি দিনৰ পোহৰতে এই হত্যাকাণ্ড সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈছে। যুৱ কাউন্সিলাৰজনৰ হত্যাৰ বাবে পঞ্জাৱৰ আপ চৰকাৰৰ 'দুৰ্বল' আইন-শৃংখলা পৰিস্থিতিক লৈ ক্ষোভ ব্যক্ত কৰিছে আকালি দল আৰু বিৰোধীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গৌৰৱ গগৈক ‘ডিফেণ্ড’ কৰি মুখ্যমন্ত্ৰীক

কৰি গৌৰৱ গগৈৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৰি অহা আক্ৰমণৰ প্ৰত্যুত্তৰ দি সৰৱ হয়। ৰিপুন বৰাই গৌৰৱ গগৈ ২০২৬ চনৰ নিৰ্বাচনত মুখ্যমন্ত্ৰীৰ প্ৰাৰ্থী হ'ব পাৰে বুলি দাবী কৰিছে। হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিদ্বন্দী কেৱল গৌৰৱ গগৈ বুলি গম পাই হিমন্ত বিশ্ব শৰ্মা শংকিত হোৱা বুলিও কয় ৰিপুন বৰাই। ৰিপুন বৰাই দাবী কৰিছে যে গৌৰৱ গগৈৰ নেতৃত্বত চৰকাৰ হ'লে হিমন্ত বিশ্ব শৰ্মাৰ দুৰ্নীতিৰ ফাইল খোল খাব। ইমান কম বয়সতে গৌৰৱ গগৈ লোকসভাত বিৰোধী দলৰ উপ-দলপতি হোৱাটো মুখ্যমন্ত্ৰীয়ে মানি ল'ব পৰা নাই। সেয়েহে গৌৰৱ গগৈক পলিটিকেল মাৰ্ডাৰ কৰিব বিচাৰিছে মুখ্যমন্ত্ৰীয়ে। যোৰহাটৰ সাংসদ গৌৰৱ গগৈৰ পাকিস্তান ভ্ৰমণক লৈ বাৰে বাৰে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কৰি অহা আক্ৰমণৰ উত্তৰ দি এনেদৰে সৰৱ হয় ৰিপুন বৰা। মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈক কৰা আক্ৰমণৰ বিৰুদ্ধে প্ৰদেশ কংগ্ৰেছ আজি স্থিতি স্পষ্ট কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণৰ লক্ষ্য কৰি লয়। ৰিপুন বৰাই কংগ্ৰেছৰ সম্ভাব্য মুখ্যমন্ত্ৰী প্ৰাৰ্থী হ'ব পাৰে বুলি শংকিত হৈ ৰাজনৈতিকভাৱে দমন কৰাৰ এক প্ৰয়াস কৰা হৈছে। কংগ্ৰেছে সম্ভাব্যভাৱে গৌৰৱ গগৈক মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী হিচাপে আগবঢ়াব। যদি ২০২৬ চনত গৌৰৱ গগৈ চৰকাৰ গঠন কৰে, তেতিয়া হিমন্ত বিশ্ব শৰ্মাৰ বিভিন্ন দুৰ্নীতিৰ নথি উন্মোচিত হ'ব। ৰিপুন বৰাই সংবাদমেল যোগে কয় যে পঞ্চায়ত নিৰ্বাচনৰ আৰম্ভণিৰ পৰা শেষলৈকে মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংসদ গৌৰৱ গগৈ ২০১৫ চনত গোপনে পাকিস্তানলৈ যোৱা বুলি অভিযোগ তুলি পঞ্চায়ত নিৰ্বাচনৰ সকলোবোৰ বিষয় তল পেলাই সংবাদ মাধ্যমত তালফাল লগাই সাংসদ গৌৰৱ গগৈৰ ভাবমূৰ্তি নষ্ট কৰিবলৈ অপচেষ্টা কৰা আমি সকলোৱে দেখিছো। ডেৰমাহত প্ৰায় প্ৰতিদিনে গৌৰৱ গগৈক পাকিস্তানৰ চোৰাংচোৱা সংস্থা আই.এছ.আইৰ গোপন সম্পৰ্ক আছে বুলি তোলা অভিযোগ আৰু গৌৰৱ গগৈকে ধৰি কংগ্ৰেছৰ বিভিন্ন নেতা, অন্যান্য বিৰোধী দলৰ নেতা, বিভিন্ন চিন্তাশীল ব্যক্তিয়ে দিয়া প্ৰত্যুত্তৰ অসম তথা ভাৰতবৰ্ষৰ সংবাদ জগতত সঘনাই প্ৰচাৰ হৈ আহিছে। এই ডেৰমাহত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ জনমানসৰ পৰা কৌশলগতভাৱে অসমৰ কেইবাটাও জ্বলন্ত সমস্যা তল পেলাই কেৱল গৌৰৱ গগৈৰ বিষয়ৰ ওপৰত অসমৰ মানুহক আবদ্ধ কৰি ৰাখিব বিচাৰিছিল। সাংসদ গৌৰৱক পাকিস্তানী এজেণ্ট সজোৱাৰ আৰত মুখ্যমন্ত্ৰীৰ উদ্দেশ্যে কি সেয়া ৰিপুন বৰাই বৰ্ণনা কৰিছে। বৰাৰ মতে, ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত যদি গৌৰৱ গগৈ কংগ্ৰেছ দলৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী হয় কোনো কাৰণত অসমত বিজেপি চৰকাৰ হ'ব নোৱাৰে সেই কথা মুখ্যমন্ত্ৰীয়ে গম পাইছে। হিমন্ত বিশ্ব শৰ্মাই গৌৰৱ গগৈক অনাগত দিনত তেওঁৰ প্ৰতিদ্বন্দ্বী হিচাপে ভাবি লৈছে। সাংসদ হিচাপে গৌৰৱ গগৈয়ে সাংসদৰ বাহিৰে ভিতৰে যি পাৰদৰ্শিতা দেখুৱাইছে, যাৰ বাবে তেওঁ দুবাৰকৈ বিৰোধী দলৰ উপ-দলপতি হৈছে। এই সাফল্যত হিমন্ত বিশ্ব শৰ্মা শংকিত হৈ পৰিছে। ২০২৪ৰ লোকসভা নিৰ্বাচনত মুখ্যমন্ত্ৰীৰ সকলো ধন-জন-বাহুবলক চেৰ পেলাই যোৰহাট সমষ্টিৰ পৰা গৌৰৱ গগৈ সাংসদ হিচাপে নিৰ্বাচিত হোৱাত আৰু অসমৰ ৰাইজৰ মাজত চাৰিওফালে গৌৰৱ গগৈৰ গ্ৰহণযোগ্যতা দেখি হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ গাদীৰ নিৰাপত্তাৰ প্ৰতিয়েই শংকিত হোৱাই নহয় বৰঞ্চ গৌৰৱ গগৈ মুখ্যমন্ত্ৰী হ'লে তেওঁৰ কংগ্ৰেছ আমোলৰ ১৪ বছৰীয়া শাসনৰ সীমাহীন দুৰ্নীতি যেনে শাৰদা কেলেংকাৰী, লুইছ বাৰ্জাৰ কেলেংকাৰী, ডিমা হাছাও স্বায়ত্তশাসিত জিলাৰ হাজাৰ কোটি টকাৰ কেলেংকাৰী, বৰ্তমান মুখ্যমন্ত্ৰিত্বৰ কাৰ্যকালত হোৱা তেওঁ আৰু তেওঁৰ পত্নীৰ পৰ্বতসম সা-সম্পত্তিৰ কেলেংকাৰী গোচৰৰ ফাইলসমূহ খোল খাই বুলি ভীতিগ্ৰস্ত হৈ গৌৰৱ গগৈৰ ভাবমূৰ্তি জনমানসত হেয় কৰি তেওঁৰ উত্থান ৰোধ কৰিবৰ বাবে এই কৌশল লৈছে। ল'ৰা ৰজাই যেনেদৰে তেওঁৰ প্ৰতিদ্বন্দ্বীসকলক অংগক্ষত কৰি নিষ্কণ্টক হ'ব বিচাৰিছিল বিশ্ব শৰ্মাও সাংসদ গৌৰৱ গগৈক মিছা পাকিস্তানী এজেণ্ট সজাই তেওঁৰ মুখ্যমন্ত্ৰী পদ নিষ্কণ্টক কৰিবৰ বাবে বৃথা প্ৰচেষ্টা চলাইছে বুলি দাবী কৰিছে ৰিপুন বৰাই। এই ক্ষেত্ৰত ৰিপুন বৰাই কয় যে হিমন্ত বিশ্ব শৰ্মাই বাৰে বাৰে অভিযোগ আনিছে যে গৌৰৱ গগৈ গোপনে পাকিস্তানলৈ গৈছিল, পাকিস্তানত ১৫ দিন কি কৰিছিল, পাকিস্তানী চোৰাংচোৱা আই.এছ.আইৰ নিমন্ত্ৰণত তেওঁ পাকিস্তানলৈ গৈছিল, পাকিস্তানত প্ৰশিক্ষণ লৈছিল ইত্যাদি। এতিয়া কথা হ'ল গৌৰৱ গগৈ সাংসদ বাদ দিয়ক, কোনো সাধাৰণ মানুহো ভাৰতৰ পৰা বিদেশী ৰাষ্ট্ৰলৈ পাছপৰ্ট, ভিছা নোহোৱাকৈ যাব নোৱাৰে। হিমন্ত বিশ্ব শৰ্মাই অভিযোগ আনিছে যে তেওঁ আটাৰী বৰ্ডাৰ পাৰ হৈ পাকিস্তানলৈ গৈছিল। পাছপৰ্ট, ভিছা নোহোৱাকৈ গাড়ী বা খোজকাঢ়ি হ'লেও বিদেশী ৰাষ্ট্ৰত প্ৰৱেশ কৰিব নোৱাৰে কিয়নো আটাৰী বৰ্ডাৰ বা ভাৰত-পাকিস্তানৰ এনে সকলোবোৰ ব'ৰ্ডাৰ পইণ্টত কোনো মানুহ যাতে উভয় দেশৰে পৰা চোৰাংকৈ প্ৰৱেশ কৰিব নোৱাৰে তাক নিশ্চিত কৰিবলৈ উভয় দেশৰ সামৰিক, অৰ্ধসামৰিক বাহিনীৰ লোকে অহৰহ ব'ৰ্ডাৰ পইণ্টত নিৰীক্ষণ কৰি থাকে। এনে ব'ৰ্ডাৰ পইণ্টৰ পৰা কোনোবা পাকিস্তানলৈ গ'লেও এওঁলোকৰ পাছপৰ্ট-ভিছা পৰীক্ষা হয় আৰু নোট কৰে বুলিও সংবাদমেলত কয় বৰাই। লগতে গোপনে ভাৰতৰ পৰা এখন বিদেশী ৰাষ্ট্ৰত যোৱাটো অসম্ভৱ বুলি যুক্তি দি ৰিপুন বৰাই কয় যে যুক্তিৰ খাতিৰত গৈছিল বুলি ধৰি ল'লেও এই কথাত ইমান দিন ভাৰত চৰকাৰ নিমাত কিয় আছে বুলি প্ৰশ্ন কৰে? তেওঁ কয় যে ভাৰত চৰকাৰৰ ইমান শক্তিশালী চোৰাংচোৱাবিলাকে কি কৰিছিল? যদি গৈছিল ভাৰত চৰকাৰে গৌৰৱ গগৈৰ ওপৰত ইমান দিনে কিয় বিহিত ব্যৱস্থা লোৱা নাই? তেওঁ কেনেকৈ বিৰোধী দলৰ উপ-দলপতি হৈ সংসদত প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী তথা ভাৰত চৰকাৰৰ বিফলতা মুহ নগ্নভাৱে উদঙাই দিব পাৰিছে। মুখ্যমন্ত্ৰী, বিজেপিৰ দুই এক মন্ত্ৰী, সংবাদ মাধ্যমে দাবী কৰিছে গৌৰৱ গগৈয়ে স্বীকাৰ কৰিব লাগে তেওঁ পাকিস্তানলৈ গৈছিল নে নাই? কি অদ্ভুত যুক্তি! তেওঁলোক কোন গৌৰৱ গগৈক এইদৰে স্বীকাৰোক্তি দাবী কৰিবলৈ? হিমন্ত বিশ্ব শৰ্মা আইনৰ ছাত্ৰ, অধিবক্তা হিচাপে জনা উচিত যে অভিযোগ প্ৰমাণ কৰাৰ দায়িত্ব অভিযোগকাৰীৰ। গৌৰৱ গগৈক ইমান হেঁচা দিছে? যদি সঁচাকৈয়ে গৌৰৱ গগৈ চোৰাংকৈ পাকিস্তানলৈ গৈ তাত ভাৰত বিৰোধী কামত লিপ্ত হৈছে তাৰ প্ৰমাণ তেওঁলোকৰ হাতত আছে তাক সদৰি কৰা দায়িত্ব তেওঁলোকৰ। ৰিপুন বৰাই এছআইটি সন্দৰ্ভত কয় যে হিমন্ত বিশ্ব শৰ্মাই তেওঁ অনা অভিযোগৰ ওপৰত মানুহৰ বিশ্বাস আনিবলৈ, অভিযোগৰ গুৰুত্ব বৃদ্ধি কৰিবলৈ এছআইটি গঠন কৰি অসমৰ ৰাইজক আভুৱা-ভাঁৰিছে। অসম চৰকাৰে গঠন কৰা এছআইটিয়ে কেৱল অসমত নিজৰ কৰ্তৃত্ব প্ৰয়োগ কৰিব পাৰিব। দিল্লীত থকা পাকিস্তানৰ দূতাবাসে তথ্য দিবলৈ বাধ্য নহয়। ভাৰত চৰকাৰে পাকিস্তান চৰকাৰৰ লগতে যোগাযোগ কৰি পাকিস্তান চৰকাৰক এই বিষয়ত মান্তি কৰিব পাৰিলেহে এছআইটিয়ে কিবা তথ্য পাব পাৰিব। অন্যথাই অসম পুলিচৰ এছআইটিয়ে এই বিষয়ত তদন্ত কৰিবৰ বাবে দিল্লীত থকা পাকিস্তান হাই কমিছনাৰ বা পাকিস্তানলৈ গ'লে তাত তেওঁলোকক কোনেওঁ নোপোচে। এনেস্থলত মুখ্যমন্ত্ৰীয়ে অনা অভিযোগবোৰৰ যদি সত্যতা আছে তেন্তে ভাৰত চৰকাৰে আজি পৰ্যন্ত অভিযোগবোৰৰ ওপৰত কিয় নিজাববীয়াকৈ তদন্তৰ ব্যৱস্থা কৰা নাই? গগৈৰ পত্নী এলিজাবেথ আৰু কিশোৰ, ল'ৰা-ছোৱালীহালৰ নাগৰিকত্ব প্ৰসংগ টানি অনাটো কিমান যুক্তিসংগত বুলি প্ৰশ্ন কৰি বৰাই কয় যে গৌৰৱ গগৈৰ পত্নী যিহেতু এটা আন্তৰ্জাতিক এনজিঅ'ত চাকৰি কৰে। এনজিঅ'ই পাকিস্তানসহ বহু দেশত কাম কৰিছে। তেওঁ পাকিস্তানৰ পৰা দৰমহা পাইছে, কৰ্মসূত্ৰে তেওঁ একাধিকবাৰ পাকিস্তান গৈছে সেই বাবেই তেওঁৰ দেশপ্ৰেমক সন্দেহ কৰাৰ কি যুক্তি আছে? ভাৰতীয় ৰাজনৈতিক নেতা, আমোলা, ব্যৱসায়ীৰ পৰিয়ালৰ লোকে পাকিস্তানত আৰু ঠিক সেইদৰে বহু পাকিস্তানী নাগৰিকে ভাৰতত বিধি সন্মত ভাৱে চাকৰি, ব্যৱসায় কৰি আছে। আমাৰ দেশৰ বৈদেশিক মন্ত্ৰী এছ, জয়শংকৰৰ দ্বিতীয় পত্নী জাপানী নাগৰিক আৰু তেওঁলোকৰ দ্বিতীয় পুত্ৰ ধ্ৰুৱ জয়শংকৰ ব্ৰিটিছ নাগৰিক। সেই বুলি আমি এছ, জয়শংকৰৰ দেশপ্ৰেমৰ ওপৰত সন্দেহ আনিব লাগিব নেকি? ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল প্ৰথম পুত্ৰ বিবেক ডোভাল আমেৰিকাৰ নাগৰিক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ মালিক। তেওঁৰ সৰু ভাতৃ সূৰ্য ডোভাল আকৌ জেমিনি ফাইনেন্সিয়েল চাৰ্ভিছ নামৰ এক প্ৰতিষ্ঠানৰ মালিক আৰু এই প্ৰতিষ্ঠানত পাকিস্তানৰ এজন বিখ্যাত ব্যৱসায়ী ছৈয়দ আলি আব্বাছ এক অন্যতম পাৰ্টনাৰ। বিবেক ডোভালৰ জিএনৱাই বিত্তীয় প্ৰতিষ্ঠানৰ পাকিস্তানতো ব্যৱসায় আছে। সম্পূৰ্ণ বিধিসম্মতভাৱে অজিত ডোভালৰ দুই পুত্ৰৰ পাকিস্তানত থকা এই ব্যৱসায়ক কেন্দ্ৰ কৰি ২০১৯ চনত দ্য কাৰাভান নামৰ আন্তৰ্জাতিক এক আলোচনীত অজিত ডোভাল তথা তেওঁৰ দুই পুত্ৰৰ পাকিস্তানৰ লগত গোপন সম্পৰ্ক থকা বুলি অভিযোগ তুলি তোলপাৰ লগাইছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# স্বামীহাৰা মহিলাৰ ইচ্ছাশক্তিক লৈ প্ৰশ্ন

বিজেপি ৰাজ্যসভাৰ সাংসদ ৰামচন্দ্ৰ জাংৰা। পেহেলগামৰ সেই নৰসংহাৰক লৈ দেশজুৰি আজিও বৈ আছে শোকৰ বন্যা। সেই সময়তে হাৰিয়ানাৰ ভিৱানীত অনুষ্ঠিত এক অনুষ্ঠানত ভুক্তভোগীক লৈ আপত্তিজনক মন্তব্য কৰি বিতৰ্কৰ সূচনা কৰে বিজেপিৰ সাংসদ ৰামচন্দ্ৰ জাংৰাই। এক অনুষ্ঠানত তেওঁ কয় যে এই আক্ৰমণৰ ভুক্তভোগী মহিলাসকলে স্বামীৰ মৃত্যু দেখি মৌন হৈ থকা উচিত নাছিল। জাংৰাৰ মতে, তেওঁলোকে উগ্ৰবাদীৰ বিৰুদ্ধে যুঁজিব লাগিছিল। ইয়াৰ ফলত হয়তো হতাহতিৰ সংখ্যা হ্ৰাস পালেহেঁতেন। জাংৰাৰ এই মন্তব্যৰ পিছতে পুনৰ এবাৰ গৰম হৈ পৰিছে ৰাজনৈতিক মহল। উল্লেখ্য যে শুকুৰবাৰে ৰাণী অহল্যাবাই হোলকাৰৰ ৩০০ সংখ্যক জন্ম-জয়ন্তী উপলক্ষে ভিৱানীত অনুষ্ঠিত এক অনুষ্ঠানত জাংৰাই ৰাণী লক্ষ্মীবাই আৰু অহল্যাবাই হোলকাৰৰ দৰে নায়িকাৰ উদাহৰণ দাঙি ধৰে। তেওঁ কয়, "পেহেলগামৰ মহিলা পৰ্যটকসকলে প্ৰতিশোধ ল'ব লাগিছিল। মই ভাৱো- মহিলাসকলে প্ৰতিশোধ লোৱা হ'লে উগ্ৰবাদীয়ে এনেদৰে তেওঁলোকৰ স্বামীক হত্যা কৰিব নোৱাৰিলেহেঁতেন।" তেওঁ আৰু কঠোৰ ভাষাৰে কয়, "সেই মহিলাসকলৰ কোনো যুঁজাৰু মনোভাব নাছিল, ইচ্ছাশক্তি নাছিল, সাহস নাছিল, মনৰ শক্তি নাছিল। সেইবাবেই তেওঁলোকে উগ্ৰপন্থীৰ সন্মুখত হাতযোৰ কৰি আছিল।" জাংৰাই লগতে কয়, "অহল্যাবাই বা ঝান্সীৰ ৰাণী লক্ষ্মীবাইৰ দৰে আমাৰ মাতৃ-ভগ্নীসকলৰ সাহস আৰু আত্মা ঘূৰাই অনাটো প্ৰয়োজন।" কেন্দ্ৰৰ 'অগ্নিবীৰ' প্ৰকল্পৰ কথাউল্লেখ কৰি তেওঁ কয় যে সকলো পৰ্যটক যদি অগ্নিবীৰ হ'লহেঁতেন তেন্তে সন্ত্ৰাসবাদীৰ সৈতে মুখামুখি হ'ব পাৰিলেহেঁতেন। ইফালে, বিজেপি সাংসদগৰাকীৰ এই মন্তব্যক নাৰীবিদ্বেষী আৰু অপমানজনক বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে বিৰোধীয়ে। কংগ্ৰেছৰ সাংসদ দীপেন্দ্ৰ সিং হুডাই কয়, "পেহেলগামৰ আমাৰ মাতৃ-ভগ্নীয়ে স্বামীক হেৰুৱালে। এতিয়া এই বিজেপি নেতাই তেওঁলোকৰো সন্মানৰ ওপৰত ৰাজনীতি কৰাত নামি পৰিছে।" হুডাৰ ভাষাত "বিজেপি সাংসদে বিধৱা মহিলাৰ মৰ্যাদা অৱনমিত কৰিছে। এয়া লজ্জাজনক আৰু অপমানজনক।" মন কৰিবলগীয়া যে ইয়াৰ পূৰ্বে ভাৰতীয় সেনা বিষয়া কৰ্নেল ছোফিয়া কুৰেশ্বীক লৈ বিতৰ্কিত মন্তব্য কৰি ইতিমধ্যে সমগ্ৰ দেশৰ ৰোষত পৰিছে বিজেপিৰ আন এজন নেতা মধ্য প্ৰদেশৰ মন্ত্ৰী বিজয় শ্বাহ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অপাৰেশ্যন সেন্দূৰ সংকল্পৰ প্ৰতিচ্ছবি

এই অভিযানৰ দ্বাৰা সৃষ্টি হোৱা দেশপ্ৰেমৰ ভাৱনাৰ উল্লেখেৰে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আয়োজন কৰিলে মাহেকীয়া ৰেডিঅ' অনুষ্ঠান 'মন কী বাত'ৰ ১২২ সংখ্যক খণ্ড। মোদীয়ে তেওঁৰ ভাষণত সামৰিক অভিযানৰ উপৰি ইয়াৰ গভীৰ প্ৰভাৱৰ ওপৰত আলোকপাত কৰে। তদুপৰি গিৰত এছিয়াটিক সিংহৰ সংখ্যা বৃদ্ধি, মাওবাদী প্ৰধান অঞ্চলৰ উন্নয়ন, প্ৰযুক্তিৰ জৰিয়তে নাৰী সবলীকৰণ আদি বিষয়বোৰো তেওঁ উত্থাপন কৰে মন কী বাতত। 'অপাৰেচন সেন্দূৰ' সন্দৰ্ভত ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "সন্ত্ৰাসবাদৰ বিৰুদ্ধে সমগ্ৰ দেশ একত্ৰিত, সকলোৱে ইয়াৰ অন্ত পেলাব বিচাৰে। আমাৰ বাহিনীয়ে নিখুঁতভাৱে সীমান্ত অতিক্ৰম কৰি সন্ত্ৰাসবাদী শিবিৰ ধ্বংস কৰিছে। অপাৰেচন সিন্দূৰ হৈছে পৰিৱৰ্তিত ভাৰতৰ প্ৰতিফলন।" তেওঁ আৰু কয় যে এই অভিযান কেৱল সামৰিক অভিযান নহয়, ভাৰতৰ সংকল্প, সাহস আৰু ৰূপান্তৰৰ প্ৰতিচ্ছবি। এই অভিযানৰ পিছত 'ত্ৰিৰংগা যাত্ৰা'ই কেনেদৰে চহৰৰ পৰা গাঁৱলৈ দেশপ্ৰেম জাগ্ৰত কৰিছে সেই কথাও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। বন্যপ্ৰাণী সংৰক্ষণ সন্দৰ্ভত মোদীয়ে কয় যে মাত্ৰ পাঁচ বছৰৰ ভিতৰতে গুজৰাটৰ গিৰত সিংহৰ সংখ্যা ৬৭৪ ৰ পৰা ৮৯১ টালৈ বৃদ্ধি পাইছে। তেওঁ মাওবাদী প্ৰধান অঞ্চলসমূহৰ উন্নয়নৰ কথাও উল্লেখ কৰে, য'ত এতিয়া মৌলিক সুবিধাসমূহ সুচল কৰা হৈছে। উদাহৰণ হিচাপে তেওঁ মহাৰাষ্ট্ৰৰ গাডচিৰোলীৰ কাটেঝাৰি গাঁৱৰ কথা উল্লেখ কৰি কয় যে এই অঞ্চলটোৱে এতিয়া প্ৰথমবাৰৰ বাবে বাছ সেৱা লাভ কৰিবলৈ সক্ষম হৈছে। ইফালে, কৃষিক্ষেত্ৰত মহিলাৰ ভূমিকাক আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে তেলেংগানাৰ সাংগাৰেডী জিলাৰ মহিলাসকলৰ কথা কয়, যিয়ে ড্ৰ'ন ব্যৱহাৰ কৰি ৫০ একৰ মাটিত কীটনাশক ছটিয়াইছে। তেওঁ তেওঁলোকক 'স্কাই ৱাৰিয়ৰ্ছ' বুলি অভিহিত কৰে। উত্তৰ-পূব ভাৰতৰ প্ৰতিভা আৰু শক্তি প্ৰদৰ্শনৰ উদ্দেশ্যে তেওঁ 'ৰাইজিং নৰ্থ ইষ্ট ছামিট' আৰু 'অষ্টলক্ষ্মী মহোৎসৱ'ৰ কথাও উত্থাপন কৰে। স্থানীয় লোকসকলক দক্ষতাৰ প্ৰশিক্ষণ দি স্বাৱলম্বী হোৱাত সহায় কৰি অহা ছিকিমৰ পশু চিকিৎসক ডাঃ চেৱাং নৰ্বু ভুটিয়াৰ 'ক্ৰাফ্টেড ফাইবাৰ্ছ' পদক্ষেপকো প্ৰশংসা কৰে প্ৰধানমন্ত্ৰীয়ে। তেওঁ ভাষণত গুজৰাটৰ মহিলা বন বিষয়াসকলকো প্ৰশংসা কৰে। একে সময়তে, পলিঅ' ৰোগত আক্ৰান্ত হৈও জীৱনৰ কষ্ট অতিক্ৰম কৰা উত্তৰাখণ্ডৰ হালদ্বানীৰ ৬৫ বছৰীয়া জীৱন যোশীৰ দৰে অনুপ্ৰাণিত লোকৰ কাহিনীও প্ৰধানমন্ত্ৰীয়ে শ্বেয়াৰ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'সন্ত্ৰাসবাদৰ সমৰ্থনত চৰকাৰ গঠন ইউনুছৰ'

কৰিছে পদচ্যুত প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাই। ইউনুছে বাংলাদেশখনক আমেৰিকাৰ ওচৰত বিক্ৰী কৰাৰ বিস্ফোৰক অভিযোগ উত্থাপন কৰে হাছিনাই। ৰাজনৈতিক অস্থিৰতা আৰু আগন্তুক নিৰ্বাচনক কেন্দ্ৰ কৰি বাংলাদেশৰ উত্তপ্ত পৰিস্থিতিৰ মাজতে শ্বেখ হাছিনাৰ এই মন্তব্যই নতুন বিতৰ্কৰ সৃষ্টি কৰিছে। দেওবাৰে দলৰ ফেচবুক একাউন্টত প্ৰকাশ কৰা এক অডিঅ' বাৰ্তা আৰু এক বিবৃতিত শ্বেখ হাছিনাই অভিযোগ কৰে যে মহম্মদ ইউনুছে 'সন্ত্ৰাসবাদী'ৰ সহায়ত বাংলাদেশত ক্ষমতা দখল কৰিছিল। তেওঁ ইউনুছক 'উগ্ৰপন্থী নেতা' বুলিও অভিহিত কৰি তেওঁৰ দল আৱামী লীগৰ ওপৰত জাৰি কৰা নিষেধাজ্ঞাক অসাংবিধানিক বুলি গৰিহণা দিয়ে। শ্বেখ হাছিনাই ভাষণত ছেইণ্ট মাৰ্টিন দ্বীপৰ কথা উল্লেখ কৰি কয় যে তেওঁৰ পিতৃ বংগবন্ধু শ্বেখ মুজিবুৰ ৰহমানে দ্বীপটো আমেৰিকাক গতাই দিবলৈ সন্মতি নিদিয়াৰ বাবে নিজৰ প্ৰাণ হেৰুৱাবলগীয়া হৈছিল। তেওঁ কয়, "যেতিয়া আমেৰিকাই ছেইণ্ট মাৰ্টিন দ্বীপ বিচাৰিছিল, তেতিয়া মোৰ পিতৃ মান্তি হোৱা নাছিল। তেওঁ নিজৰ জীৱনটো দিবলগীয়া হৈছিল আৰু সেয়াই আছিল মোৰ ভাগ্য। কাৰণ মই কেতিয়াও ক্ষমতাত থাকিবলৈ দেশখন বিক্ৰী কৰাৰ কথা ভবা নাছিলো।" তেওঁ আৰু এই প্ৰশ্ন উত্থাপন কৰে যে যিখন দেশৰ মানুহে জাতিৰ পিতৃৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই স্বাধীনতাৰ বাবে যুঁজিছিল, সেই দেশৰ এক ইঞ্চি মাটিও গতাই দিয়াৰ কথা কেনেকৈ ভাবিব পাৰি? তেওঁ আৰু অভিযোগ কৰে, "ইউনুছে আন্তঃৰাষ্ট্ৰীয় নিষিদ্ধ সন্ত্ৰাসবাদীৰ সহায়ত ক্ষমতা দখল কৰিছিল, যাৰ পৰা মোৰ চৰকাৰে বাংলাদেশৰ জনসাধাৰণক সুৰক্ষা দিছে।" হাছিনাই দাবী কৰে যে তেওঁৰ চৰকাৰৰ দিনত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল আৰু বহুতকে গ্ৰেপ্তাৰ কৰা হৈছিল যদিও এতিয়া কাৰাগাৰসমূহ খালী হৈ পৰিছে। মন কৰিবলগীয়া যে ২০২৪ চনৰ ৭ আগষ্টত শিক্ষাৰ্থীৰ প্ৰতিবাদৰ সন্মুখত শ্বেখ হাছিনাই পদত্যাগ কৰাৰ পিছত মহম্মদ ইউনুছে অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী হিচাপে দায়িত্ব গ্ৰহণ কৰে। শেহতীয়াকৈ বাংলাদেশৰ সেনা প্ৰধানে ডিচেম্বৰৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰাৰ আহ্বান জনোৱাৰ পিছতে ইউনুছে পদত্যাগ কৰাৰ ভাবুকি দিয়াৰ বাতৰি প্ৰকাশ পাইছে। আৰু ঠিক সেই সময়তে ইউনুছক তীক্ষ্ণ আক্ৰমণৰ লক্ষ্য কৰি লয় শ্বেখ হাছিনাই।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# নামঘৰত শৰণ লৈ ইছলাম ত্যাগ ৰুবুল

আজি জামুগুৰিহাটৰ আঞ্চলিক শাখা সংঘৰ কীৰ্তন গৃহত আয়োজন কৰা হয়। য'ত প্ৰায় তিনি শতাধিক লোকৰ উপস্থিতিত ধৰ্মান্তকৰণ কৰা হয়। কীৰ্তন, নামঘোষাৰ মাজত শংকৰদেৱ সংঘৰ শৰণাচাৰ্যৰ হাতত শৰণ লৈ পৰিয়ালটোৱে আনুষ্ঠানিকভাৱে হিন্দু ধৰ্ম গ্ৰহণ কৰে। অনুষ্ঠানত শংকৰদেৱ সংঘৰ জামুগুৰি আঞ্চলিক শাখাৰ নেতা পুনাৰাম গোহাঁই উপস্থিত থাকে। শংকৰী সংস্কৃতিৰ প্ৰতি আকৰ্ষিত হৈ ৰুবুলৰ পৰিয়ালে হিন্দু ধৰ্ম লোৱা বুলি প্ৰকাশ কৰিছে। আলীৰ পৰিয়ালে ইছলাম ধৰ্ম ত্যাগ কৰি হিন্দু ধৰ্ম গ্ৰহণ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰি সেই কথা ৰাইজক জনোৱা বুলি জানিব পৰা যায়। তাৰ পিছতে আজি ৰাইজে দিন-বাৰ ঠিক কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কীৰ্তন গৃহত শৰণাচাৰ্যই শৰণ দিয়ে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নেতা পুনাৰাম গোহাঁইৰ উপস্থিতিত পৰিয়ালটোৱে হিন্দু ধৰ্ম গ্ৰহণ কৰে। পৰিয়ালটোৰ মুৰব্বী আছিল ৰুবুল আলী, যাৰ নতুন নাম ৰখা হয় ৰুবুল হাজৰিকা। পৰিয়ালটোক 'হাজৰিকা' উপাধি দিয়া হয় আৰু সংঘৰ নিয়ম অনুসৰি তেওঁলোকক জামুগুৰি আঞ্চলিক শাখাৰ সংগী ৰূপে স্বীকৃতি প্ৰদান কৰা হয়। বিজেপি চৰকাৰৰ অহাৰ পিছৰে পৰা হিন্দু-ধৰ্মীয় সামাজিক পৰিৱৰ্তন আৰু বিশ্বাসক লৈ পুনৰ আলোচনাৰ মাজতে ধৰ্মান্তকৰণ কৰা হয়। পৰিয়ালটোৰ মতে, তেওঁলোকে নিজৰ ইচ্ছাত আৰু ধৰ্মনিৰপেক্ষ মুক্ত চিন্তাৰ আধাৰত এই পদক্ষেপ গ্ৰহণ কৰিছে। শংকৰদেৱ সংঘৰ স্থানীয় নেতৃত্বই এই ধৰ্মান্তৰকৰণক 'বিশ্বাস আৰু সংস্কৃতিৰ বিজয়' হিচাপে অভিহিত কৰিছে, যদিও এই বিষয়ে বিতৰ্ক আৰু মতভেদৰ সৃষ্টি হোৱাৰ সম্ভাৱনা নথকা নহয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অবৈধ বাংলাদেশীৰ বিৰুদ্ধে ৰাজ্যজুৰি

চৰকাৰৰ নিৰ্দেশত ৰাজ্যজুৰি চলা অভিযানত ৰাজ্যত লাগিছে হুৰা-দুৰা। উজনি-নামনিত অসম আৰক্ষীয়ে চলোৱা অভিযানত এতিয়ালৈকে কেবা শতাধিক সন্দেহজনক নাগৰিকক আটক কৰা হৈছে। আটক কৰা লোকসকলক অনা হৈছে গুৱাহাটীলৈ। গুৱাহাটীৰ ৰূপনগৰৰ পুলিচ ৰিজাৰ্ভত ৰখা হৈছে আটকাধীন লোকসকলক। শিৱসাগৰ, গুৱাহাটী, নুমলীগড়, মৰিগাঁও, তেজপুৰ, মেৰাপানীকে ধৰি ৰাজ্যৰ ভিন্ন প্ৰান্তত শতাধিক লোকক আৰক্ষীয়ে জিম্মাত লৈছে। গুৱাহাটীত ৰখা সন্দেহজনক লোকসকলক মুকলি কৰি নিবলৈ আহি হেতা-ওপৰা লগাইছে পৰিয়ালে। নথি-পত্ৰ লৈ পুলিচ ৰিজাৰ্ভত ভিৰ কৰিছে আত্মীয়ই। শিৱসাগৰ জিলাত ১২ জন সন্দেহজনক বাংলাদেশীক আটক কৰা হৈছে। নুমলীগড়ত ২২জন, মেৰাপানীত ৬জন, মৰিগাঁৱত ৯ জনক আটক কৰা হৈছে। শিৱসাগৰ জিলাত যোৱা ২৪ ঘণ্টাত আটক হোৱা সন্দেহজনক বাংলাদেশীসকল হৈছে আল্লাউদ্দিন হক, ৰমজান আলি, হাছান আলি, মুছাত জামিলা, ফুলচান আলি, প্ৰভাত হ'লদাৰ, আলেপ আলি, বাহাৰুল ইছলাম, ৰেহানা খাটুন, ফাটেমা খাটুন, ৰেজিনা বেগম, আৱাল হুছেইনক আটক কৰা হৈছে। গৃহ মন্ত্ৰালয়ৰ কঠোৰ নিৰ্দেশনাৰ পাছতেই অবৈধ বাংলাদেশী নাগৰিকক বিচাৰি জিলাই জিলাই চলিছে আৰক্ষীৰ অভিযান। প্ৰথমে মৰিগাঁও আৰক্ষীয়ে কালি জিলাখনত বাংলাদেশী নাগৰিকৰ বিৰুদ্ধে চলোৱা এক তীব্ৰ অভিযানত জিলাখনৰ বিভিন্ন স্থানৰ পৰা নজনাকৈ বাংলাদেশী নাগৰিকক আটক কৰিছিল। মৰিগাঁৱৰ বিদেশী ন্যায়াধিকৰণে ইতিমধ্যে বাংলাদেশী নাগৰিক ঘোষণা কৰা এই লোককেইজন দীৰ্ঘদিন ধৰি পলাতক হৈ আছিল। মৰিগাঁৱৰ সীমান্ত শাখাৰ আৰক্ষীয়ে এক গোপন অভিযান চলাই মৰিগাঁও আৰক্ষী থানাৰ অন্তৰ্গত উচমান আলী, জয়নাল আবেদিন, মিকিৰভেটা আৰক্ষী থানাৰ অন্তৰ্গত আব্দুল খাই, খাইৰুল ইছলাম, জাগীৰোড আৰক্ষী থানাৰ অন্তৰ্গত উফা আলী, ধৰমতুল আৰক্ষী থানাৰ অন্তৰ্গত হাফিজুদ্দিন, আব্দুল লতিফ, মায়ং আৰক্ষী থানাৰ অন্তৰ্গত নুৰ ইছলাম, লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত গুলজাৰ হুছেইনক গ্ৰেপ্তাৰ কৰে। মৰিগাঁৱৰ বিদেশী ন্যায়াধিকৰণত বাংলাদেশী নাগৰিক সাব্যস্ত হোৱা এই লোককেইজনৰ ভিতৰৰে দুজনমানে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল যদিও উচ্চ ন্যায়ালয়ে বিদেশী ন্যায়াধিকৰণৰ ৰায়টোকে বাহাল ৰাখিছিল। সীমান্ত আৰক্ষী আৰু মেৰাপানী আৰক্ষীৰ যুটীয়া অভিযানত আটক কৰা হৈছে ছজনকৈ বিদেশী ঘোষিত হোৱা নাগৰিকক। যোৰহাটস্থিত বিদেশী ন্যায়াধীকৰণে বিদেশী বুলি ঘোষণা কৰা ছজন লোকক মেৰাপানীৰ বিভিন্ন গাঁৱৰ পৰা আটক কৰে আৰক্ষীৰ দলে। আটক কৰা লোকসকলৰ ভিতৰত তিনিগৰাকী মহিলা আৰু তিনিজন পুৰুষ। আটকাধীন সকল ক্ৰমে- নেঘেৰিবিল মুছলিম গাঁৱৰ আয়ুব আলি আৰু খুটেজা বেগম, মেৰাপানী ফৰেষ্ট ব্লকৰ জীৱন আলি আৰু হাফিজা বেগ, গমাৰিগুৰিৰ নুৰেজা বেগম আৰু ইছলামপুৰ গাঁৱৰ আব্দুল গফুৰ। আটক আটাইকেইগৰাকী লোককে চাৰিবছৰৰ পূৰ্বেই বিদেশী ন্যায়াধীকৰণে বিদেশী বুলি ঘোষণা কৰিছিল যদিও লোককেইজনে এইবিষয়ে অৱগত নহয় বুলি জানিবলৈ দিয়ে। মেৰাপানী আৰক্ষীয়ে ইতিমধ্যে আটাইকেইগৰাকীকে যোৰহাটস্থিত সীমান্ত কোষলৈ প্ৰেৰণ কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশনাৰ পাছতে তৎপৰ ৰাজ্য চৰকাৰ। নুমলীগড়ত ২২জনকৈ সন্দেহজনক বাংলাদেশীক আটক। বিভিন্ন স্থানৰ পৰা আৰক্ষীয়ে আটক কৰে লোককেইজনক। মেৰাপানীতো ৬জনকৈ সন্দেহজনক নাগৰিকক আটক কৰাৰ খবৰ পোৱা গৈছে। মেৰাপানী আৰক্ষীয়ে আটক কৰে লোককেইজনক। ইফালে, আটক কৰা বহু লোকক নথি-পত্ৰ পৰীক্ষাৰ অন্তত মুকলি কৰি দিয়া বুলিও জানিব পৰা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰিপুণ বৰা, খালেকক দিলে নতুন দায়িত্ব

দেওবাৰে নিশা অসমৰ দুই জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা প্ৰাক্তন সাংসদে লাভ কৰে বিশেষ দায়িত্ব। নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে বিশেষ দায়িত্ব অৰ্পণ কৰা এই দুই জ্যেষ্ঠ কংগ্ৰেছ নেতা হৈছে ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ ৰিপুণ বৰা আৰু লোকসভাৰ প্ৰাক্তন সাংসদ আব্দুল খালেক। কংগ্ৰেছ ত্যাগ কৰি তৃণমূল কংগ্ৰেছলৈ গৈ পুনৰ দললৈ উভতি অহা প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰিপুণ বৰাক হাইকমাণ্ডে কোনো বিশেষ দায়িত্ব ইমান দিনে দিয়া নাছিল যদিও অৱশেষত আজি সেই অপেক্ষাৰ অন্ত পৰে। এআইচিচিয়ে আজি নিশাৰ ভাগত প্ৰকাশ কৰা এক বিবৃতিযোগে মধ্যপ্ৰদেশ আৰু হাৰিয়ানাত কেবাগৰাকী পৰ্যবেক্ষক নিযুক্তি দিয়ে। সংগঠন সৃজন অভিযানৰ অংশ হিচাপে মধ্যপ্ৰদেশত ৫০ গৰাকী আৰু হাৰিয়ানাত ২১ গৰাকীকৈ পৰ্যবেক্ষকক নিযুক্তি দিয়ে এআইচিচিয়ে। এই অনুযায়ী মধ্যপ্ৰদেশৰ ৫০ জনীয়া পৰ্যবেক্ষকৰ তালিকাত অসম কংগ্ৰেছৰ দুই নেতা ৰিপুণ বৰা আৰু আব্দুল খালেকে স্থান লাভ কৰে। তাৎক্ষণিকভাৱে বলবৎ হোৱাকৈ তেওঁলোকক দায়িত্ব অৰ্পন কৰিছে কংগ্ৰেছ হাইকমাণ্ডে। উক্ত দায়িত্ব লাভৰ পিছতে এতিয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ লগতে প্ৰদেশ কংগ্ৰেছতো নেতা দুগৰাকীয়ে বিশেষ গুৰুত্ব লাভ কৰিব বুলি চৰ্চা চলা দেখা গৈছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## চৰকাৰী বৰমূৰীয়াৰ বিৰুদ্ধে লুণ্ঠনৰ অভিযোগ

# ঢেকীয়াজুলিত বিজেপি নেতাৰ সম্পত্তিৰ পাহাৰ

**ই-সংবাদ, ঢেকীয়াজুলি, ২৫ মে':** ঢেকীয়াজুলিৰ ভঙ্গামন্দিৰ পঞ্চায়তৰ অন্তৰ্গত গুপ্তেশ্বৰ মণ্ডলৰ ভাৰতীয় জনতা পাৰ্টিৰ (বিজেপি) ১৬৪ নং বুথ কমিটিৰ প্ৰাক্তন সভাপতি চত্ৰ চেত্ৰীৰ বিৰুদ্ধে সাধাৰণ জনতাৰ পৰা অবৈধভাৱে টকা সংগ্ৰহ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। চৰকাৰী ঘৰ আৰু লেট্ৰিন নিৰ্মাণৰ নামত এই নেতাজনে স্থানীয় ৰাইজৰ পৰা টকা আদায় কৰাৰ অভিযোগ বাৰে বাৰে সন্মুখলৈ আহিছে। কিন্তু আচৰিত কথা যে এই অভিযোগসমূহৰ তদন্ত বা শাস্তিমূলক ব্যৱস্থা শেষাংশ ৯ পৃষ্ঠাত

> 'বিজেপি নেতা চত্ৰ চেত্ৰীৰ বিৰুদ্ধে সাধাৰণ জনতাৰ পৰা অবৈধভাৱে টকা সংগ্ৰহ কৰাৰ অভিযোগ'

### কোকৰাঝাৰত অজাপৰ কুচকাৱাজ আৰম্ভ

# বিটিচি নিৰ্বাচনত বিজেপিক প্ৰতিহত কৰাৰ লক্ষ্য অজাপৰ



**ই-সংবাদ, কোকৰাঝাৰ, ২৫ মে':** আগন্তুক বিটিচি নিৰ্বাচনত অজাপ দলে বিজেপি দলক প্ৰতিহত কৰিবলৈ বিজেপিৰে য'তে-ত'তে আসনত খেলিব তাতেই অজাপই নিজাববীয়া প্ৰাৰ্থিত্ব প্ৰক্ষেপ কৰিব। আজি সন্ধিয়া কোকৰাঝাৰত এক সংবাদমেলত শেষাংশ ৮ পৃষ্ঠাত

# কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বাঘৰ পোৱালিৰ মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, ২৫ মে':** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত সন্দেহজনক অৱস্থাত বাঘৰ পোৱালিৰ মৃতদেহ উদ্ধাৰৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আনুমানিক এবছৰীয়া বাঘৰ পোৱালিটোৰ মৃতদেহ ৰাষ্ট্ৰীয় উদ্যানৰ বুঢ়াপাহাৰ ৰেঞ্জৰ বহুবিল বন শিবিৰত উদ্ধাৰ হৈছে। ইতিমধ্যে বন বিভাগে পোৱালিটোৰ মৃতদেহ উদ্ধাৰ কৰি তদন্ত আৰম্ভ কৰিছে। নিয়মীয়া টহলদাৰীৰ সময়ত বন কৰ্মচাৰীয়ে মৃতদেহটো পোৱা বুলি জানিবলৈ দিয়ে। আজিৰ পুৱা কাজিৰঙাৰ শেষাংশ ৮ পৃষ্ঠাত

# গো চৰণীয়া পথাৰ সংৰক্ষণৰ দাবীত দল-সংগঠনৰ স্মাৰকপত্ৰ প্ৰদান

**ই-সংবাদ, শুৱালকুছি, ২৫ মে' :** কামৰূপৰ পূব বংশৰ মৌজাৰ নিজ গন্ধমৌত থকা চৰকাৰী ২৫৪ নং দাগৰ ৫০৪ বিঘা ২ কঠা ৭ লেচা ভূমিত অসম চৰকাৰে ঔদ্যোগিক ক্ষেত্ৰ নিৰ্মাণৰ বাবে প্ৰস্তুতি চলাইছে। ইয়াৰ বাবে মাটি অধিগ্ৰহণ কৰিবলৈ শেষাংশ ১১ পৃষ্ঠাত

# মুখ্যমন্ত্ৰীৰ প্ৰতিচ্ছবিৰ সন্মুখত অস্থায়ী স্বাস্থ্যকৰ্মীৰ ক্ষোভ প্ৰকাশ

**ই-সংবাদ, শিৱসাগৰ, ২৫ মে':** ভুৱা তথা অবৈধভাৱে নিযুক্তি লাভ কৰা শ শ কৰ্মচাৰী নামত বছৰি কোটি কোটি টকা ৰাজকোষৰ ধন শৰাধ কৰি অহা অসম চৰকাৰে চূড়ান্তভাৱে অন্যায় কৰিছে বৰ্তমানেও নিষ্ঠাৰে কৰ্তব্য সম্পাদন কৰি থকা অস্থায়ী স্বাস্থ্য কৰ্মী সকলৰ ক্ষেত্ৰত। গত ১৫-২০ বছৰে ৰাজ্যৰ ভিন্ন প্ৰান্তত থকা অসামৰিক চিকিৎসালয়, ৰাজ্যিক শেষাংশ ১১ পৃষ্ঠাত

# লাহৰীঘাটত আৰক্ষীৰ জালত কুখ্যাত চাইবাৰ অপৰাধী গ্ৰেপ্তাৰ

**ই-সংবাদ, লাহৰীঘাট, ২৫ মে':** দ্বিতীয় জামাতাৰাত পৰিণত মৰিগাঁও জিলাৰ লাহৰীঘাটৰ বিভিন্ন অঞ্চল। লাহৰীঘাটৰ বিভিন্ন অঞ্চলত গঢ়ি উঠিছে চাইবাৰ চক্ৰৰ বিশাল নেটৱৰ্ক। এই অঞ্চলৰ একাংশ যুৱকে লোকৰ পান কাৰ্ড আৰু আধাৰ কাৰ্ড ব্যৱহাৰ কৰি বিভিন্ন অনলাইন এপৰ পৰা লোণ লৈ নিশাৰ ভিতৰতে লাখপতি হোৱাৰ বহু উদাহৰণ আছে।পুনৰ আজি দুপৰীয়া মৰিগাঁও আৰু লাহৰীঘাট আৰক্ষীৰ যৌথ অভিযানত এজন দুৰ্ধৰ্ষ চাইবাৰ শেষাংশ ৮ পৃষ্ঠাত

# তনু শ্বাহী মুক্ত শংকৰজ্যোতি জে'লত

# খোল খালে বি এন সিং তেল ডিপো, উঠিল প্ৰশ্ন

**ই-সংবাদ, দুলীয়াজান, ২৫ মে':** সমগ্ৰ ৰাজ্য কঁপাই যোৱা বি এন সিং তেল ডিপো-কাণ্ডৰ বিৰুদ্ধে দুলীয়াজানবাসীৰ একত্ৰিত প্ৰতিবাদক ভেঙুচালি কৰি আজিৰে পৰা ডিপোটো পুনৰ খোলাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে তৈল নগৰীখনত। দল-সংগঠনৰ প্ৰবল প্ৰতিবাদৰ পিছতো কাৰ শক্তিত বলীয়ান হৈ তেল ডিপোটো খুলি দিয়া হ'ল সেই প্ৰশ্নই এতিয়া খুন্দিয়াই গৈছে শেষাংশ ৮ পৃষ্ঠাত

# বেতবাৰীৰ মেধাৱী ছাত্ৰীৰ তামিলনাড়ুত ৰহস্যজনক মৃত্যু

**ই-সংবাদ, শিৱসাগৰ, ২৫ মে' :** শিৱসাগৰ বেতবাৰীৰ নিবাসী এগৰাকী অত্যন্ত মেধাৱী ছাত্ৰীৰ তামিলনাড়ুত ৰহস্যজনক মৃত্যুৱে হতচকিত কৰি তুলিছে সকলোকে। বেতবাৰীৰ অজিত গগৈ, কবিতা গগৈৰ কনিষ্ঠ কন্যা শিৱানী গগৈ (২৭)ক ২৩ মে'ৰ শেষাংশ ৯ পৃষ্ঠাত

### কোকৰাঝাৰত সংবাদমেল দি নব কুমাৰ শৰণীয়াৰ মন্তব্য



# 'বিপিএফে অকলেই ২০-২২ খন আসন পাব'

**গণ সংবাদ, কোকৰাঝাৰ, ২৫ মে' :** সমাগত বিটিচি নিৰ্বাচনক লৈ ৰাজনৈতিক দল সমূহৰ মাজত আৰম্ভ হৈছে ক্ষমতা দখলৰ ৰাজনীতি। বিজেপি, ইউপিপিএল , কংগ্ৰেছ দলে বিটিচিৰ নিৰ্বাচনত সফলতা লাভৰ বাবে ইতিমধ্যে কুচকাৱাজ আৰম্ভ কৰাৰ সময়তে কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ নব কুমাৰ শৰণীয়াই শেষাংশ ৯ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২৬লৈ সাজু গৌৰৱ! চেলেঞ্জ মুখ্যমন্ত্ৰীকো

বিধানসভা সমষ্টিত নিৰ্বাচন খেলিবলৈ সাজু। আজি সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰ দি গৌৰৱ গগৈয়ে কয় যে মই ৰেডী। লগতে যোৰহাটত নিৰ্বাচন খেলিবলৈ মুখ্যমন্ত্ৰীকো আমন্ত্ৰণ জনাই গৌৰৱ গগৈয়ে। দলে যিধৰণে নিৰ্দেশ দিয়ে তেনেদৰে কৰিবলৈ মই সাজু আছো। মুখ্যমন্ত্ৰীয়েও নিৰ্বাচন খেলিবলৈ আহে তেন্তে মই তাৰ বাবেও ৰেডী। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যোৰহাটত দলে টিকট দিলে নিৰ্বাচন খেলাৰ ইংগিত দিছিল। তাৰ পিছতে গৌৰৱ গগৈয়ে যোৰহাট সমষ্টিত নিৰ্বাচন খেলিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। ইপিনে পাক সংযোগক লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বাৰে বাৰে আক্ৰমণ কৰি থকাৰ সময়তে গৌৰৱ গগৈয়ে এইবাৰ অবৈধ কয়লা খনন আৰু চিণ্ডিকেটক লৈ সৰৱ হৈছে। সাংসদ গৌৰৱ গগৈৰ ৰাজ্যত অবৈধ কয়লাৰ চিণ্ডিকেট চলি আছে দাবী কৰিছে। যোৰহাট জিলা কংগ্ৰেছ ভৱনত অনুষ্ঠিত এক সংবাদমেলত গৌৰৱ গগৈয়ে ৬ জানুৱাৰীত উমৰাংছুৰ অবৈধ কয়লাখনিত ৯ শ্ৰমিক নিহত হোৱা কাণ্ডৰ পিছত অসম চৰকাৰে গঠন কৰা এছআইটিক লৈ প্ৰশ্ন কৰে। গৌৰৱ গগৈয়ে কয় যে ৯ শ্ৰমিক নিহত হোৱাৰ পিছতহে এছআইটি গঠন কৰিছিল আৰু ২৪৫ অবৈধ ৰেট হ'ল মাইনিং বন্ধ হৈছিল। গৌৰৱ গগৈয়ে চৰকাৰক প্ৰশ্ন কৰি কয় যে আগতে চৰকাৰে অবৈধ কয়লাৰ চিণ্ডিকেট নাছিল বুলি কৈ আহিছিল। যেতিয়া উমৰাংছুত ৯ শ্ৰমিক নহত হ'ল তেতিয়া এছআইটিৰ তদন্ত হ'ল। আৰু বৃহৎ সংখ্যক অবৈধ কয়লা খনি বন্ধ কৰিবলৈ বাধ্য হয়। ৰাজ্যবাসীয়ে আগৰে পৰা জানিছিল যে কিন্তু চৰকাৰে কিয় জনা নাছিল বুলি প্ৰশ্ন কৰে গগৈয়ে। গৌৰৱ গগৈয়ে অবৈধ কয়লাৰ খননক লৈ ইডিয়ে চলোৱা তদন্তৰ কথা উল্লেখ কৰি কয় যে ইডিয়ে ৰাজ্য চৰকাৰৰৰ ভয়ংকৰ তথ্য আৰু মিথ্যাচাৰিতা উদঙাইছে। অবৈধ কয়লাখনন নহয় বুলি দাবী কৰাৰ পিছতে দুই শতাধিক অবৈধখন কেনেকৈ পোহৰলৈ আহিল। খনি চলি থকা অঞ্চলৰ বিধায়ক, আৰক্ষী, মন্ত্ৰীসকল ক'ত আছিল বুলি প্ৰশ্ন কৰে গৌৰৱ গগৈয়ে। গৌৰৱ গগৈয়ে ইডিৰ তদন্তৰ তথ্য দাঙি ধৰি কয় যে উমৰাংছু কাণ্ডক লৈ সংসদত উত্থাপন কৰা প্ৰশ্নৰ উত্তৰত তদন্ত প্ৰক্ৰিয়া চলি থকা বুলি উত্তৰ দিছিল কেন্দ্ৰীয় চৰকাৰে। ২৫ এপ্ৰিলত ইডিৰ তদন্তৰ তথ্য পোৱাৰ পিছত পোহৰলৈ আহিল ৰাজ্যৰ ১৫ স্থানত অবৈধ ৰেট হ'ল মাইনিং চলি থকাৰ তথ্য। ইডিৰ প্ৰতিবেদনত চিণ্ডিকেট শব্দ উল্লেখ থকা বুলি দাবী কৰি গৌৰৱ গগৈয়ে কয় যে প্ৰতিবেদনত স্পষ্টকৈ চিণ্ডিকেট শব্দ উল্লেখ আছে। তাৰ দ্বাৰা ৰাজ্যত এতিয়াও কয়লাৰ চিণ্ডিকেট চলি থকা বুলি প্ৰমাণ হয়। মেঘালয়ৰ পৰা অবৈধ কয়লাৰ ট্ৰাক অসমলৈ আহে। আৰক্ষীয়ে তালাচী নচলায়। গৃহ বিভাগৰ দায়িত্বত বৰ্তমান মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক প্ৰশ্ন কৰি গৌৰৱ গগৈয়ে কয় যে আৰক্ষীয়ে এই গাড়ীসমূহ তালাচী নকৰে কিয় গৃহমন্ত্ৰীয়ে উত্তৰ দিব লাগে। চিণ্ডিকেটে প্ৰতিখন গাড়ীৰ পৰা ডেৰ লাখ টকা সংগ্ৰহ কৰে। এই টকা ৰাজ্যৰ ভিতৰত বিভিন্ন ব্যৱসায়ীৰ হাতত। ইডিয়ে লেপটপ, মোবাইল পাইছে। ইডিয়ে তদন্তৰ সময়ত এখন ডায়েৰী জব্দ কৰিছিল। য'ত ধনৰ লেন-দেন তথ্য আছে। তথাপিও মুখ্যমন্ত্ৰী মনে মনে আছে। গৌৰৱ গগৈয়ে চিণ্ডিকেটত প্ৰভাৱশালী মন্ত্ৰী-বিজেপিৰ নেতা জড়িত বুলি দাবী কৰি কয় যে মুখ্যমন্ত্ৰীয়ে সকলো লুকুৱাব বিচাৰিছে। নৰেন্দ্ৰ মোদীৰ ভূমিকা কি ইয়াৰ উত্তৰ বিচাৰি প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়লৈ পত্ৰ প্ৰেৰণ কৰা বিষয়েও উল্লেখ কৰে গগৈয়ে। মুখ্যমন্ত্ৰীয়ে দাবী কৰি কয় তেওঁৰ বিৰুদ্ধে এছআইটিৰ ডেডলাইন দিব পাৰিলে চিণ্ডিকেটৰ এছআইটিৰ ডেডলাইন কিয় দিব নোৱাৰে বুলি সমালোচনা কৰে গৌৰৱ গগৈয়ে। আনহাতে, সৰ্বানন্দ সোণোৱালৰ নাম লৈ কি অপৰাধৰ বাবে সোণোৱালক মুখ্যমন্ত্ৰী পদবীৰ পৰা আঁতৰোৱা হৈছিল তাৰ উত্তৰ দাবী কৰে গগৈয়ে। ২০১৬ চনত বিজেপিৰ প্ৰচাৰৰ কথা মনত পেলাই গগৈয়ে কয় যে ২০১৬ চনত সোণোৱালে নিৰ্বাচনী প্ৰচাৰৰ সময়ত চিণ্ডিকেট নাইকীয়া কৰিব বুলি কৈছিল। চৰকাৰ গঠন হোৱাত সৰ্বানন্দ সোণোৱাল চিণ্ডিকেট নিয়ন্ত্ৰণলৈ আনিছিল। যাৰ বাবে বিজেপিত আহিছিল। যাৰ বাবে সৰ্বানন্দ সোণোৱালক মুখ্যমন্ত্ৰী পদৰ পৰা আতৰ কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইতিহাস! ডিফেন্স একাডেমীত মহিলাৰ

গঢ়িবলৈ আগবাঢ়িছে। নেচনেল ডিফেন্স একাডেমীৰ পৰা উত্তীৰ্ণ হ'ব প্ৰথম মহিলা কেডেটৰ দল। নেচনেল ডিফেন্স একাডেমী লিংগ-সমতাৰ নতুন ইতিহাস লিখিবলৈ আগবাঢ়িছে। ২০২২ চনত মহিলাৰ বাবে দুৱাৰ খোল খোৱাৰ পিছতে এইটো প্ৰথম উত্তীৰ্ণ বেটচ। য'ত প্ৰায় ৩০০ গৰাকী পুৰুষ কেডেটৰ সৈতে ১৭ গৰাকী মহিলা কেডেটে একেলগে সামৰিক সেৱাৰ দিশে আগবাঢ়িব।উল্লেখ্যৰ দৰকাৰ যে পূৰ্বে নেচনেল ডিফেন্স একাডেমীত কেৱল পুৰুষৰ বাবে সীমাবদ্ধ আছিল। ২০২১ চনত উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পিছত একাডেমীত মহিলাকো প্ৰৱেশাধিকাৰ দিয়ে। ইয়াৰ ফলস্বৰূপে ২০২২ চনত প্ৰথমবাৰৰ বাবে মহিলা কেডেটে প্ৰশিক্ষণ আৰম্ভ হয়। তিনি বছৰ প্ৰশিক্ষণৰ অন্তত ৩০০ পুৰুষৰ লগতে ১৭ গৰাকী মহিলা কেডেটে প্ৰথমবাৰৰ উত্তীৰ্ণ হৈ দেশ সেৱা কৰিবলৈ সাজু হৈছে। উত্তীৰ্ণ প্ৰথম মহিলা কেডেটৰ দলটোৱে ৩০ মে'ত পুনেৰ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমী চমুকৈ এনডিএৰ-ৰ ঐতিহাসিক পেৰেডত অংশ ল'ব। উত্তীৰ্ণ দলটোৱে কেৱল এনডিএৰৰ ইতিহাসতেই নহয়, ভাৰতীয় সেনাৰ ইতিহাসতো এটা নতুন অধ্যায় আৰম্ভ কৰিছে। এইসকলে মহিলা কেডেটে দেশ সেৱাৰ ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিব। ১৭গৰাকী মহিলাৰ ভিতৰত এগৰাকী ইছিতা শৰ্মাই টাইমছ ইৰ ইণ্ডিয়াক সাক্ষাতকাৰ দি কয় যে এয়া এক সম্পূৰ্ণ ৰূপান্তৰ। মই এটা সামৰিক পটভূমি নথকা পৰিয়ালৰ পৰা আহিছো। মোৰ মাতৃ-পিতৃ কৰ্পৰেট খণ্ডত কাম কৰে। মোৰ ভাই আইটি খণ্ডত কাম কৰে। মই অৰ্থনীতিত স্নাতক অধ্যয়ন চলাই আছিলো। ঠিক তেতিয়াই নেচনেল ডিফেন্স একাডেমীত মহিলাৰ বাবে প্ৰৱেশ ঘোষণা কৰিলে। মই খবৰ পোৱা মুহূৰ্ততে আবেদন কৰিছিলো। একাডেমীত অতিবাহিত তিনিবছৰ সময়ৰ বিষয়ে ইছিতাই কৈছিল যে এই তিনিবছৰত মোৰ ব্যক্তিত্ব সম্পূৰ্ণ ৰূপে সলনি হৈ পৰিছে। নেতৃত্ব লোৱাৰ কথা শিকাই নহয়, ই জীৱনৰ অংশ হৈ পৰিল। ডিভিচনেল কেপ্টেইন হিচাপে দায়িত্ব লোৱাৰ সুযোগে নেতৃত্ব আৰু আত্মবিশ্বাস গঢ়ি তুলিব। ইছিতা শৰ্মা আৰু তেওঁৰ মহিলা সহকৰ্মী কেডেটসকলৰ সফলতা নতুন প্ৰজন্মৰ মহিলাৰ বাবে অনুপ্ৰেৰণা হ'ব বুলি আশা কৰা হৈছে। সাহস, দৃঢ়তাৰে ভাৰতৰ সামৰিক শক্তিক নেতৃত্ব দিব।

# ভৱানীপুৰত দুই তীৰ ব্যৱসায়ী গ্ৰেপ্তাৰ, নথি-পত্ৰ জব্দ

**ই-সংবাদ, ভৱানীপুৰ, ২৫ মে' :** ভৱানীপুৰ অঞ্চলত তীৰৰ ৰমৰমীয়া ব্যৱসায় চলি থকাৰ বিষয়ে স্থানীয় ৰাইজৰ লগতে বিভিন্ন দল-সংগঠনে অভিযোগ উত্থাপন কৰি অহাৰ মাজতে কালি নিশা ভৱানীপুৰ আৰক্ষীয়ে গোপনে অনুসন্ধান চলাই অঞ্চলটোৰ মাজগাঁৱত দুগৰাকী তীৰ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। গ্ৰেপ্তাৰ হোৱা তীৰ ব্যৱসায়ী দুগৰাকীৰ নাম হ'ল আফজালুৰ ৰহমান আৰু স্বাহজামুল আলী। জানিব পৰা মতে, ধৃত দুয়োজন ব্যক্তিয়ে নিজৰ দোকানতে মুকলিকৈ তীৰ খেলৰ টিকট বিক্ৰী কৰি আহিছিল। ধৃত ব্যক্তি দুজনৰ পৰা আৰক্ষীয়ে তীৰ খেলৰ টিকটৰ লগতে খেলৰ তথ্যসম্বলিত নথি আৰু দুটাকৈ মোবাইল ফোনো জব্দ কৰা বুলি জানিব পৰা গৈছে। ইতিমধ্যে দুয়োজন তীৰ ব্যৱসায়ীকে দিনটো লকআপত ৰাখি বিয়লিলৈ জে'ললৈ প্ৰেৰণ কৰাৰ কথা জানিব পৰা গৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# তনু শ্বাহী মুক্ত, শংকৰজ্যোতি জে'লত

সকলোকে। প্ৰশাসনৰ এই অবিবেচক সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰিছে বীৰ লাচিত সেনাই। আজি দুলীয়াজান মিডিয়া চেন্টাৰত সন্ধিয়া আয়োজিত এখন সংবাদমেলত বিতৰ্কিত ডিপোটো পুনৰ খোলাক লৈ সৰৱ হৈ পৰে লাচিত সেনা। সংগঠনটোৰ প্ৰচাৰ সচিব উৎপল দত্তই সংবাদমেলত উষ্মা প্ৰকাশ কৰি কয়, বি এন সিং তেল ডিপো-কাণ্ডৰ তদন্ত শেষ নোহোৱালৈকে ডিপোটো বন্ধ ৰখা হ'ব বুলি প্ৰশাসনৰ তৰফৰ পৰা আমাক কথা দিছিল। কিন্তু প্ৰশাসনে চূড়ান্ত অবিবেচক স্থিতি গ্ৰহণ কৰি ৫ দিনতে খুলি দিলে ডিপোটো। এয়া অসমীয়াৰ স্বাভিমানত আঘাত কৰা হৈছে। এই সদৰ্ভত উত্তৰ বিচাৰি কাইলৈ অৰ্থাৎ সোমবাৰে আমি দুলীয়াজান সম-জিলা আয়ুক্তৰ কাৰ্যালয়লৈ যাম আৰু আয়ুক্তগৰাকীক জবাবদিহি কৰিম। তদন্ত নোহোৱালৈকে ডিপোটো বন্ধ থাকিব বুলি কৈছিল সম-জিলা আয়ুক্তই। সংবাদমেলত প্ৰচাৰ সচিবজনে কয় যে সম-জিলা আয়ুক্তজন তথা ভাৰতীয় সংবিধানক সন্মান জনাই আৰু আজি দেওবাৰ হোৱাৰ বাবে আমি তাৎক্ষণিকভাৱে কাৰ্যসূচী গ্ৰহণৰ পৰা বিৰত থাকিলো। ইয়াৰ অৰ্থ এইটো নহয় যে আমাৰ সংগ্ৰাম থমকি ৰ'ল। আমি কাইলৈ আয়ুক্তজনক জবাবদিহি কৰাৰ সমান্তৰালকৈ আই অ' চি এল আৰু অইল ইণ্ডিয়া কৰ্তৃপক্ষৰ লগতো আলোচনা কৰিম। কিয় ডিপোটোৰ স্বত্বাধিকাৰী ৰাজ সিঙক এতিয়ালৈ মাতিব পৰা নাই আই অ' চি এল কৰ্তৃপক্ষ বা অসম আৰক্ষীয়ে? কাইলৈ আমি আই অ' চি এলৰ লগত কথা পাতিম, তাৰ্লৈ ৰাজ সিঙো আহক, আমাৰ সৈতে আলোচনা কৰক আৰু যদি ডিপোটো লীজত দিবই লাগে, তেনেহ'লে খিলঞ্জীয়া অসমীয়াক দিয়ক, সেই দাবী আমি উত্থাপন কৰিম। তদুপৰি অসমীয়া জাতিক অপমান কৰা তনু শ্বাহীক গ্ৰেপ্তাৰ কৰাৰ পৰিৱৰ্তে অনা-অসমীয়া যুৱতীগৰাকী আজিও মুকলি আকাশৰ তলত থকাৰ বিপৰীতে কাজিয়া ভাঙিবলৈ যোৱা থলুৱা খিলঞ্জীয়া যুৱক শংকৰজ্যোতি বৰুৱা আজি জে'লত থাকিব লগা হোৱা বিষয়ত গভীৰ আক্ষেপ প্ৰকাশ কৰি সংগঠনটোৱে খিলঞ্জীয়াৰ ওপৰত চৰকাৰ-প্ৰশাসনৰ ইমান আক্ৰোশ কিয় বুলি প্ৰশ্ন কৰে। তদুপৰি বিষয়টো নিষ্পত্তি নোহোৱাপৰ্যন্ত বীৰ লাচিত সেনা কেতিয়াও ক্ষান্ত নহয় আৰু ৰাজপথৰ আন্দোলনেই হওক অথবা আইনী যুঁজেই হওক সমান্তৰালকৈ চলাই যাব বুলি সংবাদমেলত ঘোষণা কৰে। ইফালে, এই সমগ্ৰ বিষয় সন্দৰ্ভত জিলা প্ৰশাসনৰ ওপৰত আস্থা হেৰুৱাই ডিব্ৰুগড় জিলা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি জিতু শইকীয়াই মুখ্যমন্ত্ৰীলৈ হস্তক্ষেপ বিচাৰি পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰখনত উল্লেখ কৰা অনুসৰি ১১ টাকৈ দুলীয়াজানৰ স্থানীয় সংগঠনৰ সৈতে সম-জিলাৰ আয়ুক্ত, অতিৰিক্ত আৰক্ষী অধীক্ষক, ৰাজহ চক্ৰ বিষয়া, আৰক্ষী থানাৰ ভাঃ পৰিদৰ্শকৰ সৈতে হোৱা আলোচনাত ৪ টা মূল দাবীৰ উপৰি প্ৰশাসনে তদন্ত প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱালৈকে ডিপো বন্ধ ৰখাৰ আশ্বাস প্ৰদান কৰিছিল। কিন্তু আজি তাৎক্ষণিকভাৱে তেল ডিপোৰ কাম-কাজ আৰম্ভ কৰা আমাৰ দৃষ্টিগোচৰ হৈছে। আৰক্ষী-প্ৰশাসনে তদন্ত প্ৰক্ৰিয়াত কি কি পালে, কোন দোষী, কোন নিৰ্দোষী, অভিযুক্ত কোন কোন এই গোটেই প্ৰক্ৰিয়াটো ৰাজহুৱা কৰিব লাগিছিল। সমগ্ৰ ঘটনাটো অধিক জটিল আৰু ৰহস্য কৰি তোলাৰ কাৰণ কি? আমি জনোৱা দাবীবোৰ কেতিয়ালৈ সমাধান হ'ব? এই ঘটনাৰ মূল অভিযুক্তক কেতিয়া গ্ৰেপ্তাৰ কৰিব? দুটা অনা-অসমীয়া পৰিয়ালৰ ব্যৱসায়িক সংঘাতত কিয় অসমীয়া যুৱক এজনকহে কেৱল টাৰ্গেট কৰি হেণ্ডকাফ লগাই জে'ললৈ প্ৰেৰণ কৰা হ'ল? ভিডিঅ' ফুটেজত মাৰধৰ কৰি আইন হাতত তুলি লোৱাসকলক আৰু বিতৰ্কিত তনু শ্বাহীৰ ওপৰত কি আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব? নে সকলো গাপ দি এনেকৈয়ে চৰকাৰৰ আশীৰ্বাদত সকলো কাৰ্য চলি থাকিব। সেয়েহে সমগ্ৰ বিষয়টো মুখ্যমন্ত্ৰী মহোদয়ৰ হস্তক্ষেপ বিচাৰিলো। জিলা প্ৰশাসনৰ ওপৰত আমাৰ আস্থা হেৰাল। এতিয়া মুখ্যমন্ত্ৰীয়ে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বাঘৰ

বিভাগীয় বন বিষয়া অৰুণ উইগ্নেশৰ নেতৃত্বত পশু চিকিৎসকৰ দল ঘটনাস্থলীত উপস্থিত হৈ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা হয়। মৃত পোৱালিটোৰ দেহটো বনৰক্ষী বিষয়াসকলৰ উপস্থিতিত বহুবিল বন শিবিৰত দাহ কৰা হয়। দেহত আঘাতৰ গুৰুতৰ চিন স্পষ্ট হৈ আছে। সম্ভৱতঃ আন বাঘৰ আক্ৰমণৰ ফলত নিহত হ'ব পাৰে বুলি সন্দেহ কৰা হৈছে। কিন্তু অন্য কোনো কাৰণ থাকিব পাৰে বুলিও সন্দেহ কৰা হৈছে। ঘটনাই স্থানীয় ৰাইজৰ মাজত গভীৰ চিন্তা আৰু উদ্বেগৰ সৃষ্টি কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# লাহৰীঘাটত আৰক্ষীৰ জালত কুখ্যাত

অপৰাধীক আটক কৰিবলৈ সক্ষম হয় আৰক্ষীয়ে। মৰিগাঁও জিলাৰ অপৰাধ শাখা অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ তৎপৰতাত আজি লাহৰীঘাট আৰক্ষীৰ সহযোগত লাহৰীঘাট বজাৰৰ মাজমজিয়াৰ নিজ বাসগৃহৰ পৰা কুখ্যাত চাইবাৰ অপৰাকী হাৰুল অল ৰশিদক গ্ৰেপ্তাৰ কৰে। অভিযানকাৰী আৰক্ষী দল অহা উপান পাই ধৃত চাইবাৰ অপৰাধীটো ঘৰৰ বিছনাৰ তলত লুকাই থকা অৱস্থাত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি দুৰ্দ্ধৰ্ষ চাইবাৰ অপৰাধীজনে বিভিন্ন ঋণ প্ৰতিষ্ঠানৰ লগতে বিভিন্ন ব্যক্তিৰ নামত প্ৰৱঞ্চনাৰে কোটি কোটি টকা সৰকাই আহিছে বুলি জানিব পৰা গৈছে।ধৃত চাইবাৰ অপৰাধীটো পৰা আৰক্ষীয়ে চাইবাৰ ক্ৰাইমত ব্যৱহৃত বহিঃ ৰাজ্যৰ বিভিন্ন লোকৰ নামত বনোৱা পানকাড, লেপটপ, আধাৰকাড, জেৰক্স মেচিন, ফিংগাৰপিন্ট মেচিনৰ লগতে বিভিন্ন সা-সামগ্ৰী জব্দ কৰে। অধিক তথ্যৰ বাবে লাহৰীঘাট আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। ধৃত হাৰুল অল ৰশিদ ইয়াৰ পূৰ্বেও চাইবাৰ অপৰাধৰ গোচৰত জে'ল হাজোতলৈ গৈছিল। পুনৰ কাৰাগাৰৰ পৰা মুকলি হৈ সহজে ধন ঘটা মাধ্যম এই চাইবাৰ ক্ৰাইমত জড়িত হয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বিটিচি নিৰ্বাচনত বিজেপিক প্ৰতিহত

এই কথা সদৰী কৰিছে অজাপৰ সাংগঠনিক সম্পাদক তথা বিটিআৰ নিৰ্বাচনৰ কেন্দ্ৰীয় আহ্বায়ক চিত্ৰৰঞ্জন বসুমতাৰীয়ে। সংবাদমেলত অজাপ নেতা চিত্ৰৰঞ্জন বসুমতাৰীয়ে বিটিচি নিৰ্বাচনক লৈ কোকৰাঝাৰ জিলা দলৰ নেতা-কৰ্মীৰে আজি এখন পৰ্যবেক্ষণ বৈঠকত মিলিত হোৱা বুলি জনায়। তেওঁ বিটিচিৰ ৪০ টা সমষ্টিত অজাপই কেনেদৰে অংশ ল'ব তাকে লৈ ইতিমধ্যে কোকৰাঝাৰ, চিৰাং আৰু বাগসাত দলীয় আলোচনা ভাগে ভাগে অনুষ্ঠিত কৰা বুলি জনায়। এইক্ষেত্ৰত বিটিচি নিৰ্বাচনত অজাপৰ একমাত্ৰ লক্ষ্য বিজেপিক প্ৰতিহত কৰা আৰু এই লৈ বিৰোধী দলবোৰক একেখন মঞ্চত থিয় হোৱাৰ আহ্বান দিয়ে। বসুমতাৰীয়ে বিটিআৰক বিজেপি দলে খীৰতী গাইৰ দৰে ব্যৱহাৰ কৰি আহিছে আৰু বিটিআৰত থকা আঞ্চলিকতাবাদ দলক বিভাজনেৰে মষিমূৰ কৰাৰ অভিসন্ধি ৰচা বুলি অভিযোগ কৰে। সেয়ে বিজেপিক প্ৰতিহত কৰিবলৈ বিটিআৰত থকা বড়ো জাতীয়তাবাদ আৰু আন জাতি-জনগোষ্ঠীক একত্ৰিত হ'বলৈ আজি অজাপই আহ্বান জনায়। বিটিআৰত বড়ো জাতীয়তাবাদৰ লগতে আঞ্চলিকতাবাদী ৰাজনীতি অক্ষুন্ন থকাটো অজাপই কামনা কৰে বুলি কয় বসুমতাৰীয়ে। সংবাদমেলত বিজেপিৰে বড়ো জাতীয়তাবাদৰ মাজত বিভাজন সৃষ্টি আৰু ব্লেকমেইলিঙৰ জঘন্য ৰাজনীতি কৰাৰ গুৰুতৰ অভিযোগ অজাপৰ। বিজেপিৰ এনে ৰাজনীতিক ওফৰাই বিটিচি নিৰ্বাচনত যোগ্য প্ৰত্যুত্তৰ দিবলৈ সাজু বুলি কয় অজাপই। সংবাদমেলত বিটিচি নিৰ্বাচনত বিৰোধীক ঐক্যবদ্ধ হোৱাত অজাপৰ দুৱাৰ সদায় খোলা থাকিব আৰু বড়ো জাতীয়তাবাদৰ স্বাৰ্থত বিপিএফ আৰু ইউ পি পি এল একত্ৰিত হোৱাৰ মুকলি আহ্বান জনায়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বেতবাৰীৰ মেধাৱী ছাত্ৰীৰ তামিলনাডুত

বিয়লি তামিলনাডুৰ তিৰুচিস্থিত এটা বাসগৃহৰ কোঠাত অচেতন অৱস্থাত কেইগৰাকীমান সতীৰ্থই উদ্ধাৰ কৰি চিকিৎসালয়লৈ লৈ গৈছিল যদিও চিকিৎসা লাভৰ পূৰ্বে মৃত্যু হয়। সুখ্যাতিৰে এম.বি এ পাঠ্যক্ৰম সম্পন্ন কৰাৰ পিছত তামিলনাডুৰ তিৰুচিস্থিত ইণ্ডিয়ান ইনষ্টিটিউট মেনেজমেণ্টত ফাইনেন্সত পি এইচ ডি কৰি আছিল মেধাৱী ছাত্ৰীগৰাকীয়ে। শিৱানী গগৈয়ে বিহ পান কৰি আত্মহনন কৰা বুলি কেতবোৰ সূত্ৰই সদৰি কৰিছে যদিও নিশ্চিত কাৰণ জানিব পৰা হোৱা নাই। বিগত সময়ছোৱাত বিভিন্ন পাঠ্যক্ৰমত মেধাৰ পৰিচয় দিয়া তথা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিৱানী গগৈ ডিপ্ৰেচনত ভুগি নিজকে শেষ কৰা বুলি তামিলনাডুৰ সংবাদ পত্ৰত বাতৰি প্ৰকাশ হৈছে যদিও এয়া সহজভাৱে মানি ল'ব পৰা নাই অভিভাৱকে। শিৱানীৰ পিতৃ মাতৃয়ে সদৰি কৰা অনুসৰি সঞ্চৰে পৰা মেধাৰ পৰিচয় দিয়া শিৱানী গগৈ কিছুদিন ঘৰত আছিলহি। পঢ়াৰ সূত্ৰে যোৱা ১২ মে'ত পুনৰ তামিলনাডুলৈ বুলি গৈছিল শিৱানী। ২৩ মে'ৰ আগবেলা পিতৃ মাতৃৰ সৈতে কথাও পাতিছিল তেওঁ। কিন্তু বিয়লিলৈ হঠাৎ শিৱানীৰ মৃত্যুৰ খবৰ লাভ কৰাত হুৱাদুৱা লাগে। এই দুখজনক খবৰ লাভ কৰি শোকত ভাগি পৰিছে পৰিয়ালবৰ্গ। আনহাতে শিৱানী গগৈৰ বায়েক আজি তামিলনাডুত গৈ উপস্থিত হৈছে যদিও মৃত্যুৰ নিশ্চিত কাৰণ জানিব পৰা নাই। শিৱানীৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষাৰ পিছতহে মৃত্যুৰ কাৰণ জানিব পৰা হ'ব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ঢেকীয়াজুলিত বিজেপি নেতাৰ সম্পত্তিৰ

গ্ৰহণৰ ক্ষেত্ৰত কোনো উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। এই ঘটনাই প্ৰশ্ন উত্থাপন কৰিছে— চৰকাৰৰ বৰমূৰীয়াৰ হাতত জনতা যেতিয়া শোষণৰ স্বীকাৰ হয়, তেনে পৰিস্থিতিত চৰকাৰে কি ভূমিকা গ্ৰহণ কৰিব?চত্ৰ চেত্ৰীৰ বিৰুদ্ধে উত্থাপিত অভিযোগসমূহৰ মাজত উল্লেখযোগ্য হৈছে চৰকাৰী আঁচনিৰ নামত সাধাৰণ জনতাৰ পৰা টকা আদায় কৰা। স্থানীয় লোকৰ অভিযোগ অনুসৰি, তেওঁ চৰকাৰী ঘৰ আৰু লেট্ৰিন নিৰ্মাণৰ প্ৰতিশ্ৰুতি দি বিভিন্ন ব্যক্তিৰ পৰা হাজাৰ হাজাৰ টকা সংগ্ৰহ কৰিছে। কিন্তু এই আঁচনিসমূহৰ বাস্তৱায়নৰ কোনো প্ৰমাণ পোৱা নাই। বহু ক্ষেত্ৰত টকা দিয়াৰ পিছতো লাভাৰ্থীসকলে কোনো সুবিধা পোৱা নাই, যাৰ ফলত তেওঁলোকৰ মাজত হতাশা আৰু ক্ষোভৰ সৃষ্টি হৈছে। এই অভিযোগসমূহ বাৰে বাৰে উত্থাপিত হৈছে, কিন্তু কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ নকৰাটোৱে স্থানীয় জনতাৰ মাজত প্ৰশ্নৰ সৃষ্টি কৰিছে।এই ঘটনাই ৰাজনৈতিক দলৰ নেতাৰ দায়িত্ব আৰু স্বচ্ছতাৰ প্ৰশ্নকো সন্মুখলৈ আনিছে। চত্ৰ চেত্ৰীৰ বিৰুদ্ধে অভিযোগৰ পুনৰাবৃত্তি হোৱাৰ পিছতো তেওঁৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ নকৰাটোৱে এটা গুৰুত্বপূৰ্ণ প্ৰশ্নৰ জন্ম দিছে—তেওঁ কাৰ আশীৰ্বাদত এনে কাৰ্যকলাপ চলাই আছে? স্থানীয় লোকে অভিযোগ কৰিছে যে কিছুমান প্ৰভাৱশালী ব্যক্তিৰ সমৰ্থনৰ বাবেই তেওঁ বাৰে বাৰে এনে কামৰ পৰা ৰেহাই পাই আহিছে। এই পৰিস্থিতিয়ে স্থানীয় প্ৰশাসন আৰু চৰকাৰী কৰ্তৃপক্ষৰ দায়বদ্ধতাৰ ওপৰতো প্ৰশ্নৰ সৃষ্টি কৰিছে।চৰকাৰৰ বৰমূৰীয়াৰ দ্বাৰা জনতাৰ শোষণৰ অভিযোগৰ ক্ষেত্ৰত চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাটো অতি জৰুৰী। প্ৰথমতে, এনে অভিযোগৰ স্বচ্ছ তদন্তৰ ব্যৱস্থা কৰা উচিত। স্থানীয় প্ৰশাসনৰ তত্বাৱধানত এটা নিৰপেক্ষ তদন্ত কমিটি গঠন কৰি অভিযোগৰ সত্যতা যাচাই কৰিব পাৰি। তদন্তৰ ফলাফলৰ ভিত্তিত অভিযুক্তৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা উচিত। অসমৰ চৰকাৰী আঁচনিসমূহৰ স্বচ্ছতা আৰু জনসাধাৰণৰ প্ৰতি দায়বদ্ধতা নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহৰ ওপৰত নিয়মীয়া নিৰীক্ষণৰ ব্যৱস্থা কৰাটোও জৰুৰী। ইয়াৰ উপৰিও, চৰকাৰী আঁচনিৰ সুবিধা প্ৰকৃত লাভাৰ্থীলৈ পৰিপূৰ্ণভাৱে পৰিচালিত হোৱাটো নিশ্চিত কৰিবলৈ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়োজন। গ্ৰাম্য পৰ্যায়ত জনসাধাৰণক চৰকাৰী আঁচনিৰ বিষয়ে সঠিক তথ্য প্ৰদান কৰাৰ লগতে তেওঁলোকক অভিযোগ দাখিলৰ সুবিধাজনক পদ্ধতিৰ বিষয়ে জনোৱা উচিত। ইয়াৰ বাবে গ্ৰাম্য পঞ্চায়ত পৰ্যায়ত অভিযোগ পঞ্জীয়ন কেন্দ্ৰ স্থাপন কৰাৰ কথা বিবেচনা কৰিব পাৰি।ৰাজনৈতিক দলৰ নেতাৰ বিৰুদ্ধে এনে অভিযোগে জনসাধাৰণৰ মাজত দলটোৰ প্ৰতি অসন্তুষ্টিৰ সৃষ্টি কৰিব পাৰে। বিজেপিৰ দৰে এখন জাতীয় দলৰ ক্ষেত্ৰত এনে ঘটনা দলৰ ভাৱমূৰ্তিকো ক্ষতিগ্ৰস্ত কৰিব পাৰে। গতিকে, দলীয় নেতৃত্বই এই অভিযোগৰ গুৰুত্ব বুজি অভিযুক্তৰ বিৰুদ্ধে দলীয় শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা উচিত। ইয়াৰ জৰিয়তে দলৰ স্বচ্ছতা আৰু জনসাধাৰণৰ প্ৰতি দায়বদ্ধতা প্ৰমাণিত হ'ব।অসমৰ প্ৰেক্ষাপটত, য'ত বিভিন্ন সময়ত চৰকাৰী আঁচনিৰ অপপ্ৰয়োগৰ অভিযোগ উত্থাপিত হৈ আহিছে, এনে ঘটনা নতুন নহয়। ২০২১ চনত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ বিৰুদ্ধেও দুৰ্নীতিৰ অভিযোগ উত্থাপিত হৈছিল, আৰু তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰি দুজন চেয়াৰমেনক বৰ্খাস্ত কৰা হৈছিল। এনে উদাহৰণে প্ৰমাণ কৰে যে দৃঢ় সংকল্পৰ সৈতে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিলে দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিয়া সম্ভৱ।চৰকাৰৰ পৰা জনসাধাৰণে আশা কৰে যে তেওঁলোকৰ অভিযোগৰ প্ৰতি গুৰুত্ব দিয়া হ'ব আৰু দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। চত্ৰ চেত্ৰীৰ ক্ষেত্ৰতো একে ধৰণৰ পদক্ষেপ গ্ৰহণৰ প্ৰয়োজন। নহ'লে, জনতাৰ মাজত চৰকাৰৰ প্ৰতি আস্থা ক্ষুণ্ণ হোৱাৰ সম্ভাৱনা আছে। চৰকাৰে স্বচ্ছ তদন্তৰ জৰিয়তে অভিযুক্তৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰি জনসাধাৰণৰ প্ৰতি নিজৰ দায়বদ্ধতা প্ৰমাণ কৰিব লাগে।শেষত, এনে ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ চৰকাৰে স্থানীয় পৰ্যায়ত নিৰীক্ষণ ব্যৱস্থা শক্তিশালী কৰাৰ প্ৰয়োজন। গ্ৰাম্য পঞ্চায়তৰ কাৰ্যকলাপৰ ওপৰত নিয়মীয়া তদাৰকি, চৰকাৰী আঁচনিৰ তথ্যৰ স্বচ্ছতা, আৰু জনসাধাৰণৰ অভিযোগৰ দ্ৰুত নিষ্পত্তিৰ ব্যৱস্থাৰ জৰিয়তে এনে সমস্যাৰ পৰা মুক্তি পোৱা সম্ভৱ। ঢেকীয়াজুলিৰ এই ঘটনা কেৱল এটা উদাহৰণ; এনে অভিযোগৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিলে অসমৰ জনসাধাৰণৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতাৰ প্ৰমাণ মিলিব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# 'বিপিএফে অকলেই ২০-২২ খন আসন

বিপিএফৰে মিত্ৰতা কৰি বিটিচিৰ ৰাজনীতি সলনি কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। আজি কোকৰাঝাৰ প্ৰেছ ক্লাৱত আয়োজিত হোৱা এক সংবাদমেলত কোকৰাঝাৰৰ প্ৰাক্তন সাংসদ নব কুমাৰ শৰণীয়াই কয় যে জিএচপি দলে বিটিচি নিৰ্বাচনত বিপিএফ দলৰে কৰিব আৰু এই মিত্ৰতা সন্দৰ্ভত আলাপ-আলোচনা অব্যাহত আছে। জিএচপি দলে এইবাৰ অকলে নিৰ্বাচন নেখেলাৰ কথা স্পষ্ট কৰি দি নৱ কুমাৰ শৰণীয়াই বিপিএফ দলৰে মিত্ৰতা কৰি বিটিচিত হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত চৰকাৰ গঠন হ'ব বুলি ঘোষণা কৰি উক্ত চৰকাৰৰ সহযোগী দল হিচাপে থাকিব জিএচপি থাকিব বুলি মন্তব্য কৰিছে। জিএচপিৰ সহযোগত বিপিএফে অকলেই ২০ -২২ খন আসন পাব বুলি মন্তব্য কৰি চিৰাং আৰু কোকৰাঝাৰত বিপিএফ আৰু জিএচপিৰ বাহিৰে আন কোনো দলে আসন নাপায় বুলি মন্তব্য কৰিছে শৰণীয়াই । অৱশ্যে অনাগত নিৰ্বাচনত কিমানখন আসনত জিএচপিয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বা নৱ কুমাৰ শৰণীয়াই নিৰ্বাচনত অৱতীৰ্ণ হবনে নাই সেয়া পিছত নিৰ্ধাৰণ কৰা হ'ব বুলি মন্তব্য কৰি হাগ্ৰামা মহিলাৰীৰ ওচৰত জনতা কমফৰটেবল যদিও প্ৰমোদ বড়োৰ ওচৰত জনতা কমফৰটেবল নহয় বুলি মন্তব্য কৰিছে নব শৰণীয়াই। পৰিবৰ্তনৰ স্বাৰ্থত প্ৰমোদ বড়োক আগুৱাই দিয়া হৈছিল অথচ পাঁচ বছৰত প্ৰমোদ বড়োই যি কাম কৰিলে এতিয়া আৰু সমৰ্থন কৰা অসম্ভৱ বুলি মন্তব্য কৰি হাগ্ৰামা মহিলাৰীৰ নেৰ্তৃত্বত ভৱিষ্যতৰ বিটিচি সুন্দৰ আৰু মঙ্গল হ'ব বুলি মন্তব্য কৰিছে প্ৰাক্তন সাংসদ নব কুমাৰ শৰণীয়াই। হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফৰ সৈতে নব কুমাৰ শৰণীয়া নেতৃত্বাধীন জিএচপি দলৰ মিত্ৰতা চূড়ান্ত হলে আগন্তুক বিটিচি নিৰ্বাচনত ব্যাপক প্ৰভাৱ পৰিব নেকি তাকে লৈ এতিয়া সৰ্বত্ৰে চৰ্চা অব্যাহত আছে।

## সন্ত্ৰাসবাদৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে যুঁজাৰ আহ্বান

# আমেৰিকাত উপস্থিত ভাৰতৰ সৰ্বদলীয় প্ৰতিনিধি দল

**নিউয়ৰ্ক, ২৫ মে':** ভাৰতৰ মাটিত সন্ত্ৰাসবাদী কাৰ্যত পাকিস্তানৰ ভূমিকা উদঙাই দিবলৈ আমেৰিকা ভ্ৰমণ কৰা শশী থাৰুৰ নেতৃত্বাধীন ভাৰতীয় প্ৰতিনিধি দলে ২০০১ চনত বিশ্ব কঁপাই তোলা ৯/১১ আক্ৰমণৰ স্মৃতিসৌধ পৰিদৰ্শন কৰে। থাৰুৰৰ নেতৃত্বত গঠিত এই প্ৰতিনিধি দলটোত বিজেপিৰ সাংসদ ভুৱনেশ্বৰ কলিতা, শশাংক মণি ত্ৰিপাঠী, শিৱসেনাৰ মিলিন্দ দেওৰা, টিডিপিৰ জিএম হৰিশ বালযোগী আৰু প্ৰাক্তন কূটনীতিবিদ তৰণজিৎ সিং সান্ধু আছে। প্ৰতিনিধি দলটোৱে ৯/১১ৰ স্মৃতিসৌধ পৰিদৰ্শন কৰি নিহতসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পিছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত থাৰুৰে কয়, 'আমাৰ বাবে এইটো অতি আৱেগিক মুহূৰ্ত আছিল, কিন্তু ইয়াৰ উদ্দেশ্য আছিল এটা অতি শক্তিশালী বাৰ্তা প্ৰেৰণ কৰা যে আমি এনে এখন চহৰত আছোঁ যিয়ে আমাৰ নিজৰ দেশত আন এক সন্ত্ৰাসবাদী আক্ৰমণৰ সময়তো জঘন্য সন্ত্ৰাসবাদী আক্ৰমণৰ দাগ এতিয়াও বহন কৰি আছে। আমেৰিকাৰ বিপৰীতে ভাৰতত আমি বহুত বেছি সংখ্যক সন্ত্ৰাসবাদী আক্ৰমণ সহ্য কৰিবলগীয়া হৈছে।' তেওঁ লগতে কয় যে এইটো এটা উমৈহতীয়া সমস্যা, কিন্তু ভাৰতীয়সকলকো সামৰি লোৱা এয়া এক বিশ্বজোৰা সমস্যা, ই এক মহামাৰী, আমি ইয়াৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে যুঁজিব লাগিব। ২৬ জন নিৰীহ লোকৰ মৃত্যু হোৱা পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ভাৰতৰ প্ৰতি-আক্ৰমণ অপাৰেশ্যন সেন্দুৰ সন্দৰ্ভত বাৰ্তা দি নতুন দিল্লীয়ে বিশ্বৰ বিভিন্ন প্ৰান্তলৈ যোৱা সাতটা প্ৰতিনিধি দলৰ ভিতৰত এটাৰ নেতৃত্ব দিয়ে থাৰুৰে। ইফালে আজি ভাৰতীয় কনছুলেটত থাৰুৰে কয়, 'মই চৰকাৰৰ বাবে কাম নকৰোঁ। মই এটা বিৰোধী দলৰ বাবে কাম কৰোঁ, কিন্তু মই নিজেই ভাৰতৰ এখন আগশাৰীৰ কাকতত এটা মতামত লিখি কৈছলোঁ যে জোৰকৈ আঘাত কৰাৰ সময় আহি পৰিছে আৰু স্মাৰ্ট হিট কৰাৰ সময় আহি পৰিছে আৰু মই ক'বলৈ পাই সুখী যে ভাৰতে ঠিক সেইটোৱেই কৰিলে।" ইয়াৰ লগতে কংগ্ৰেছৰ সাংসদগৰাকীয়ে বিশ্ববাসীক একত্ৰিত হৈ সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজিবলৈ আহ্বান জনায়।



মুষলধাৰ বৰষুণৰ পাছত বানত বুৰ গ'ল দিল্লী-গুৰুগ্ৰাম এক্সপ্ৰেছৱে', ফটো, দেওবাৰৰ

# পত্নী-সন্তানৰ সন্মুখতে বেলুচ সাংবাদিকক হত্যা পাক সমৰ্থিত উগ্ৰপন্থীৰ

**কুৱেট্টা, ২৫ মে':** বেলুচিস্তানত পাকিস্তান সমৰ্থিত উগ্ৰপন্থীয়ে শনিবাৰে এজন বেলুচ সাংবাদিকক গুলীয়াই হত্যা কৰাৰ ঘটনা পোহৰলৈ আহিছে। বেলুচিস্তানত আৱাৰান জিলাৰ মাছকেত থকা নিজৰ ঘৰৰ ভিতৰতে প্ৰখ্যাত সাংবাদিক আব্দুল লতিফ বেলুচক নিৰ্মমভাৱে হত্যা কৰা হয়। বেলুচ ইয়াকজেহতী কমিটীৰ মতে, পুৱা প্ৰায় ৩ বজাত পাকিস্তানী ৰাষ্ট্ৰ সমৰ্থিত উগ্ৰপন্থী গোটে তেওঁক পত্নী আৰু সন্তানৰ চকুৰ আগতে গুলীয়াই হত্যা কৰে সেনাই। যুদ্ধবিধ্বস্ত প্ৰদেশখনত মানৱ অধিকাৰ উলংঘা আৰু প্ৰতিৰোধৰ ওপৰত নিৰ্ভীকভাৱে প্ৰকাশ কৰাৰ বাবে আব্দুল লতিফ বেলুচক বহুলভাৱে সন্মান জনোৱা হৈছিল। তেওঁৰ এই কামে সামৰিক অভিযানৰ অধীনত বেলুচ সম্প্ৰদায়ৰ দুখ-কষ্ট নথিভুক্ত কৰিছিল। বেলুচ ইয়াকজেহতি কমিটীয়ে প্ৰকাশ কৰিছে যে মাত্ৰ কেইমাহমানৰ আগতে আব্দুল লতিফৰ পুত্ৰ ছাইফ বালোচক পৰিয়ালৰ আন সাতজন সদস্যৰ সৈতে নিৰুদ্দিষ্ট হৈছিল আৰু পাছত মৃত অৱস্থাত উদ্ধাৰ হৈছিল। এই হত্যাকাণ্ডই মানৱ অধিকাৰ সংগঠন আৰু সংবাদ স্বাধীনতাৰ সমৰ্থকসকলৰ মাজত ক্ষোভৰ সৃষ্টি কৰিছে আৰু তেওঁলোকে বেলুচিস্তানত আন্তঃৰাষ্ট্ৰীয় হস্তক্ষেপ আৰু জবাবদিহিতাৰ জৰুৰী প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

# ইউক্ৰেইনত ৰাছিয়াৰ সৰ্ববৃহৎ আকাশী আক্ৰমণ

## ১২ জনৰ মৃত্যু, কেইবাজনো আহত

**কিয়েভ, ২৫ মে':** ৰাছিয়াৰ বাহিনীয়ে এটা ৰাতিৰ ভিতৰতে ইউক্ৰেইনৰ ৰাজধানী কিয়েভকে ধৰি ইউক্ৰেইনৰ চহৰসমূহত ৩৬৭টা ড্ৰ'ন আৰু মিছাইলৰ বেৰেজ নিক্ষেপ কৰাৰ ফলত যুদ্ধৰ এতিয়ালৈকে হোৱা সৰ্ববৃহৎ আকাশী আক্ৰমণটোত কমেও ১২ জন লোকৰ মৃত্যু হোৱাৰ লগতে কেইবাজনো লোক আহত হয়। স্থানীয় বিষয়াসকলে জনোৱা মতে, মৃতসকলৰ ভিতৰত উত্তৰ অঞ্চল জিট'মাইৰৰ তিনিটা শিশুও আছে। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কিয়ে আমেৰিকাক ৰাছিয়া আৰু ভ্লাদিমিৰ পুটিনৰ বিৰুদ্ধে মাত মাতিবলৈ আহ্বান জনাই কয় যে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা ৰাছিয়াক কম সমালোচনা কৰা হৈছে। টেলিগ্ৰামত তেওঁ লিখিছে, 'আমেৰিকাৰ মৌনতাই, বাকী বিশ্ববাসীৰ মৌনতাই পুটিনক কেৱল উৎসাহিত কৰিব। ৰাছিয়াৰ এনে প্ৰতিটো সন্ত্ৰাসবাদী আক্ৰমণ ৰাছিয়াৰ বিৰুদ্ধে নতুন নিষেধাজ্ঞাৰ পৰ্যাপ্ত কাৰণ।' অস্ত্ৰ-শস্ত্ৰ নিক্ষেপ কৰাৰ ক্ষেত্ৰত ই যুদ্ধৰ আটাইতকৈ ডাঙৰ আক্ৰমণ আছিল। অৱশ্যে আন আক্ৰমণতহে অধিক লোকৰ মৃত্যু হৈছে। আভ্যন্তৰীণ মন্ত্ৰী ইহ'ৰ ক্লাইমেংকোৱে কয় যে ১২ জন লোক নিহত হোৱাৰ লগতে আৰু ৬০ জন আহত হৈছে। টেলিগ্ৰামত তেওঁ লিখিছে, "এয়া আছিল সাধাৰণ নাগৰিকক লক্ষ্য কৰি কৰা এক সংযুক্ত, নিৰ্দয় আক্ৰমণ। শত্ৰুৱে আকৌ এবাৰ দেখুৱাই দিলে যে ইয়াৰ লক্ষ্য হৈছে ভয় আৰু মৃত্যু।"

# চৰকাৰী বাছৰ পৰা 'মণিপুৰ' নাম আঁতৰোৱাক লৈ প্ৰতিবাদ তুংগত

**ইম্ফল, ২৫ মে':** উখৰুলৰ শিৰুই মহোৎসৱত চলি থকা মণিপুৰ ৰাজ্যিক পৰিবহণ বাছৰ পৰা 'মণিপুৰ' আঁতৰাই নিয়াৰ অভিযোগ উত্থাপন কৰি দেওবাৰে বিয়লি ইম্ফলৰ ৰাজভৱনলৈ সমদল কৰা প্ৰতিবাদকাৰীক ছত্ৰভংগ দিবলৈ নিৰাপত্তাৰক্ষীয়ে ধোঁৱা বোমা আৰু কন্দুৱা গেছ নিক্ষেপ কৰাৰ ফলত কমেও ৮ জন লোক আহত হয়। মণিপুৰ অখণ্ডতা সমন্বয় সমিতি নামৰ এপেক্স চিভিল ছ'চাইটিৰ সংস্থাটোৱে গণ আন্দোলন কৰিবলৈ আহ্বান জনোৱাৰ পিছতে খোৱাৰমবন্দ কেথেলত সমবেত হৈছিল প্ৰতিবাদকাৰীসকলে আৰু প্ৰায় ৫০০ মিটাৰ খোজ কাঢ়ি যোৱাৰ পিছত আৰক্ষীয়ে তেওঁলোকক ৰখাই দিয়ে। কংলা পশ্চিম গেটৰ সমীপত প্ৰতিবাদকাৰীক ছত্ৰভংগ দিবলৈ নিৰাপত্তাৰক্ষীয়ে গুলীৰ ধোঁৱা বোমা নিক্ষেপ কৰিছিল। চৰকাৰী বাছৰ পৰা ৰাজ্যৰ নাম আঁতৰোৱাৰ বাবে ক্ষমা খুজিবলৈ অস্বীকাৰ কৰাৰ অভিযোগত ৰাজ্যপাল অজয় কুমাৰ ভল্লাৰ পৰা ক্ষমা বিচাৰিছিল প্ৰতিবাদকাৰীসকলে। মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধান আৰু নিৰাপত্তা উপদেষ্টাৰ পদত্যাগৰ দাবী জনাইছে ক'ক'মিয়ে।

# অমৃতসৰত আকালি দলৰ সদস্যক গুলীয়াই হত্যা

**অমৃতসৰ, ২৫ মে':** পাঞ্জাৱৰ অমৃতসৰত আজি মটৰ চাইকেলত অহা আক্ৰমণকাৰীয়ে আকালি দলৰ কাউন্সিলাৰ হৰজিন্দৰ সিং বাহমানক গুলীয়াই হত্যা কৰে। তেওঁৰ আত্মীয়ই অভিযোগ কৰে যে আক্ৰমণকাৰীসকল সেই একে ব্যক্তি যিয়ে তেওঁক পূৰ্বে ভাবুকি দিছিল আৰু তেওঁৰ ঘৰত গুলীচালনা কৰিছিল। পাঞ্জাৱ আৰক্ষীৰ অতিৰিক্ত উপ-আয়ুক্ত হৰপাল সিং ৰান্ধৱাই সংবাদমাধ্যমক জনায় যে বাইকত অহা দুষ্কৃতিকাৰীয়ে তেওঁক গুলীয়াই হত্যা কৰে আৰু চিকিৎসালয়লৈ যোৱাৰ পথত আঘাতৰ বাবে তেওঁ মৃত্যুবৰণ কৰে।

# বৰষুণে ভোগাইছে দিল্লীবাসীক, জলমগ্ন পথ

**নতুন দিল্লী, ২৫ মে':** আজি ৰাষ্ট্ৰীয় ৰাজধানীত হোৱা প্ৰবল বৰষুণৰ ফলত পথসমূহ বুৰাই পেলোৱাৰ ফলত কেইবাটাও অঞ্চলৰ আণ্ডাৰপাছত গাড়ী আৰু অন্যান্য যান-বাহন ডুব যায়। ভাৰতৰ বতৰ বিজ্ঞান বিভাগে জনোৱা মতে, চহৰখনৰ প্ৰাথমিক বতৰ কেন্দ্ৰত ছয় ঘণ্টাত শনিবাৰে নিশা ১১.৩০ বজাৰ পৰা দেওবাৰে ৫.৩০ বজাৰ ভিতৰত ঘণ্টাত ৮২ কিলোমিটাৰ বেগেৰে বতাহ আৰু ৮১.২ মিলিমিটাৰ বৰষুণৰ ৰেকৰ্ড কৰা হয়। কনʼট প্লেচৰ সমীপৰ মিন্টো দলঙত এখন গাড়ী সম্পূৰ্ণৰূপে ডুব যোৱা দেখা গৈছিল। উল্লেখ্য, এই ঠাইতে ২০২০ চনত পানীৰে ভৰা পথত বাহন আবদ্ধ হৈ পৰাৰ ফলত এজন লোক পানীত উটি গৈছিল। দিল্লী কেন্টনমেণ্ট এলেকাত ধাৰাসাৰ বৰষুণৰ ফলত এখন বাছ আৰু এখন গাড়ী ডুব যায়। দিল্লীৰ অন্যতম উচ্চমানৰ অঞ্চল আৰু কেইবাটাও বিদেশী দূতাবাস থকা চাণক্যপুৰীতো পথসমূহ বানপানীত বুৰ গৈছে। বিৰূপ বতৰৰ বাবে ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত বিমানৰ কাম-কাজ ব্যাহত হৈ পৰে। দিল্লী বিমানবন্দৰৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি নিশা ১১:৩০ বজাৰ পৰা ৪ বজাৰ ভিতৰত ৪৯খন বিমান ডাইভাৰ্ট কৰা হৈছে। নিয়মিতভাৱে নিজৰ বিমানৰ অৱস্থা পৰীক্ষা কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ প্ৰতিচ্ছবিৰ সন্মুখত অস্থায়ী

চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, উপ-স্বাস্থ্যকেন্দ্ৰ, ক্ষুদ্ৰ স্বাস্থ্য কেন্দ্ৰ, আদৰ্শ চিকিৎসালয় আদি বিলাকত নিয়োজিত অস্থায়ী কৰ্মচাৰী সকলে নিষ্ঠাৰে সেৱা আগবঢ়োৱাৰ পিছতো তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ নকৰিলে। আনকি মাহিলী অতি কম দৰমহা দি ৰামঠগন দি আহিছে অস্থায়ী স্বাস্থ্য কৰ্মী সকলক। অত্যাৱশ্যেকীয় সামগ্ৰীৰ অতি চ'ৰা দামে জুৰুলা কৰিছে যদিও এইসকল কৰ্মচাৰীৰ দৰমহা তথা মাননী বৃদ্ধিত গুৰুত্ব দিয়া নাই ৰজাঘৰে। ইয়াৰ পাৰিপেক্ষিতত আজি উপায়বিহীন হৈ পুনৰ শিৱসাগৰত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত কৰি উত্থাপন কৰিছে কেতবোৰ দাবী। সদৌ অসম চৰকাৰী চিকিৎসালয় অস্থায়ী স্বাস্থ্য কৰ্মচাৰী সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত এখন গুৰুত্বপূৰ্ণ সাধাৰণ সভা শিৱসাগৰ অসামৰিক চিকিৎসালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰি কেইবাটাও দাবী উত্থাপন কৰে। লক্ষ্যণীয় যে মুখ্যমন্ত্ৰী ডাং হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিচ্ছবি সন্মুখত লৈ অস্থায়ী স্বাস্থ্য কৰ্মচাৰী সকলে তীব্ৰ ক্ষোভ প্ৰকাশ কৰাৰ লগতে বাৰুকৈয়ে কটাক্ষ কৰে । সন্থাৰ বিষয়ববীয়া সকলে মুখ্যমন্ত্ৰীৰ ফটোখনকে সন্মুখতলৈ সজোৰে কয়, "মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া। আপুনিয়েই সাম্প্ৰতিক অসমৰ সৰ্বেসৰ্বা। আপুনি বহু চৰকাৰী বিভাগৰ কৰ্মচাৰীৰ সমস্যা সমাধান কৰিছে। উন্নয়ন সাধন কৰিছে। আপুনি যি বিচাৰে তাকেই হয়। আপুনিয়েই একপ্ৰকাৰৰ ভগৱান। আপুনি দেৱদূত। পিছে আপুনি চৰকাৰী অস্থায়ী স্বাস্থ্য কৰ্মচাৰী সকলৰ প্ৰতি কিয় চকু দিয়া নাই? আপুনি কিয় আমাৰ দুখ দুৰ্দশা দূৰ কৰিবলৈ ব্যৱস্থা লোৱা নাই? আমাৰ অপৰাধ কি? আমাৰো মন যায় পৰিয়াল লৈ ফুৰিবলৈ । কিন্তু আমাক যিমান দৰমহা দিয়ে ফুৰা চকা দূৰৰে কথা, ভাতমুঠি যোগাৰ কৰিবলৈয়ো অপাৰগ হৈ যাওঁ আমি। এয়া লক্ষ্য কৰেনে মুখ্যমন্ত্ৰী মহোদয়?" এনেদৰেই অনেক প্ৰশ্ন তোলে সন্থাই। চাকৰি যাতে নিয়মীয়াকৰণ কৰে, দৰমহা বৃদ্ধি কৰে, পি এফ, ই এছ আইৰ ব্যৱস্থা কৰে , আন চৰকাৰী কৰ্মচাৰীৰ সমহাৰত যাতে দৰমহা দিয়ে তাৰ বাবে দাবী উত্থাপন কৰে সভাত। ১৫-২০ বছৰ চাকৰি কৰাৰ পিছতো দৰমহাৰ নামত মাহিলী কিয় ১০০০ ৰ পৰা পাঁচ ছয় হেজাৰ টকাহে দৰমহা দিয়ে তাৰ স্পষ্ট উত্তৰ চৰকাৰৰ ওচৰত আছে নে বুলিও ক্ষোভ প্ৰকাশ কৰে।এই বিষয় সমূহৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণৰো ব্যৱস্থা কৰে সন্থাই। সভাত সন্থাৰ কেন্দ্ৰীয় সভাপতি শোভন বৰুৱা , কাৰ্যকৰী সভাপতি জিতুমণি শইকীয়া, সম্পাদক বাবুল দাস, কৰ্মচাৰী পৰিষদৰ মদন শ্বাহা, অচিন্ত্য হাজৰিকা, অপৰূপা বৰুৱাসহ বহু সংখ্যক বিষয়ববীয়া, দুই শতাধিক অস্থায়ী স্বাস্থ্য কৰ্মচাৰী উপস্থিত থাকে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# গো চৰণীয়া পথাৰ সংৰক্ষণৰ দাবীত

কামৰূপ জিলা প্ৰশাসনে সংশ্লিষ্ট পক্ষলৈ জাননী জাৰি কৰাত বৃহত্তৰ অঞ্চলটৰ সাতখন ৰাজহ গাঁৱৰ কৃষক ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত শিঙিমাৰী, আলিকাষ, পাকোৰকোণা, কুলহাটী, নিজ গন্ধমৌ, গন্ধমৌ, ৰৌমাৰী , কিছমৎ বংশৰ, বংশৰ আদি বৃহত্তৰ ৰাজহ গাঁও কেইখনৰ কৃষক ৰাইজৰ একমাত্ৰ গো-চৰণীয়া পথাৰ হৈছে নিজ গন্ধমৌ গো-চৰণীয়া পথাৰ। স্বাধীনোত্তৰ কালৰে পৰা এই অঞ্চলটো বৃহত্তৰ ৰাইজৰ পশুধন ৰখাৰ বাবে সংৰক্ষিত হৈ আছে নিজ গন্ধমৌৰ গো-চৰণীয়া পথাৰখন। উল্লেখ্য, কামৰূপৰ পূৰ বংশৰ মৌজাৰ নিজ গন্ধমৌ গো ৰিৰ্জাভৰ দাগ নং ২৫৪ ৰ ৫০৪ বিঘা ২ কঠা ৭ লেচা ভুমি আসাম ইণ্ডাষ্ট্ৰিয়েল ডেভেলপমেণ্ট কৰ্পৰেশ্বন লিমিটেড (AIDCL) ক আৱণ্টন দিবলৈ ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে । ইয়াৰ পৰিপ্ৰেক্ষিতত কামৰূপ প্ৰশাসনে স্থানীয় ৰাইজৰ উজৰ আপত্তি থাকিলে ৩১ মেৰ ভিতৰত জিলা প্ৰশাসনক আবেদন কৰাৰ এক জাননী স্থানীয় ৰাইজ তথা দল সংগঠনে খবৰ পোৱাত এই ক্ষেত্ৰত গো -চৰণীয়া পথাৰ খন সংৰক্ষিত ৰাখি উদ্যোগ স্থাপনৰ বিৰোধিতা কৰে। বৃহত্তৰ অঞ্চলটোৰ একমাত্ৰ গো-চৰণীয়া পথাৰখনৰ ঔদ্যোগিক ক্ষেত্ৰ নিৰ্মাণৰ বিৰোধিতা কৰি গো ৰিৰ্জাভখনৰ সংৰক্ষণৰ উদ্দেশ্য নিজ গন্ধমৌ গো ৰিৰ্জাভ সংৰক্ষণ সমিতিৰ উদ্যোগত এখন ৰাজহুৱা সভাও অনুষ্ঠিত হয়। ৰাজহুৱা সভাত গো চৰণীয়া পথাৰখন সংৰক্ষণ কৰাৰ বাবে কামৰূপ আয়ুক্ত আৰু মুখ্যমন্ত্ৰীক স্মাৰক-পত্ৰ প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰে। ৰাজহুৱা সভাৰ সিদ্ধান্ত মৰ্মে ইতিমধ্যে নিজ গন্ধমৌ চৰণীয়া পথাৰ সংৰক্ষণ সমিতিয়ে কামৰূপ জিলা আয়ুক্তক স্মাৰক-পত্ৰ প্ৰদান কৰে। উল্লেখ্য, পূব বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে লগতে কামৰূপ সাংবাদিক ঐক্য মঞ্চই বৃহত্তৰ অঞ্চলৰ কৃষক ৰাইজৰ একমাত্ৰ গো-চৰণীয়া পথাৰ খন সংৰক্ষণৰ বাবে কামৰূপ আয়ুক্তক স্মাৰক-পত্ৰ প্ৰদান কৰিছিল যদিও আজিলৈকে সংৰক্ষণৰ ব্যৱস্থা কৰা নহল বুলি মন্তব্য কৰে স্থানীয় ৰাইজে । কামৰূপ সাংবাদিক ঐক্য মঞ্চৰ সভাপতি পুলিন দাস আৰু সম্পাদক মৃণাল ডেকাই কয় যে ,বাৰিষাৰ সময়ছোৱাত এই গো - ৰিৰ্জাভ খনত বৃহত্তৰ অঞ্চলৰ গো পালক সকলে গো চৰাই আহিছে । এই গো চৰণীয়া পথাৰখন বৰ্তমান উদ্যোগ স্থাপনৰ বাবে চৰকাৰে আৱণ্টন দিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। যদি গো-চৰণীয়া পথাৰ খন সংৰক্ষণৰ ব্যৱস্থা নলয় তেতিয়া হ'লে অদূৰ ভৱিষ্যতে পশু ধন চৰাবলৈ বৃহত্তৰ ৰাইজৰ ব্যাপক সমস্যাৰ সৃষ্টি হ'ব বুলি মন্তব্য কৰে।

# মঙলদৈ আদালতত ক'ৰ্ট ফীৰ নাটনি
# এটকাৰ কৰ্ট ফী দুটকাত বিক্ৰী, মধ্যভোগীৰ দপদপনি

ই-সংবাদ বিশেষ, মঙলদৈ, ২৫ মে': মঙলদৈ আদালতত বিগত এবছৰ ধৰি ক'ৰ্ট ফীৰ নাটনিৰ ফলত আদালতৰ কামত নিয়োজিত অধিবক্তা, তৰণি আৰু সৰ্বসাধাৰণ লোকে অত্যাধিক মূল্য ভৰিব লগীয়া হৈছে। শুকুৰবাৰে মঙলদৈ উকীল সন্থাৰ কাৰ্যলয়ত অনুষ্ঠিত কৰা এক সংবাদ মেলত মঙলদৈ উকীল সন্থাৰ সভাপতি মাধৱ ৰাজবংশীয়ে জনায় যে, যোৱা বছৰৰ মে' মাহৰ পৰা মঙলদৈ জিলা কোষাগাৰে উৰ্ধতম কৰ্তৃপক্ষক ক'ৰ্ট ফী যোগানৰ বাবে কোনো ৰিকিউজিচন নিদিয়াৰ আঁৰত কি ৰহস্য আছে সি এক নুবুজা সাঁথৰ হৈ পৰিছে। এটকাৰ কৰ্ট ফী দুটকাত, দুটকাৰ কৰ্ট ফী চাৰি টকাত বিক্ৰী কৰাৰ বাবে মধ্যভোগীক সুবিধা দি ইয়াৰ দাৰা সৰ্বসাধাৰণ ৰাইজক লুণ্ঠনৰ বাট মুকলি দিয়াৰ অভিযোগ কৰে। ক'ৰ্ট ফী যোগানৰ বাবে মঙলদৈ উকীল সন্থাই দৰং জিলাৰ আয়ুক্তক আবেদন দাখিল কৰাৰ পিছতো কোনো সুফল নধৰাত সংবাদমেলত উকীল সন্থাৰ সভাপতি ৰাজবংশীয়ে আক্ষেপ প্ৰকাশ কৰে। এই ক্ষেত্ৰত এচাম ক'ৰ্ট ফী বিক্ৰেতাৰ স'তেও জিলা কোষাগাৰৰ এচাম বিষয়াৰ গোপন বুজাবুজি থকাৰ সন্দেহ প্ৰকাশ কৰে মঙলদৈ উকীল সন্থাৰ সম্পাদক ফজলুল হকে। উকীল সন্থাৰ সম্পাদকগৰাকীয়ে তথ্য জনা অধিকাৰ আইনৰ আবেদনৰ উত্তৰত পোৱা তথ্য অৱগত কৰি মঙলদৈ জিলা কোষাগাৰে যোৱা বছৰৰ মে' মাহৰ পৰা কৰ্ট ফী যোগান নধৰাৰ বাবে ১ টকা, ২ টকা, ৫ টকা, ১০ টকা আৰু ২০ টকা মূল্যৰ ক'ৰ্ট ফীৰ নাটনি হোৱাত এচাম কৰ্ট ফী বিক্ৰেতাই আন জিলাৰ পৰা ক'ৰ্ট ফী অনাৰ সুযোগ লৈ দ্বিগুণ মূল্য আদায় লোৱাৰ পিছতো সংশ্লিষ্ট বিষয়াই চকু মুদি থকাৰ অভিযোগ তোলে। সংবাদমেলত মঙলদৈ উকীল সন্থাই দৰং জিলাত ক'ৰ্ট ফী যোগান নিয়মীয়া কৰিবলৈ সংশ্লিষ্ট পক্ষক আহ্বান জনায়।

# প্ৰেমৰ ছলনাৰে ব্লেকমেইলিং কৰা ভণ্ড যুৱক চাপৰ আৰক্ষীৰ জালত

**ই-সংবাদ, চাপৰ, ২৫ মে':** সস্তীয়া ধন উপাৰ্জন কৰাৰ লক্ষ্যৰে বিশেষ পন্থা হাতত লোৱা এজন ভণ্ড প্ৰেমিকক আজি আটক কৰিবলৈ সক্ষম হয় চাপৰ আৰক্ষী। বহুদিনৰ পৰা প্ৰেমৰ চলনাৰে বহু ছোৱালীৰ জীৱন ধ্বংস কৰি আহিছিল এই গৰাকী যুৱক। নিজৰ সুঠাম চেহেৰা আৰু মিঠা মাতেৰে বহু যুৱতীক নিজৰ প্ৰেমৰ প্ৰতি আকৃষ্ট কৰি পিছত যুৱতী সকলৰ ভিডিঅ' আৰু ফটোৰে ব্লেক মেইলিং কৰি সহজ ধন ঘটোৱাৰ পন্থা হিচাপে লৈছিল যুৱক গৰাকী। পিছে অসমীয়াত এষাৰ কথা আছে এশ গৰু মাৰিলে বাঘৰ মৰণ। সেয়া ঘটিল যুৱক গৰাকীৰ ক্ষেত্ৰত। ছোৱালীৰ জীৱনলৈ হেতালি খেলা ৰেজাউন মণ্ডল অৱশেষত পৰিল আৰক্ষীৰ জালত। অভিযোগ মতে চাপৰৰ বৌমাৰীৰ বাসিন্দা আব্দুছ ছবুৰ মণ্ডলৰ পুত্ৰ ৰেজাউন মণ্ডল (২৪) এ সামাজিক মাধ্যম যোগে দীৰ্ঘদিন



ধৰি প্ৰেমৰ চলনাৰে মহিলা, যুৱতী আৰু নাবালিকা ছোৱালীক নিজৰ প্ৰেমৰ জালত পেলাই নগ্ন ছবি আৰু ভিডিঅ' ৰেকৰ্ড কৰি তাৰ পিছত আৰম্ভ কৰিছিল ব্লেকমেলিং। তেনে এক নাবালিকা ছোৱালীক ব্লেকমেলিং কৰিবলৈ গৈ পৰিয়ালৰ হাতত ধৰা পৰে ধুৰন্ধৰ যুৱক গৰাকী। পিছত ভুক্তভোগী পৰিয়ালটোৱে চাপৰ আৰক্ষী থানাত এজাহাৰ দিয়াত চাপৰ আৰক্ষীয়ে যুৱক গৰাকীক আটক কৰি চাপৰ থানালৈ লৈ অহাত বহু ভয়ংকৰ তথ্য পোহৰলৈ আহে। নিকৃষ্ট মানসিকতাৰ যুৱক গৰাকীৰ মোৱাইল ফোনৰ পৰা এজন দুজন নহয় প্ৰায় অৰ্ধশতাধিক মহিলা যুৱতী আৰু নাবালিকা ছোৱালীৰ নগ্ন ছবি ভিডিঅ' উদ্ধাৰ হয় এইজন ধুৰন্ধৰ লম্পট ৰেজাউন মণ্ডলৰ পৰা। প্ৰথমে মোবাইল ফোনত আৱদ্ধ কৰে পিছলৈ এই ফটো ভিডিঅ' লম্পটজনে এটা পেনড্ৰাইফত সংৰক্ষণ কৰি ৰাখিছিল। চাপৰ আৰক্ষীয়ে ৭৩/২০২৫ নম্বৰত গোচৰ ৰুজু কৰি W/S 77 BNS, R/W- 66(e)/ 67(b) IT Act, R/W- 14/15, আৰু 8 of পস্ক'ৰ অধীনত ইতিমধ্যে আৰক্ষীয়ে সকলো তথ্য জব্দ কৰি লম্পট ৰেজাউন মণ্ডলক গ্ৰেপ্তাৰ কৰি জে'ল-হাজোলৈ প্ৰেৰণ কৰে।

# অবড়ো নেতা জোন দাসৰ ওপৰত ইউ পি পি এলৰ ক্ষোভ

**ই-সংবাদ, বৰমা, ২৫ মে':** বি টি এ ডিত এতিয়া বড়ো-অবড়োৰ ৰাজনীতি নাই। বড়ো-অবড়ো ৰাজনীতি কৰি দুবাৰকৈ সাংসদ হোৱা নৱ কুমাৰ শৰনীয়াই যোৱাটো লোকসভা নিৰ্বাচনত মুখঠেকেচা খাব লগা হয়। বি টি এ ডিত বড়ো-অবড়োৰ ৰাজনীতি শেষ হোৱাৰ পাছতো জোন দাস নামৰ এগৰাকী লোকে অবড়ো নেতা হিচাপে নিজকে জাহিৰ কৰি ফুৰি শেহতীয়াভাৱে মুছলপুৰ বিটিচি পৰিষদীয় সমষ্টিৰ ই এম ৰাকেশ ব্ৰহ্মৰ ওপৰত কিছুমান মিচা অভিযোগ আনি পুনৰ বিটিএডিত বড়ো-অবড়োৰ মাজত সংঘাট সৃষ্টি কৰিব বিচাৰিছে বুলি সংবাদমেল যোগে মন্তব্য কৰে মুছলপুৰ জিলা ইউ পি পি এল যুৱ মৰ্চাৰ সম্পাদক কৌশিক শৰ্মাই। ই এম ৰাকেশ ব্ৰহ্মই সমষ্টিটোত বড়ো সম্প্ৰদায়ৰ লোকক চৰকাৰী সুবিধা, ঠিকা-ঠুকলি দি অবড়ো লোকসকলক বঞ্চিত কৰি আহিছে বুলি মন্তব্য কৰিছিল জোন দাসে। আনকি ৰাকেশ ব্ৰহ্মই নিজৰ মিন বিভাগত দুৰ্নীতি কৰা বুলি অভিযোগ কৰিছিল জোন দাসে। সংবাদমেলত জোন দাসৰ সকলো অভিযোগ মিচা বুলি মন্তব্য কৰি ইউ পি পি এল নেতৃত্বই জোন দাসে কৰা মিচা অভিযোগ উঠাই লৈ ভুল স্বীকাৰ নকৰিলে বিটিএডিৰ সকলো জিলা, বুথ সমিতিৰ তৰফৰপৰা সকলো আৰক্ষী থানাত গোচৰ ৰুজু কৰিব বুলি সকিয়াই দিয়ে ইউ পি পি এল নেতৃত্বই। সংবাদমেলত ইউ পি পি এল নেতৃত্বই অবড়ো নেতা জোন দাসক দালাল আখ্যা দি ই এম ৰাকেশ ব্ৰহ্মই তেওঁৰ সমষ্টিৰ প্ৰায়ভাগ ধৰ্মীয় অনুষ্ঠানতে নিজৰ চৰকাৰী দৰমহাৰ এটা অংশ দান কৰি অহা বুলি জানিবলৈ দিয়ে।

# অৰুণোদয় আঁচনিৰপৰা বঞ্চিত মহিলাৰ কাণকাটাত উত্তাল প্ৰতিবাদ

**ই-সংবাদ, শিমলীতোলা, ২৫ মেঃ** ৰাজ্যৰ ভিন্ন ভিন্ন প্ৰান্তৰ সমান্তৰালকৈ গোৱালপাৰা পূব সমষ্টিৰ অন্তৰ্গত বগুৱান কঠালবাৰী গাঁও পঞ্চায়তৰ কাণকাটাত যোগ্য মহিলাসকলক অৰুণোদয় আঁচনিৰপৰা বঞ্চিত হোৱা একাংশ মহিলাই ক্ষোভ প্ৰকাশ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰা পৰিলক্ষিত হয়। হিতাধিকাৰী বাচনিৰ নামত যোগ্য হিতাধিকাৰীক বঞ্চিত কৰি ধনী লোকক অৰুণোদয় আঁচনিত নাম অন্তৰ্ভুক্ত কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে বঞ্চিত মহিলা সকলে। শাৰীৰিকভাৱে অক্ষম, বিধৱা মহিলাই পূৰ্বৰপৰা অৰুণোদয় আঁচনিৰ ধন লাভ কৰি অহা হিতাধিকাৰীৰ নাম কৰ্তন কৰাৰো অভিযোগ উত্থাপিত হৈছে। যাৰ ফলত অৰুণোদয় আঁচনিৰ পৰা বঞ্চিত নাম কৰ্তন যোৱা হিতাধিকাৰীয়ে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী হাতত লৈ পুনৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ মুখ্যমন্ত্ৰীলৈ আহ্বান জনাইছে।

# দৰঙত কৃষি বিষয়াৰ অকাল মৃত্যুত শোক



**ই-সংবাদ দুনী, ২৫ মে':** দৰং জিলা কৃষি বিষয়া দিলীপ কুমাৰ শৰ্মাৰ অকাল বিয়োগে কৃষি বিভাগৰ লগতে মঙলদৈত শোকৰ ছাঁ পেলাইছে। এগৰাকী নিৰ্জু, অমায়িক ব্যক্তি হিচাপে পৰিচিত শৰ্মাই ১৯৬৪ চনৰ জুলাই মাহত জন্ম গ্ৰহণ কৰিছিল আৰু বিগত বৰ্ষৰ জুলাই মাহত দৰঙৰ কৃষি বিভাগৰপৰা অৱসৰ গ্ৰহণ কৰিছিল। মঙলদৈ কোঁৱৰ নগৰত নিগাজীকৈ থাকিবলৈ লোৱা শৰ্মাই শেহতীয়াভাৱে ৰোগাগ্ৰস্ত হৈ গুৱাহাটীৰ এক ব্যক্তিগত নাৰ্চিংহোমত চিকিৎসাধীন হ'বলগীয়া হয়। চিকিৎসাধীন অৱস্থাতে মৃত্যুক আঁকোৱালি লয়। মৃত্যুৰ সময়ত শৰ্মাই পিতৃ বীৰেন্দ্ৰ নাথ শৰ্মা, পত্নী পাৰুল দেৱীসহ দুই পুত্ৰ সুদীপ্ত ভৰদ্বাজ, ময়ুখ ভৰদ্বাজসহ বোৱাৰী, ভাতৃকে ধৰি অসংখ্য গুণমুগ্ধক এৰি যায়। তেখেতৰ বিদেহ আত্মাৰ সদগতি কামনা কৰি গুণমুগ্ধসকলৰ উপস্থিতিত কালি অন্তোষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত মঙলদৈৰ বিধায়ক বসন্ত দাস, জিলা বিজেপিৰ সভাপতি মকুন্দ ডেকা, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, জিলা কৃষি বিভাগৰ কৰ্মচাৰী সন্থাকে ধৰি বহু দল-সংগঠনে শোকপ্ৰকাশ কৰে।

# দলগাঁৱত পঞ্চায়ত নিৰ্বাচনত জয়লাভৰ পিছতে কংগ্ৰেছৰ অভ্যন্তৰত কৃতিত্বৰ প্ৰতিযোগিতা

**ই-সংবাদ, দলগাঁও, ২৫ মে':** দীৰ্ঘম্যাদী ধৰি চৰ্চা হৈ থকা লবীকেন্দ্ৰিক ৰাজনীতিয়ে দলগাঁৱত প্ৰকাশ্যভাৱে আত্মপ্ৰকাশ কৰিছে। তিনিবাৰৰ বিধায়ক তথা দলগাঁৰৰ জ্যেষ্ঠ কংগ্ৰেছ নেতা ইলিয়াচ আলীৰ লবী ৰাজনীতি পোহৰলৈ আহিছে। সদ্যঘষিত পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছৰ অভাৱনীয় ফলাফলৰ কৃতিত্বৰ প্ৰতিযোগিতা চলিছে। প্ৰতিষ্ঠানবিৰোধী ঢৌৰ মাজতে এআইইউডিফৰ উত্থান আৰু বিগত বিধানসভা নিৰ্বাচনত লবীকেন্দ্ৰিক ৰাজনীতিৰ বাবেই বিধায়ক ইলিয়াচ আলীয়ে মজিবুৰৰ হাতত বৃহৎ ভোটৰ ব্যৱধানত ধৰাশায়ী হোৱাৰ পিছত পুনৰ লবীকেন্দ্ৰিক ৰাজনীতি প্ৰকাশ্যভাৱে পোহৰলৈ আহিছে। পঞ্চায়তৰ নিৰ্বাচনৰ ফলাফলৰ পিছত অনুষ্ঠিত কৰা সংবাদমেলত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত ইলিয়াচ আলীয়ে দলগাঁও কংগ্ৰেছত লবী নাই বুলি কয়। তেওঁ কয়- দলত একাধিক যোগ্য টিকটপ্ৰত্যাশী আছে। টিকট বিচাৰিলেই লবী নুবুজায়। দলৰ কামত সকলো একেলগে কাম কৰে। দলগাঁও কংগ্ৰেছত লবী সংবাদ মাধ্যমৰ সৃষ্টি বুলি ওলোটাই দোষ জাপি দিলেও শেহতীয়াকৈ দৰং কংগ্ৰেছৰ কোষাধ্যক্ষ আইনুল হকৰ মন্তব্যই কংগ্ৰেছৰ মাজত থকা লবীক প্ৰতিষ্ঠা কৰিছে। এটা ডিজিটেল মাধ্যমৰে হোৱা সাক্ষাৎকাৰত হকে কয়, ইলিয়াচ আলী এসময়ত দলগাঁও কংগ্ৰেছৰ নেতা আছিল, বৰ্তমান নাই। একপ্ৰকাৰে জ্যেষ্ঠ নেতাজনৰ প্ৰভাৱ, কৰ্মদক্ষতা আৰু দলীয় কৰ্মীৰ মাজত থকা তেওঁৰ জনপ্ৰিয়তাক উলাই কৰা এনে মন্তব্যক কেন্দ্ৰ কৰি দলগাঁৱত ধুমুহাৰ সৃষ্টি কৰিছে। ইয়াৰ পিছতেই একাধিক দলীয় নেতাই আইনুল হকৰ মন্তব্যক গৰিহণা দি ভৱিষ্যতে এনে মন্তব্যৰ পৰা দূৰত থাকিবলৈ আহ্বান জনায়। ইফালে, বেছিমাৰীৰ এক সম্বৰ্ধনা সভাত সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত বিধায়ক মজিবুৰে কয়- ইলিয়াচ আলী দলগাঁৰৰ এজন জেষ্ঠ কংগ্ৰেছ নেতা। ইলিয়াচ আলী ডাঙৰ নেতা। তেখেত সমাজৰ প্ৰতিষ্ঠিত ব্যক্তি। তেখেত তিনিবাৰৰ বিধায়ক। মোৰ লগত নিৰ্বাচনত হাৰিলেও মই তেখেতক শ্ৰদ্ধা কৰো। তেখেতৰ বিৰুদ্ধে এনে মন্তব্য কৰাটোও এক প্ৰকাৰে নিন্দা কৰি মজিবুৰে কংগ্ৰেছৰ আভ্যন্তৰীণ বিষয়ত মাত নামাতে বুলি বিষয়টোৰ পৰা আঁতৰি থাকে। মনকৰিবলগীয়া যে, পঞ্চায়তত কংগ্ৰেছ দল এআইইউডিফক ধৰাশায়ী কৰি অভিলেখ সংখ্যক আসন দখল কৰাৰ পিছতে ফলাফলৰ কৃতিত্ব লবলৈ একাধিক কংগ্ৰেছীয়ে প্ৰতিযোগিতাত নামি পৰা পৰিলক্ষিত হৈছে। একাংশই কংগ্ৰেছৰ এনে অহংকাৰী মনোভাব আৰু লবীকেন্দ্ৰীক ৰাজনীতিৰ বাবেই ২০২৬ ৰ নিৰ্বাচনত ক্ষতিৰ সন্মুখীন কৰিব বুলি এতিয়া ৰাজনৈতিক মহলত সৰব চৰ্চা চলিছে।

# দক্ষিণ কামৰূপৰ ভোলাগাঁৱত বৃহৎ পৰিমাণৰ চোৰাং কাঠ জব্দ



**ই-সংবাদ, মিৰ্জা, ২৫ মে'ঃ** দক্ষিণ কামৰূপৰ বিভিন্ন বনাঞ্চলত একাংশ বনমাফিয়াই হাবি-বন, মূল্যৱান গছ-গছনি কাটি তহিলং কৰাৰ লগতে বনাঞ্চলৰ বিভিন্ন প্ৰজাতিৰ বন্যপ্ৰাণী সৰবৰাহৰ ন ন তথ্য পোহৰলৈ আহিছে। বনদস্যুসকলৰ অবাধ ঘাটি হিচাপে পৰিগণিত হৈছে দক্ষিণ কামৰূপৰ বিভিন্ন বনাঞ্চল। সমান্তৰালভাৱে ৰাণী বন সংমণ্ডলৰ অধীনস্থ ভোলাগাঁওত ৰাণী বন বিভাগে অভিযান চলাই বৃহৎ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ৰাণী পূব কামৰূপ বন সংমণ্ডলৰ বিষয়া ৰোজি বৰ্মনৰ নেতৃত্বত বন বিভাগৰ এটা সঁজাতি দলে ভোলাগাঁওত আজি ৰাতিপুৱা ৫ বজাত অভিযান চলাই লক্ষ লক্ষ টকাৰ চোৰাং কাঠ জব্দ কৰে। ভোলাগাঁৰৰ কুখ্যাত বন মাফিয়া বাবুলি আলিৰ ঘৰৰপৰা বন বিভাগে জব্দ কৰে এই অবৈধ কাঠসমূহ। বহুদিনৰপৰা ৰাণী ভোলাগাঁও অঞ্চলত একাংশ বনদস্যুৱে অবৈধভাৱে কাঠ সৰবৰাহ কৰা ঘটনা পোহৰলৈ আহিছে। বিগত দিনত ৰাণী অঞ্চলৰ দুই বন মাফিয়া মানিক আৰু পাটিলৰ বিৰুদ্ধে ৰাণী বন বিষয়া ৰোজি বৰ্মনে অভিযান চলাই বৃহৎ পৰিমাণৰ মেঘালয়ৰপৰা সৰবৰাহ কৰি অনা কাঠ জব্দ কৰিবলৈ সক্ষম হৈছে। বন বিভাগে সমপূৰ্ণৰূপে নাকি লগাবলৈ ব্যৰ্থ হৈছে এই বনদস্যুবোৰক। এই বনদস্যুসকল যদি কঠোৰৰ পৰা কঠোৰতম শাস্তি বিহিত কৰা নহয় তেতিয়ালৈকে দক্ষিণ কামৰূপৰ বনাঞ্চল তথা বন্যপ্ৰাণীৰ প্ৰতি ভাবুকি হৈয়েই থাকিব। পৰৱৰ্তী সময়ত এই বনদস্যুসকলৰ বিৰুদ্ধে বিভাগীয় কৰ্তৃপক্ষই কঠোৰভাৱে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাই সচেতন প্ৰকৃতিপ্ৰেমী ৰাইজে।

# মৰিগাঁৱৰ ৫২ খন পঞ্চায়তত ২৯ মে'ৰপৰা বিকশিত কৃষি সংকল্প অভিযান

**ই-সংবাদ, লাহৰীঘাট ২৫ মে':** ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে অহা ২৯ মে'ৰ পৰা ১২ জুনলৈকে দেশজুৰি "বিকশিত কৃষি সংকল্প অভিযান" নামেৰে এক প্ৰাক-খাৰিফ কৃষি অভিযান ৰূপায়ণ কৰিবলৈ সিদ্ধান্ত লৈছে। এই অভিযানৰ মূল উদ্দেশ্য হৈছে দেশৰ ৭০০ খন জিলাৰ ভিতৰত ১ ৰপৰা ১.৫ কোটি কৃষকক কৃষি আৰু আনুষাংগিক ক্ষেত্ৰসমূহৰ বিষয়ে সজাগ কৰা। বিশেষকৈ খাৰিফ শস্য উৎপাদনত সহায়ক বহনক্ষম প্ৰযুক্তিৰ প্ৰচাৰ, মাটি স্বাস্থ্য কাৰ্ডৰ আধাৰত সাৰ ব্যৱহাৰৰ প্ৰচলন, চৰকাৰৰ বিভিন্ন আঁচনিৰ বিষয়ে কৃষকসকলক অৱগত কৰোৱা, আৰু কৃষিখণ্ডৰ বিভিন্ন দিশত কৃষকসকলৰ মতামত সংগ্ৰহ কৰা এই অভিযানৰ মুখ্য উদ্দেশ্য। মৰিগাঁও জিলাত এই অভিযান কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত, জিলা প্ৰশাসন, জিলা কৃষি বিভাগ, পশু চিকিৎসা বিভাগ আৰু মীন বিভাগৰ সহযোগত আয়োজন কৰা হৈছে। এই অভিযানৰ অধীনত জিলাৰ পাঁচটা উন্নয়ন খণ্ডৰ অন্তৰ্গত ৫২ খন গাঁও পঞ্চায়তক সামৰি লোৱা হ'ব। কৃষি বিজ্ঞানী, সংশ্লিষ্ট বিভাগৰ বিষয়া আৰু আগশাৰীৰ কৃষকসকলক লৈ গঠিত দুটা দলে প্ৰতিদিনে চাৰিখনকৈ গাঁও পঞ্চায়তৰ ভিতৰত এই অভিযান চলাব। এই সময়ছোৱাত প্ৰতিদিনে প্ৰায় ৮০০ জন কৃষকক অন্তৰ্ভুক্ত কৰি মুঠ ১০৪০০ জন কৃষকক এই কাৰ্যসূচীত সামৰি লোৱা হ'ব।

# শিশু ভাওনা প্ৰতিযোগিতাৰ আয়োজন

**ই-সংবাদ, মৰিয়নি, ২৫ মে'ঃ** যোৰহাট জিলাৰ চেলেংহাট টেঙাবাৰী গাঁৱত শিশু ভাওনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। টেঙাবাৰী গাঁৱৰ গুৰুগৃহত আয়োজন কৰা গুৰুজনাৰ জন্মোৎসৱৰ ৫০ বছৰ পূৰ্তি উপলক্ষে এই শিশু ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। গুৰুজনাৰ জন্মোৎসৱৰ সোণালী জয়ন্তী বৰ্ষৰ অংশ হিচাপে অহা ২৭ ছেপ্তেম্বৰৰপৰা ২ অক্টোবৰলৈ শিশু ভাওনা প্ৰতিযোগিতা চলিব। ইচ্ছুক ভাওনা দলসমূহে ২৬ জুনৰ ভিতৰত উদযাপন সমিতিলৈ নাটকৰ পাণ্ডুলিপি জমা দিব লাগিব। অধিক তথ্যৰ বাবে ৯১০১৮৪৮৬৩১, ৬০০০৩০২৯০১, ৯৪০৮৮৬৯০৬৬, ৭৮৯৬১৬১৬৩ নম্বৰত যোগাযোগ কৰিবলৈ উদযাপন সমিতিৰ তৰফৰপৰা জনোৱা হৈছে।

# 'থুনলাই গাথৌন'ৰ ৫২ সংখ্যক কাৰ্যসূচীৰ সফল সমাপ্তি

**ই-সংবাদ, হাওৰাঘাট, ২৫ মে':** কাৰ্বি আংলঙৰ ডেনগাঁও কাউৰী পথাৰত আয়োজিত কে.এ.ডি বড়ো সাহিত্য সভাৰ সহকাৰী সম্পাদক চনিয়া বাগলাৰীৰ বাসগৃহত কাৰ্বি আংলং জিলা বড়ো সাহিত্য সভাৰ সৌজন্যত যোৱা দেওবাৰে এদিনীয়া কাৰ্য্যক্ৰণিকাৰে বড়ো সাহিত্য সভাৰ অধীনস্থ সাহিত্য চ'ৰাৰ ৫২ সংখ্যক কাৰ্যক্ৰমৰ লগত সংগতি ৰাখি বড়ো ভাষাত কবিতা পাঠৰ অনুষ্ঠানৰ সফল সামৰণি পৰে। কাৰ্বি আংলং জিলা বড়ো সাহিত্য সভাৰ সভাপতি তথা সাহিত্য অকাডেমি বঁটা প্ৰাপক অৰবিন্দ উজীৰৰ সভাপতিত্বত সভাখন অনুষ্ঠিত কৰা হয়। থুনলাই গাথৌন অৰ্থাৎ সাহিত্য চ'ৰাৰ এই কবিতা পাঠৰ অনুষ্ঠানটো উদ্বোধন কৰে কাৰ্বি আংলং জিলা বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শান্তিৰাম বসুমতাৰীয়ে। অনুষ্ঠানত কাৰ্বি আংলং জিলাখনৰ ১৬ গৰাকী বিশিষ্ট সাহিত্যিক, কবিসকলে বড়ো ভাষাৰ স্বৰচিত কবিতা পাঠ কৰা পৰিলক্ষিত দেখা যায় । ইয়াৰ সমান্তৰালকৈ বড়ো ভাষাত কবিতা পাঠ কৰা বিশিষ্ট কবিসকলৰ ভিতৰত ক্ৰমে - অৰবিন্দ উজিৰ, বিশ্বেশ্বৰ বসুমতাৰী, ঋতুৰাজ বসুমতাৰী, শান্তিৰাম বসুমতাৰী, থানেশ্বৰ গয়াৰী, মগেজ নাৰ্জা বড়ো, নিৰ্মল বসুমতাৰী, বাৰেন্দ্ৰ কুমাৰ বসুমতাৰী, কৃষ্ণমোহন বসুমতাৰী, ৰূপালী বসুমতাৰী, শিৱপ্ৰসাদ খাখলাৰী, ধৰ্মেন্দ্ৰ খাখলাৰী, আৰু চনিয়া বাগলাৰী,আদি অন্যতম।

# ডিব্ৰুগড় জিলাৰ লাহোৱালত বিক্ৰম-টেম্পো চালকৰ অতপালি

## আছু আৰু মটক যুৱ সন্মিলনৰ ব্যৱস্থা গ্ৰহণৰ দাবী

**ই-সংবাদ, ডিব্ৰুগড় ২৫ মে':** ডিব্ৰুগড় জিলাৰ লাহোৱালত সংঘটিত হৈছে এক অনাকাংক্ষিত লজ্জাজনক ঘটনা। অৰুণাচলপৰা লাহোৱাল মহাবিদ্যালয়ত পৰীক্ষা দিবলৈ অহা পৰীক্ষাৰ্থীৰ পৰা বিক্ৰম টেম্পো-চালকে অত্যধিক ভাড়া লোৱাৰ অভিযোগ উত্থাপন হোৱা লগতে য'ত ত'ত অনাহকত ঘূৰাই মেলি মহাবিদ্যালয়ত প্ৰৱেশ কৰা সময় পাৰ হৈ যোৱাত পৰীক্ষা দিবলৈ নাপালে শিক্ষাৰ্থীজনে। এই ঘটনাই লাহোৱালৰ সচেতন ৰাইজক লজ্জানত কৰা পাছতেই লাহোৱালত আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে সদৌ অসম মটক যুৱ সন্মিলনৰ লাহোৱাল আঞ্চলিক সমিতিয়ে এক সংবাদমেল যোগে লাহোৱালত টেম্পো, বিক্ৰম চালকৰ অতপালিৰ অভিযোগ কৰি শীঘ্ৰে ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰা বাবে আৰক্ষীক দাবী জনাইছে। তদুপৰি লাহোৱালত পৰীক্ষা কেন্দ্ৰলৈ অহা এগৰাকী অৰুণাচল পৰীক্ষাৰ্থীৰপৰা টেম্পো চালকে অত্যধিক ভাড়া লোৱাৰ অভিযোগক গৰিহণা জনাই এই সংবাদমেল সম্বোধন কৰে লাহোৱাল আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে মটক যুৱ ছাত্ৰ সন্মিলনে। টেম্পু চালক আৰু টেম্পোৰ গৰাকীক বিহিত ব্যৱস্থা ল'বলৈ লাহোৱাল আঞ্চলিক ছাত্ৰ সন্থাই আহ্বান জনায়। লাহোৱালত ছাত্ৰ সন্থাই জনোৱা মতে জেফিউদ্দিন আহমেদ নাম ব্যক্তিজনৰ AS06 AC 3877 টেম্পোখনৰ চালক ঋজু আহমেদ এই ঘটনা সংঘটিত কৰিছে। তদুপৰি লাহোৱাল আৰক্ষীৰ নিষ্ক্ৰিয় ভূমিকাৰ বাবেই লাহোৱালত দৈনিক অত্যধিক যান-জঁটৰ সৃষ্টি হৈছে। পূৰ্বতে এই সমস্যা সমাধান কৰিছিল যদিও বৰ্তমান লাহোৱাল থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনে এইক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰা নাই বুলি অভিযোগ কৰিছে। লাহোৱালত দৈনিক পথৰ দুয়োকাষে বাহন ৰখাই থোৱা ফলত সৰ্বসাধাৰণ লোকে যমৰ যতনা ভুগিবলগীয়া হৈছে। ইয়াৰ পাছতো আৰক্ষীৰ চকু কেতিয়া খোল খাব বুলি স্থানীয় ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে।

# ছিপাঝাৰৰ চেঙেলীয়াঝাৰত মন কী বাত আৰু তিৰংগা যাত্ৰা

**ই-সংবাদ, পশ্চিম দৰং, ২৫ মে':** ছিপাঝাৰৰ পাথৰিঘাট মণ্ডল বিজেপিৰ অন্তৰ্গত চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তৰ ১৪১ নং বুথৰ কুমাৰপাৰা গাঁৱত আজি অনুষ্ঠিত হয় প্ৰধানমন্ত্ৰী মন কী বাত অনুষ্ঠান। বুথ কমিটীৰ সভাপতি চামচুল হকে আঁতধৰা অনুষ্ঠানত প্ৰভাৱী হিচাপে উপস্থিত থাকি পঞ্চায়তখনৰ নৱ-নিৰ্বাচিত বিজেপি দলৰ আঞ্চলিক সদস্য মোস্তাক হুছেইনে প্ৰধানমন্ত্ৰী মন কী বাত অনুষ্ঠানৰ ওপৰত বিস্তৃত বক্তব্য আগবঢ়াই কয়-- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শক্তিশালী নেতৃত্বৰ বাবে দেশে আজি উন্নতি তথা প্ৰগতিৰ পথত আগবাঢ়ি যাব পাৰিছে আৰু আমি সকলোৱে প্ৰধানমন্ত্ৰীগৰাকীৰ হাত আৰু অধিক শক্তিশালী কৰি তুলিব লাগে। নিজৰ বক্তব্যত তিৰংগা প্ৰসংগত মোস্তাক হুছেইনে কয় যে যিসকল বীৰ সৈনিকে দেশক ৰক্ষাৰ বাবে অহৰ্নিশে লাগি আছে সেইসকল সৈনিক আমাৰ বাবে সাহস। সেইসকল বীৰ সৈনিকক সাহস, প্ৰেৰণা আৰু উৎসাহ দান কৰাৰ বাবে তিৰংগ পতাকা হাতত লৈ পদযাত্ৰা কৰা হয়। অনুষ্ঠানত কুমাৰপাৰাৰ ৱাৰ্ড সদস্য চম্পক শৰ্মাৰ লগতে বহুজনে বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ আগেয়ে বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত সৈনিক নীলাকান্ত ডেকাই।



ৰঙিয়াত অনুষ্ঠিত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ বিষয়বাচনি সভাত উপস্থিত বিষয়ববীয়াসকল

# তামাৰহাটত ইৰি ধানৰ খেতি কৰি কৃষকৰ হাহাকাৰ

**ই-সংবাদ, তামাৰহাট, ২৫ মে':** ইৰি ধানৰ খেতি কৰি হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে তামাৰহাটৰ কৃষকৰ মাজত। ধাননি পথাৰত ধানৰ পৰিৱৰ্তে কেৱল পতান। বহুত আশাৰে তামাৰহাটৰ কৃষকসকল বিঘাই বিঘাই ইৰি ধানৰ খেতি কৰিছিল। কিন্তু ধানৰ পৰিৱৰ্তে পতান দেখি বিপাণ্ডত পৰিছে কৃষকসকল। ধান চপোৱাৰ পৰিৱৰ্তে মূৰে-কপালে হাত দিব লগা হৈছে কৃষকসকল। তামাৰহাটৰ উজানপেটেলা, মধ্যপেটেলা, ভাটিপেটেলা, নাটাবাৰী, পূৰ্ণী, কাচখানা আদি গাঁৱৰ সহস্ৰাধিক কৃষকে কপালৰ ঘাম মাটিত পেলাইও সুফল নোপোৱাত চিন্তিত হৈ পৰিছে। দৰিদ্ৰ কৃষকসকলে ঋণ লৈ, ফাৰ্টিলাইজাৰ দোকানত বাকী কৰি লগতে নিজৰ গাঁঠিৰ ধন ভাঙি খেতি কৰি আজি মূৰে-কপালে হাত দিবলগীয়া হৈছে। পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে এইসকল কৃষকৰ। তামাৰহাট অঞ্চলৰ ইৰি ধানৰ খেতি কৰি মূৰে-কপালে হাত দিয়া কৃষকসকল অসমৰ মুখ্যমন্ত্ৰী, কৃষি মন্ত্ৰী তথা ধুবুৰী জিলা বিভাগীয় কৰ্তৃপক্ষক ক্ষতিপূৰণ দি উপকৃত কৰিবলৈ অনুৰোধ জনায়।

# গেলেকী প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠা দিৱস উদযাপনৰ প্ৰদানৰ প্ৰস্তুতি

**ই-সংবাদ, গেলেকী, ২৫ মে':** গেলেকীৰ সমাজ জীৱনৰ প্ৰতিটো দিশৰে সৰ্বাংগীন উন্নতিৰ বাবে অতন্দ্ৰপ্ৰহৰী হিচাপে কাম কৰি অহা গেলেকী প্ৰেছ ক্লাবে প্ৰতিষ্ঠা লাভ কৰা এটা বছৰ সম্পূৰ্ণ কৰিলে। যাৰবাবে অহা ৫ জুনত গেলেকী প্ৰেছ ক্লাবে প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস পালন কৰিবলৈ প্ৰস্তুতি চলাইছে। একেদিনাই এই দিৱসৰ লগত সংগতি ৰাখি বিশ্ব পৰিৱেশ দিৱস পালন আৰু গেলেকী ৰত্ন-২০২৫ বঁটা প্ৰদানৰো ব্যৱস্থা কৰিছে। এই বঁটা সোণাৰাম বৰুৱা, বিশিষ্ট সাহিত্যিক, প্ৰাক্তন অধ্যক্ষ ছহিদ পয়লি ফুকন মহাবিদ্যালয় নামটি আৰু সুৰেশ চেতিয়া, বিশিষ্ট সমাজকৰ্মী, শিক্ষাবিদ, প্ৰাক্তন অধ্যক্ষ গেলেকী কনিষ্ঠ মহাবিদ্যালয়লৈ আগবঢ়োৱা হৈছে। গেলেকী বদ্ৰীনাস মোডী উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত ৫ জুন তাৰিখে দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে এই অনুষ্ঠানৰ। কাৰ্যসূচী অনুসৰি পুৱা ৮ বজাত পতাকা উত্তোলন কৰিব প্ৰেছ ক্লাবৰ সভাপতি ৰাহিদ আলীয়ে, ৮.৩০ বজাত স্মৃতি তৰ্পণ কৰিব সম্পাদক হাফিজ আলীয়ে, ৯ বজাত বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। গছপুলি ৰোপক আব্দুল হেলিম, উপদেষ্টা গেলেকী প্ৰেছ ক্লাব, সহযোগী বাণীকান্ত গগৈ, কোষাধ্যক্ষ গেলেকী প্ৰেছ ক্লাব, মুজাম্মিল হক, উপদেষ্টা গেলেকী প্ৰেছ ক্লাব আৰু দিনৰ ১১ বজাত সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হ'ব। সাংস্কৃতিক অনুষ্ঠানৰ আঁতধৰিব গেলেকী প্ৰেছ ক্লাবৰ সাংস্কৃতিক সম্পাদিকা দিপালী ৰাধিকা দুৱাৰাই। অনুষ্ঠানটোত কেইবাগৰাকীও স্থানীয় অনাতাঁৰ শিল্পীয়ে গীত পৰিৱেশন কৰাৰ লগতে স্থানীয় কেইবাগৰাকীও ছাত্ৰীয়ে গীত পৰিৱেশন কৰিব। দিনৰ ১২ বজাত মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাৰ আলোচ্য বিষয় হ'ব সাংবাদিকতা আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ওপৰত। উক্ত সভাত আলোচক হিচাপে উপস্থিত থাকিব শিৱসাগৰৰ বিশিষ্ট লেখক চামচুল বাৰিক। দিনৰ ১.২০ বজাত গ্ৰন্থ উন্মোচন অনুষ্ঠান অনুষ্ঠিত হব য'ত স্থানীয় কবি ৰবীন বৰঠাকুৰৰ কাব্যগ্ৰন্থ অনুভূতিৰ একাঁজলি উন্মোচন কৰা হ'ব। উন্মোচক হিচাপে উপস্থিত থাকিব নাজিৰাৰ অসমীয়া প্ৰতিদিন কাকতৰ জ্যেষ্ঠ সাংবাদিক দিগন্ত বৰগোহাঁই। দিনৰ ২ বজাত গেলেকী ৰত্ন-২০২৫ বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হ'ব। শেষত জাতীয় সংগীত পৰিৱেশন আৰু সভা ভংগ কাৰ্যসূচী।

# ইমদাদ হুছেইনক গোৱালপাৰা জিলা আমছুৰ ভাৰপ্ৰাপ্ত সভাপতি নিযুক্তি

**ই-সংবাদ, শিমলীতোলা, ২৫ মে':** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ গোৱালপাৰা জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি হিচাপে ইমদাদ হুছেইনক দায়িত্ব অৰ্পণ কৰা হৈছে। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰেজাউল কৰিম সৰকাৰৰ নিৰ্দেশমৰ্মে সাধাৰণ সম্পাদকদ্বয় মিন্নাতুল ইছলাম আৰু কুদ্দুচ আলী সৰকাৰ স্বাক্ষৰিত এক নিযুক্তি-পত্ৰযোগে ইমদাদ হুছেইনক গোৱালপাৰা জিলা আমছুৰ ভাৰপ্ৰাপ্ত সভাপতি হিচাপে নিযুক্তি দিয়ে। উক্ত খবৰৰ পিছতে ইমদাদ হুছেইনৰ গৃহ পঞ্চায়তত শিমলীতোলা বজাৰ কমিটি প্ৰাঙ্গণত জিৰাৰাঙ্গা আঞ্চলিক আমছু , নৰাগত শিমলীতোলা আঞ্চলিক আমছুৰ লগতে নৰাগত শিমলীতোলা বজাৰ পৰিচালনা সমিতিৰ হৈ সভাপতি আলহাজ সাহজাহান আলীয়ে সম্বৰ্ধনা জ্ঞাপন কৰে।

## কলগাছিয়াত স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া

# বিজেপিলৈ বলাইপাথাৰ গাঁও পঞ্চায়তৰ ৫ নিৰ্দলীয় সদস্য

**ই-সংবাদ, কলগাছিয়া, ২৫ মে':** বৰপেটা জিলাৰ কলগাছিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত ৪১ নং বলাইপাথাৰ গাঁও পঞ্চায়তৰ সদ্য নিৰ্বাচিত ৫ গৰাকী ৱাৰ্ড সদস্যাই বিজেপি দলত যোগদান কৰাত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে, সদ্য সমাপ্ত পঞ্চায়ত নিৰ্বাচনত পঞ্চায়তৰ খণ্ড সদস্যৰ পদত নিৰ্দলীয় প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াই জয়ী হোৱা ৪ নং খণ্ডৰ আছমা খাতুন, ২ নং খণ্ডৰ লালমামুদ, ৩ নং খণ্ডৰ নাৰ্জিনা খাতুন, ৯ নং খণ্ডৰ কায়ুম আহমেদ আৰু ৭ নং খণ্ডৰ ৰুমি আখতাৰাই শুকুৰবাৰে বৰপেটা জিলা বিজেপিৰ কাৰ্যকালত আনুষ্ঠানিকভাৱে বিজেপি দলত যোগদান কৰে। স্মৰ্তব্য যে, ৩ নং খণ্ডৰ সদস্য নাৰ্জিনা খাতুনক ৪১ নং বলাইপাথাৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী নিৰ্বাচন কৰাৰ স্বাৰ্থত কিছুদিন ধৰি উক্ত সদস্যসকলে পলাই থকাৰ অন্তত শুকুৰবাৰে বিজেপিৰ বৰপেটা জিলা সভাপতি মহেন্দ্ৰ দাসৰ উপস্থিতত আনুষ্ঠানিকভাৱে বিজেপিত যোগদান কৰে। নিৰ্দলীয় প্ৰতিনিধি হৈ ভোটাৰ ৰাইজৰ অজ্ঞাতে বিজেপিলৈ গমন কৰাত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে যদিও এয়া বিজেপিৰ বাবে শুভ লক্ষণ বুলি অভিহিত কৰিছে জিলা সভাপতি মহেন্দ্ৰ দাসে। ইফালে, বলাইপাথাৰ গাঁও পঞ্চায়তৰ একাংশ ভোটাৰে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে, আমি ৰাইজৰ কাম কৰিবলৈ ভোট দিছিলো কিন্তু বিজেপিলৈ গৈ ধনৰ লোভত বিক্ৰী হ'বলৈ ভোট দিয়া নাই। সমষ্টিলৈ আহিলে উচিত শিক্ষা দিয়া হ'ব উক্ত প্ৰতিনিধিসকলক। ইপিনে, বিজেপিলৈ যোৱা ৱাৰ্ড সদস্যসকলক ঘৰলৈ উভতি আহাৰ আহ্বান জনাইছে ভোটাৰ ৰাইজে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# চি ই চিৰ উদ্যোগত নলবাৰীত কীৰ্তিমানক সম্বৰ্ধনা

**ই-সংবাদ, ২৫ মে':** অসমৰ অগ্ৰনী কম্পিউটাৰ প্ৰশিক্ষণ প্ৰতিষ্ঠান নলবাৰী কলেজ ৰোডত অৱস্থিত চি ই চি নলবাৰী শাখাৰ উদ্যোগত আজি জিলাখনৰ প্ৰায় ৪০গৰাকী কৃতিমানক সম্বৰ্ধনা জনোৱা হয়। চি ই চি নলবাৰী শাখাৰ প্ৰাংগনত অনুষ্ঠিত উক্ত সভাত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ সম্বৰ্ধনা সভাখনত গুৱাহাটীৰ চি ই চি মুখ্য প্ৰতিস্থাপক সভাপতি দীপাংক দত্ত, নলবাৰী মহাবিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষ দীপক কুমাৰ কলিতা, অধ্যাপিকা ড: দেৱাশ্ৰী তামুলী, নলবাৰী ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা শেৱালি কলিতা, বানেকুছিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰতাপ চন্দ্ৰ পাটোৱাৰী, সহ: শিক্ষক, অজিত ডেকা, বালা ভৱন বিদ্যাপীঠ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰহ্লাদ দাস, মহেন্দ্ৰ নাৰায়ণ বালিকা বিদ্যাপীঠৰ সহ: শিক্ষক ডেইজী ডেকা, টিহু আৰু পাঠশালা চি ই চি চেন্টাৰৰ অধ্যক্ষ পংকজ পাঠক, মিলন এই স্কুলৰ সহ শিক্ষক, ৰীণা দাসৰ লগতে কেবাগৰাকীও বিশিষ্ট ব্যক্তিৰ লগতে অভিভাৱক আৰু অভিভাৱকৰ সকল উপস্থিত থাকে। অনুষ্ঠানটোৰ আঁত ধৰে নলবাৰী চি ই চিৰ নলবাৰী শাখাৰ অধ্যক্ষ বিজিতা ডেকাই।

# বৰপেটাৰোডৰ ১০ নং ৱাৰ্ডত ত্ৰিৰংগা যাত্ৰা

**ই-সংবাদ, বৰপেটাৰোড, ২৫ মে':** বৰপেটাৰোড ৰাইজৰ উদ্যোগত পৌৰসভাৰ ১০ৱাৰ্ডৰ ৰাইজৰ সহযোগত উলিয়া হয় এক বিশাল ত্ৰিৰংগা যাত্ৰা।বৰপেটাৰোডৰ প্ৰতিটো ৱাৰ্ডৰ পৰাই আজি সুকীয়া সুকীয়া কৈ উলিয়া হয় ত্ৰিৰংগা যাত্ৰা।বৰপেটাৰোডৰ চহৰৰ ১০টা ৱাৰ্ডত ১২০ফুট দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় পতাকালৈ মিঠাই বিতৰণ কৰি এই বিজয় উৎসৱ উদযাপন কৰে। পাকিস্তানী সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ভাৰতীয় সেনা বাহিনীয়ে চলোৱা 'অপাৰেচন সিন্দুৰ' অভিযানৰ সফলতাৰ লগতে ভাৰতীয় সৈন্যবল আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্মাণয়ক নেতৃত্বত ধন্যবাদ জ্ঞাপনাৰ্থে বৰপেটাৰোডৰ ৰাইজৰ উদ্যোগত ১০ ৱাৰ্ডৰ ৰাইজৰ সহযোগত ত্ৰিৰংগা যাত্ৰা উলিওৱা হয়। এই ত্ৰিৰংগা যাত্ৰা বৰপেটাৰোডৰ ১০টা ৱাৰ্ডৰ প্ৰতিটো ৱাৰ্ডতেই উলিওৱা সুকীয়া সুকীয়া কৈ উলিয়া হয় এই ত্ৰিৰংগা যাত্ৰা। ১০ টা ৱাৰ্ডৰ প্ৰতিটো ৱাৰ্ডৰ কেবা শতাধিক ৰাইজে হাতে হাতে জাতীয় পতাকা লৈ ভাৰতীয় সৈনিক জিন্দাবাদ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী জিন্দাবাদ আদি শ্লোগানৰে মুখৰ হৈ পৰে চহৰ।

# ৰঙিয়াত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সম্মিলনৰ স্থগিত বিষয় বাছনি সভা

**ই-সংবাদ, ৰঙিয়া, ২৫ মে':** সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সম্মিলনৰ স্থগিত বিষয় বাছনি সভা আজি ৰঙিয়াৰ তৰণীত সফলতাৰে অনুষ্ঠিত কৰা হয়। তিনিদিনীয়াকৈ সদ্য অনুষ্ঠিত ষষ্ঠদশ দ্বি-বাৰ্ষিক ৰঙিয়া অধিৱেশনৰ লগত সংগতি ৰাখি যোৱা ২২ মাৰ্চত অনুষ্ঠিত কৰা বিষয় বাছনি সভাখন পৰৱৰ্তী সময়লৈ স্থগিত ৰখাৰ পৰিপ্ৰেক্ষিতত আজি অনুষ্ঠিত কৰা হয়। স্থানীয় বৈদ্যগড় হাইস্কুল প্ৰাংগণত সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ বিদায়ী তথা উক্ত দিনাৰ বিষয় বাচনি সভাৰ সভাপতি ডাঃ ৰমেন কুমাৰ কাকতিৰ সভাপতিত্বত অনুষ্ঠিত সভাত ধুবুৰী ,তিনিচুকীয়া ,কামৰূপ মহানগৰ ,কামৰূপ ,বজালী ,ওদালগুৰি ,নলবাৰীকে ধৰি ১৩ খন জিলাৰ প্ৰতিনিধি আৰু বিষয়ববীয়া উপস্থিতিত তথা আন চাৰিখনকৈ জিলাৰ বিষয়ববীয়া অনিবাৰ্য কাৰণবশত অনুপস্থিত থাকে যদিও সংগঠনটোৰ ভেটি সুদৃঢ় কৰাৰ ক্ষেত্ৰত সন্মতি সূচক মন্তব্য ৰাখে । ইফালে ভোজন বিৰতিৰ অন্তত বিয়লিৰ ভাগত অনুষ্ঠিত কৰা বিষয়বাচনী সভা যোগে আগন্তুকদ্বি বাৰ্ষিক কাৰ্যকালৰ বাবে ধৰণী শইকীয়াক সভাপতি ,প্ৰতুল কলিতাক কাৰ্যকৰী সভাপতি , কৃষ্ণ ঠাকুৰীয়া,সমীৰ হাজৰিকা ,দীপক কলিতা ,নগেন্দ্ৰ নাথ ভূঞা ,আৰু দ্বীপেন দাসক উপ সভাপতি তথা মনোজ কুমাৰ লহকৰক সাধাৰণ সম্পাদক হিচাবে নিৰ্বাচিত কৰা হয়। তেনেদৰে ,নিতুল ডেকা ,মন্তেশ্বৰকলিতা, ধ্ৰুৱ কুমাৰ দাসক সম্পাদক আৰু মৃনাল দত্ত , মাধৱ কলিতা,লিটন কলিতা আৰু পংকজ ডেকাক সহকাৰী সম্পাদক পদত সৰ্বসন্মতি ক্ৰমে দায়িত্ব ভাৰ অৰ্পণ কৰা হয়। আগন্তক দিনৰ বাবে সংগঠনটোৰ সংবিধান সংশোধন কৰাৰ বাবে সাতজনীয়া সমিতি গঠন , প্ৰাক্তন সম্পাদক নয়ন কলিতাৰ পৰা সংগঠনটোৰ নথি পত্ৰ নৱনিৰ্বাচিত সমিতিলৈ হস্তান্তৰ কৰণকে ধৰি আন কেবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ডাঃৰমেন কুমাৰ কাকতীয়ে সভাপতি ৰ ভাষণ প্ৰসঙ্গত ৰাজ্যৰ প্ৰাচীন বৃহৎ জনগোষ্ঠী কলিতা সকলৰ ৰাজনৈতিক ,শৈক্ষিক তথা সামাজিক ভাবে সুৰক্ষাৰ ক্ষেত্ৰত নৱনিৰ্বাচিত সমিতিখন শক্তিশালী মঞ্চ হৈ ৰোৱাৰ আশা প্ৰকাশ কৰে । সামৰণিত অনুপ কুমাৰ ডেকাই আগবঢ়োৱা শলাগ শৰাইৰে সভাৰ পৰিসমাপ্তি ঘটে।

# মাকুমত প্ৰজেক্ট অইল 'জিজ্ঞাসা' ৰ উদ্যোগত বিজ্ঞান সমাৰোহ

**ই-সংবাদ ব্যুৰ, তিনিচুকীয়া, ২৫ মে' :** অইল ইণ্ডিয়া লিমিটেডৰ চি এচ আৰ প্ৰকল্পৰ অধীনত চলি থকা অইল জিজ্ঞাসা প্ৰজেক্টৰ এখন বিজ্ঞান মেলা আজি উদ্যোগ নগৰী মাকুমৰ বনমালী শইকীয়া ভৱনত অনুষ্ঠিত হ'য়। অনুষ্ঠানটোৰ উদ্বোধন কৰে ৰাষ্ট্ৰপতি বঁটাপ্ৰাপক বিজ্ঞানী তথা বিশিষ্ট উদ্ভাৱক সুৰেন বৰুৱাই। অইল জিজ্ঞাসা প্ৰকল্পৰ তিনিচুকীয়া জিলাৰ সমন্বয়ক গৌতম বৰুৱাই আঁত ধৰা সভাখননত বিশিষ্ট সমাজকৰ্মী তথা প্ৰাক্তন সাংবাদিক জীতেন শৰ্মা, পৰিৱেশবিদ ৰুবুল শ্বাহ, মাকুম পৌৰসভাৰ কাৰ্যবাহী বিষয়া ৰক্তিম গগৈ, মাকুম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ উৎপল দত্তকে প্ৰমুখ্য কৰি বহুকেইজন গণ্য মান্য লোক উপস্থিত থাকে। এই অনুষ্ঠানত তিনিচুকীয়া জিলাৰ ৮খন বিদ্যালয়ৰ প্ৰায় ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰাৰ লগতে অইল জিজ্ঞাসা প্ৰকল্পৰ দ্বাৰা অনুপ্ৰাণিত হৈ নিজে তৈয়াৰ কৰা ২০ টাতকৈও অধিক বিজ্ঞান প্ৰকল্প প্ৰদৰ্শন কৰে। উল্লেখ্য যে, অইল ইণ্ডিয়া লিমিটেডৰ উদ্যোগত, অইল ইণ্ডিয়া ৰুৰেল ডেভেলপমেন্ট ছ'ছাইটিৰ সহযোগত আৰু ছাইল্ড ৰাইটছ এণ্ড ইউ নামৰ বেচৰকাৰী সংস্থাৰ তত্ত্বাৱধানত তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ আৰু শিৱসাগৰ জিলাত প্ৰথম পৰ্যায়ৰ অইল জিজ্ঞাসা প্ৰকল্পৰ কাম আৰম্ভ কৰা হৈছে বুলি উদ্যোক্তাসকলে সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে।

# চেলেংহাটত শিশু ভাওনা প্ৰতিযোগিতা

**ই-সংবাদ, মৰিয়নি, ২৫ মে':** যোৰহাট জিলাৰ চেলেংহাট টেঙাবাৰী গাঁৱত শিশু ভাওনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। টেঙাবাৰী গাঁৱৰ গুৰুগৃহত আয়োজন কৰা গুৰুজনাৰ জন্মোৎসৱ "ভাগি"ৰ ৫০ বছৰ পূৰ্তি উপলক্ষে এই শিশু ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। গুৰুজনাৰ জন্মোৎসৱ ভাগিৰ সোণালী জয়ন্তী বৰ্ষৰ অংশ হিচাপে ইংৰাজী ২৭ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ শিশু ভাওনা প্ৰতিযোগিতা চলিব। ইচ্ছুক ভাওনা দলসমূহে ২৬ জুনৰ ভিতৰত উদযাপন সমিতিলৈ নাটকৰ পাণ্ডুলিপি জমা দিব লাগিব। অধিক তথ্যৰ বাবে মোবাইল নম্বৰ ৯১০১৮৪৮৬৩১, ৬০০০৩০২৯০১, ৯৪০৮৮৬৯০৬৬, ৭৮৯৬১৬১৬৩ যোগাযোগ কৰিবলৈ উদযাপন সমিতিৰ তৰফৰ পৰা জনোৱা হৈছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# চেনাইৰামত অসম আৰ্ট এণ্ড কালচাৰেল অৰ্গেনাইজেচনৰ চিত্ৰাংকণৰ টেলেণ্ট চাৰ্চ প্ৰতিযোগিতা

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৫ মে' :** অসম আৰ্ট এণ্ড কালচাৰেল অৰ্গেনাইজেচনৰ অধীনত তিনিচুকীয়াৰ ঐতিহ্যমণ্ডিত চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বৰ্ডিং খেলপথাৰৰ ছাত্ৰাবাসত যোৱা বছৰৰ পৰা আৰম্ভ কৰা এনক্ৰাফ্‌ট একাডেমীৰ উদ্যোগত আজি চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত টেলেণ্ট চাৰ্চৰ এখনি চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হ'য়। উল্লেখ্য যে, এনক্ৰাফ্‌ট একাডেমীত ছাত্ৰ-ছাত্ৰীসকলক চিত্ৰাংকণ আৰু হস্তশিল্পৰ শিক্ষা প্ৰদান কৰা হ'য়। একাডেমীখন পৰিচালনা কৰিছে চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহঃ শিক্ষয়িত্ৰী মালবিকা গগৈ কাকতিয়ে। আজিৰ প্ৰতিযোগিতাত তিনিচুকীয়াৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ৬০ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে ।এনক্ৰাফ্‌ট একাডেমীৰ অধ্যক্ষ মালবিকা গগৈ কাকতিয়ে জনোৱা মতে, এই প্ৰতিযোগিতা তিনিটা শাখাত অনুষ্ঠিত হ'য়। ছাত্ৰ-ছাত্ৰীসকলক চিত্ৰাংকণ আৰু হস্তশিল্পৰ প্ৰতি আকৰ্ষিত কৰি তোলাৰ উদ্দেশ্যেই এই শিক্ষানুষ্ঠানখন আৰম্ভ কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। অধ্যক্ষগৰাকীয়ে আজিৰ অনুষ্ঠানতেই যোৱা বছৰ পুৰস্কাৰপ্ৰাপ্ত প্ৰতিযোগীসকলৰ অভিভাৱকক আনুষ্ঠানিকভাৱে মানপত্ৰসহ পুৰস্কাৰ বিতৰণ কৰে।

# বগৰীবাৰীত বিজেপিৰ উদ্যোগত ত্ৰিৰংগা যাত্ৰা অনুষ্ঠিত

**ই-সংবাদ, পৰ্বতঝোৰা, ২৫ মে':** শেহতীয়াকৈ বিটিআৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত মহামায়া ভিচিডিচিৰ এলেকাধীন বগৰীবাৰীত আজি বিজেপি দলৰ উদ্যোগত ত্ৰিৰংগা যাত্ৰা অনুষ্ঠিত হয়। আজি দিনৰ ভাগত মহামায়া ভিচিডিচিৰ অন্তৰ্গত ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে প্ৰায় ৫ শতাধিক পুৰুষ-মহিলাই এক বিশাল ত্ৰিৰংগা যাত্ৰা উলিয়াই ভাৰত মাতাৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। আজিৰ এই ত্ৰিৰংগা যাত্ৰাত পৰ্বতঝোৰা মণ্ডল বিজেপিৰ নাৰায়ণ পাল, অসম সংখ্যালঘু উন্নয়ন বোৰ্ডৰ সদস্য সাহজাহান আলী আহমেদৰ লগতে ভালে সংখ্যক সমৰ্থক কৰ্মকৰ্তাৰ লগতে বগৰীবাৰী অঞ্চলৰ বুথ পৰ্য্যায়ৰ দলীয় কৰ্মকৰ্তা আৰু দলীয় সমৰ্থকসকলে ভাৰত মাতা কী জয়, প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী জিন্দাবাদ, ভাৰতৰ বীৰ সৈনিকসকল জিন্দাবাদ, পাকিস্থান সমৰ্থিত সন্ত্ৰাসবাদী মূৰ্দাবাদ, সন্ত্ৰাসবাদ সমৰ্থন কৰা পাকিস্থান নিপাত যাওঁক আদি বিভিন্ন শ্লোগানেৰ অঞ্চলটোৰ আকাশ বতাহ উত্তাল কৰি বগৰীবাৰী অঞ্চলৰ বিভিন্ন বাট পথ পৰিভ্ৰমন কৰে। আজিৰ ত্ৰিৰংগা যাত্ৰাৰ কাৰ্যসূচীত ভাৰতৰ যশস্বী প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত ৰাষ্ট্ৰৰ প্ৰতি থকা প্ৰেম আৰু ৰাষ্ট্ৰ ভক্তিৰ শলাগ লয়।

# গুৱাহাটী আইআইটিলৈ নিৰ্বাচিত প্ৰিয়পলক মৰিয়নি মহাবিদ্যালয়ৰ সম্বৰ্ধনা

**ই-সংবাদ, মৰিয়নি, ২৫ মে':** মৰিয়নি মহাবিদ্যালয়ৰ মেধাবী আৰু বিশেষভাৱে সক্ষম ছাত্ৰ প্ৰিয়পল সন্দিকৈক গুৱাহাটীৰ আইআইটিত বিএচি ডাটা ছায়েন্স এণ্ড আৰ্টিফিচিয়েল ইন্টেলিজেন্স বিভাগত অধ্যয়ন কৰাৰ সুযোগ লাভ কৰাৰ বাবে মৰিয়নি মহাবিদ্যালয়ৰ তৰফৰ পৰা এক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধনা সভাৰ আঁত ধৰে অধ্যাপক ড০ ভাস্কৰ বুঢ়াগোঁহাইয়ে। সভাত উপস্থিত থাকে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ হৰেন গোৱালা, উপ-অধীক্ষক লাচিত গগৈ, অধ্যাপক জগত গগৈ, প্ৰাণ প্ৰিয় ৰাজখোৱা, প্ৰিয়পলৰ পিতৃ পুলিন সন্দিক, মহাবিদ্যালয়ৰ কৰ্মচাৰী ৰতন সিং লগতে বিজ্ঞান শাখাৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকল। সম্বৰ্ধনা গ্ৰহণ কৰি প্ৰিয়পলে "অধ্যায়" নামৰ স্বেচ্ছাসেৱী সংগঠনৰ "লুইত ফেল" আঁচনিৰ জৰিয়তে তেওঁ পোৱা সহায়ৰ কথা উল্লেখ কৰি সংগঠনটোক কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে, তেওঁ অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু বিধায়ক ৰূপজ্যোতি কুৰ্মীৰো ধন্যবাদ জ্ঞাপন কৰে। প্ৰিয়পল বৰ্তমান মৰিয়নি মহাবিদ্যালয়ত পদাৰ্থ বিজ্ঞানক সন্মানীয় বিষয় হিচাপে লৈ চতুৰ্থ ষান্মাসিকত অধ্যয়ন কৰি আছে। তেওঁ জন্মৰ তিনিবছৰ বয়সৰ পৰাই জিন-সম্পৰ্কীয় ৰোগত আক্ৰান্ত হৈ শাৰীৰিক প্ৰতিবন্ধকতাৰ সন্মুখীন হ'বলগীয়াত পৰে আৰু হুইলচেয়াৰ ব্যৱহাৰ কৰিবলৈ বাধ্য হয়। তেওঁৰ এই অসীম মানসিক দৃঢ়তা আৰু মেধাৰ জোৰেৰে আইআইটি গুৱাহাটীলৈ নিৰ্বাচিত হোৱাত মৰিয়নিৰ লোকসকলে গৰ্বিত অনুভৱ কৰিছে।

# নাহৰকটীয়া মহকুমা চিকিৎসালয়ত আল্‌ট্ৰাছ'নোগ্ৰাফী সুবিধা

**ই-সংবাদ, ডিব্ৰুগড়, ২৫ মে' :** ডিব্ৰুগড় জিলাৰ বৃহত্তৰ নাহৰকটীয়া অঞ্চলৰ ৰোগীসকলৰ এক দীৰ্ঘদিনীয়া সমস্যা সমাধান স্বৰূপে ২৪ মে'ত নাহৰকটীয়াৰ মহকুমা চিকিৎসালয়ত আল্‌ট্ৰাছ'নোগ্ৰাফী সুবিধাৰ শুভউদ্বোধন কৰা হয়। নাহৰকটীয়াৰ বিধায়ক তৰঙ্গ গগৈৰ প্ৰচেষ্টাৰ ফলত সম্ভৱ হৈ উঠা এই নতুন সুবিধাৰ দ্বাৰা অঞ্চলটোৰ ৰোগীসকল, বিশেষকৈ গৰ্ভৱতী মহিলাসকলে বহুখিনি লাভৱান হ'ব, কিয়নো তেওঁলোকে এতিয়া বহু দূৰ যাত্ৰা নকৰাকৈয়ে প্ৰসৱৰ পূৰ্বে প্ৰয়োজনীয় যত্ন আৰু নিৰীক্ষণ লাভ কৰিব পাৰিব। চিকিৎসালয়ৰ অধীক্ষক ডাঃ বিশ্বজিৎ বৰুৱাই আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে এই কাৰ্যসূচীত বক্তব্য প্ৰদান কৰি অধীক্ষক গৰাকীয়ে চিকিৎসালয় খনত এই সুবিধা প্ৰদান কৰাৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু স্থানীয় বিধায়ক তৰঙ্গ গগৈক কৃতজ্ঞতা প্ৰকাশ কৰে। উল্লেখযোগ্য যে চিকিৎসালয়খনত স্থায়ী ৰেডিঅ'লজিষ্ট নিযুক্তি নোপোৱালৈকে ব্যক্তিগত ছ'ন'লজিষ্ট ডাঃ অজয় বৰুৱাই সেৱা আগবঢ়াব লগীয়া এই আল্‌ট্ৰাছ'নোগ্ৰাফী সুবিধা উদ্বোধন অনুষ্ঠানত চিকিৎসালয় খনৰ উপ অধীক্ষক ডাঃ মনজিৎ বৰগোঁহাই, চাও প্ৰণৱ পানয়ক আদিৰ উপৰি অন্যান্য চিকিৎসা কৰ্মী আৰু আশা কৰ্মী সকল উপস্থিত থাকে।

# কালডোবাত অনলাইন ডেলিভাৰী পেকেটত খেলনা পিষ্টল

**ই-সংবাদ, গোলকগঞ্জ, ২৫ মে' :** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত কালডোৱা তিনিআলিত আজি দুপৰীয়া বিএছএফে অতৰ্কিতে অভিযান চলাই এজন অনলাইন ডেলিভাৰী বয়ৰ পৰা এটা শক্তিশালী পুতুলা পিষ্টল উদ্ধাৰ কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, অসাধু চক্ৰই চোৰাং সামগ্ৰী সৰবৰাহৰ বাবে বৰ্তমান অনলাইন ডেলিভাৰীক লক্ষ্য হিচাপে বাছি লৈছে। বিভিন্ন সময়ত অনলাইন ডেলিভাৰী পেকেটত ড্ৰাগছ উদ্ধাৰ হৈ থকাৰ লগতে শেহতীয়াকৈ পেহেলগামত পাকিস্তানী সন্ত্ৰাসবাদীয়ে চলোৱা নৰসংহাৰত বিস্ফোৰক সমূহ অনলাইন ডেলিভাৰী যোগে জমা কৰা হৈছিল বুলি এক তথ্যত প্ৰকাশ পাইছে। তাৰ পিছতে অনলাইন ডেলিভাৰী সন্দৰ্ভত তৎপৰ হৈ উঠিছে সেনা অৰ্ধ সামৰিক বাহিনী। বিএছএফৰ চোৰাংচোৰাই লাভ কৰা গোপন তথ্যৰ ভিত্তিত সত্ৰশালৰ পৰা বিএছএফৰ এটা বিশাল বাহিনী কালডোৱাত উপস্থিত হৈ এজন অনলাইন ডেলিভাৰী বয়ক আটক কৰে। আটকাধীন আগমনি থানাৰ তল্লী প্ৰথম খণ্ড গাঁৱৰ শৈলেন ৰায়ৰ পুত্ৰ পৰিমল ৰায়(৩০)। বিএছএফে আগমনি থানাত খবৰ দিয়াত আৰক্ষীক আহি ঘটনাস্থলীত উপস্থিত হয়। কালডোৱা তিনিআলিত এক শ্বাসৰুদ্ধকৰ পৰিস্থিতিৰ সৃষ্টি হয়। আৰক্ষী বিএছএফৰে ভৰি পৰে। আৰক্ষী আৰু স্থানীয় ৰাইজৰ উপস্থিতিত ডেলিভাৰী মোনাৰ পৰা খেৰবাৰী চতুৰ্থ খণ্ড গাঁৱৰ দীপংকৰ ৰায়ে অৰ্ডাৰ কৰা পেকেটটো খোলাত এটা খেলনা পিস্তল উদ্ধাৰ হয়। পিস্তলটোত টয় (খেলনা) বুলি লিখা আছে যদিও যথেষ্ট শক্তিশালী। নাইন এমএম পিষ্টল বুলি লিখা থকা পিষ্টলটোৰ ওজনৰ লগতে দেখাত সাইলাখ আচল নাইন এম এম পিষ্টলৰ নিচিনা। পিষ্টলটোৰ লগতে চল্লিশটা গুলী উদ্ধাৰ হয়। খেলনা পিষ্টল হ'লেও ওচৰৰ পৰা গুলী লাগিলে অঘটন হোৱাৰ সম্ভাৱনা নস্যাৎ কৰা নাই বিএছএফৰ উৰ্ধ্বতন বিষয়া।

# তিনিচুকীয়াত মৰাণ ছাত্ৰ সন্থাৰ শৈক্ষিক বঁটা প্ৰদান আৰু অভিনন্দন অনুষ্ঠান

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৫ মে' :** সদৌ মৰাণ ছাত্ৰ সন্থাৰ উদ্যোগত তথা সন্থাৰ শৈক্ষিক ন্যাসৰ সহযোগত আজি তিনিচুকীয়া মহাবিদ্যালয়ৰ সভাগৃহত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মৰাণ জনগোষ্ঠীৰ ৮০ শতাংশ বা ততোধিক নম্বৰপ্ৰাপ্ত কৃতিমানসকলক অভিনন্দন জনোৱাৰ উদ্দেশ্যে এক অনুষ্ঠান অনুষ্ঠিত হ'য়। সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বড়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত তিনিচুকীয়া বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চৈতন্য বৰা সমল ব্যক্তি হিচাপে উপস্থিত থকাৰ লগতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে তিনিচুকীয়া জিলাৰ উন্নয়ন আয়ুক্ত পবিত্ৰ কুমাৰ দাস। সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জয়কান্ত মৰাণে আঁত ধৰা অনুষ্ঠানত মৰাণ শৈক্ষিক ন্যাসৰ সভাপতি দ্বীপন মৰাণ, সংগঠনটোৰ উপদেষ্টা টিলেন্দ্ৰজিৎ গোহাঁই, থুলেশ্বৰ চেতিয়া, মৰাণ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্য্যবাহী সদস্য (চি ই চি) অৰুণজ্যোতি মৰাণকে প্ৰমুখ্যে কৰি বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উক্ত অনুষ্ঠানত কৃতিমানসকলক সম্বৰ্ধনা জনোৱাৰ লগতে ভালেকেইগৰাকী ছাত্ৰ-ছাত্ৰীলৈ ২০২৫ বৰ্ষৰ শৈক্ষিক বঁটাসমূহ প্ৰদান কৰা হয়। সেই অনুসৰি, ডুমডুমা ড'নবস্ক হাইস্কুলৰ ছাত্ৰী দিব্যাঙ্গনা কোঁৱৰ (মুঠ নম্বৰ - ৫৭৫, ৯৫.৮৩%) ক ৰবীন মৰাণ শৈক্ষিক বঁটা, ড'নবস্ক হাইস্কুল ডুমডুমাৰ ছাত্ৰ পদ্মজ্যোতি মৰাণ (মুঠ নম্বৰ - ৫৬৭, ৯৪.৫%) ক শ্ৰী শ্ৰী লিহিং চন্দ্ৰ মহন্ত শৈক্ষিক বঁটা, তিনিচুকীয়া বাডিং বাৰ্ডছ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰী প্ৰিয়ম প্ৰিয়া ফুকন (মুঠ নম্বৰ - ৪৮৩, ৯৬.৬%) ক মোহন শইকীয়া শৈক্ষিক বঁটা, লাহোৱাল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰী লিপি মৰাণ (মুঠ নম্বৰ - ৪৬৯, ৯৩.৮%) ক ভুবন চুতীয়া শৈক্ষিক বঁটা, কাকপথাৰৰ পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ ছাত্ৰী গায়ত্ৰী মৰাণ (মুঠ নম্বৰ - ৪৬২, ৯২.৮%) ক ঘনকান্ত মৰাণ শৈক্ষিক বঁটা আৰু ডিগবৈৰ দিল্লী পাব্লিক স্কুলৰ ছাত্ৰী কৃতিকা বড়া (মুঠ নম্বৰ - ৪৮৭, ৯৩.৪%) ক ফটিক চন্দ্ৰ বৰুৱা শৈক্ষিক বঁটা প্ৰদান কৰা হয়।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# দৰঙৰ ১২টা মণ্ডল বুথত মন কী বাত, ত্ৰিৰংগা যাত্ৰা সম্পন্ন



**ই-সংবাদ, দুনী, ২৫ মে':** দেশৰ প্ৰধানসেৱক মোদীৰ নেতৃত্ব অব্যাহত ৰাখি দেশক বিশ্বগুৰুৰ মৰ্যাদা প্ৰদান আৰু ভাৰতীয় সেনাৰ ৰৌদ্ৰৰূপ কামনাৰে আজি দৰঙত মনকী বাতৰ সমান্তৰালভাৱে চলিল বিশেষ যজ্ঞানুষ্ঠান। উল্লেখ্য যে, মোডীৰ ১২২ সংখ্যক মনকী বাত কাৰ্যসূচী দৰঙৰ ১২টা মণ্ডলৰ ৮শতাধিক বুথত ঐক্যবদ্ধভাৱে শুনাৰ লগতে বুথে বুথে ত্ৰিৰংগা যাত্ৰা উলিওৱা হয়। এই ৮ শতাধিক বুথৰ মাজৰে পশ্চিম মঙলদৈৰ ১০১ সংখ্যক বুথত মনকী বাত, ত্ৰিৰংগা যাত্ৰাৰ সমান্তৰালভাৱে আয়োজিত হয় যজ্ঞ। বিগত ৩ দশক জুৰি বিজেপিৰ আপোচবিহীন ঘাটি হিচাবে পৰিচিত বুথটোৰ নিজডাঁহীৰ হনুমান মন্দিৰৰ সমীপৰ বাবুল শৰ্মাৰ বাসগৃহত যজ্ঞৰ আয়োজন কৰা হয়। নিজডাঁহীবাসী ৰাইজে মোডীৰ নেতৃত্বত ভাৰতে পাকিস্তানক ককাল বেকা কৰি দিয়াৰ উল্লাসৰ আৰত মোডীৰ অবিস্মৰণীয় নেতৃত্ব কৃতিত্ব দি মোডীৰ দীৰ্ঘায়ু আৰু ভাৰতীয় সেনাৰ প্ৰৱল প্ৰতাপী শক্তি অটুট কামনা কৰে যজ্ঞত। বাৰাণসীত বৈদিক শিক্ষা গ্ৰহণ কৰা পুৰোহিত হৰিহৰ দেৱ শৰ্মাই এই যজ্ঞানুষ্ঠান সম্পাদন কৰে। স্হানীয় বুথৰ সভাপতি হৃষিকেশ শৰ্মাৰ পৰিচালনা আৰু মণ্ডল সভাপতি জগদীশডেকাৰ তৎপৰতাত কাৰ্যসূচীয়ে অনন্য মাত্ৰা লাভ কৰে। লক্ষনীয় যে, দৰং জিলাৰ ১২টা মণ্ডলৰ ৮০৭ টা বুথত আজি মনকী বাত লাইভ সম্প্ৰচাৰ কৰি মোডীৰ ভাষণ শ্ৰৱণ কৰে। জিলা বিজেপিৰ সভাপতি মকুন্দ ডেকাই সদৰি কৰা মতে পূব মঙলদৈৰ ৫৫ টা বুথত, পশ্চিম মঙলদৈৰ ৯০টা, মঙলদৈ নগৰৰ ৫৫টা, খাৰুপেটীয়া মণ্ডলৰ ৪৩টা বুথত মনকী বাত লাইভ শুনিয়েই ত্ৰিৰংগা যাত্ৰা কৰে। ইয়াৰে মীন উন্নয়ণ নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসে নিজ বুথত মনকী বাত শ্ৰৱণ কৰিয়েই বিশাল ত্ৰিৰংগা যাত্ৰা উলিয়ায়। ইপিনে, ছিপাঝাৰ সমষ্টিৰ ছিপাঝাৰ মণ্ডলৰ ৭৬ বুথ, পাথৰিঘাট মণ্ডলৰ ৮৮টা, দেওমৰনৈ মণ্ডলৰ ৬৪টা, গণেশ কুৱৰী মণ্ডলৰ ৬০টা বুথত দুয়োটা কাৰ্যসূচী সুকলমে সম্পন্ন হয়। জিলা খনৰ দলগাওঁ সমষ্টিৰ দলগাওঁ মণ্ডলৰ ৭৭টা, টাংনীৰ ৫১টা, দৈপামৰ ৬৯ আৰু কৌপাটী মণ্ডলৰ ৭৯টা বুথতো মনকী বাত আৰু ত্ৰিৰংগা যাত্ৰা সম্পন্ন হয়। স্বাভাৱিকতে জিলা খনৰ গঞ্জাই নিজৰ গাঠিৰ ধন ভাঙি নিজডাঁহীত যজ্ঞ সম্পাদনৰ ব্যতিক্ৰমী উদযাপনে মোডীৰ শ্ৰদ্ধা বিশ্বাসৰ প্ৰমাণ দিয়া পৰিলক্ষিত হয়।

# ৰঙিয়াত কামৰূপ জিলা লেখিকা সমাজৰ 'ৰঙে ৰূপে আবেলিৰ অনুৰণন'

**ই-সংবাদ, ৰঙিয়া, ২৫ মে':** ৰঙিয়াত অসম লেখিকা সমাজৰ অন্তৰ্গত কামৰূপ জিলা লেখিকা সমাজৰ উদ্যোগত ৰঙে ৰূপে আবেলিৰ অনুৰণন শীৰ্ষক বিচিত্ৰানুষ্ঠান শনিবাৰে অনুষ্ঠিত কৰা হয়। সমাজৰ সকলো শ্ৰেণীৰ মহিলাকে স্ব প্ৰতিভাৰে বিকশিত কৰাবলৈ অহৰহ চেষ্টা কৰি থকা কামৰূপ জিলা লেখিকা সমাজৰ উদ্যোগত অনুষ্ঠিত বিচিত্ৰানুষ্ঠানত ৰঙিয়াৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি আৰু মেধাৱী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। কাৰ্যসূচীত সংস্কৃতিৰ পূজাৰী পঙ্কজ পল্লৱ শৰ্মাই ৰণদিয়া শতদল সাহিত্য সভাৰ সভাপতি হিচাপে নিৰ্বাচিত হোৱা বাবে এখন ফুলাম গামোচা, মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। একে সময়তে সংস্কৃতিৰ পূজাৰীগৰাকীক বিভিন্নজনেও সম্বৰ্দ্ধনা জনায়। মাতৃ দিৱসৰ লগত সংগতি ৰাখি অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী বীণা বৰা, সুমাতৃ শেৱালি কলিতা, লক্ষেশ্বৰী কাকতিকো সম্বৰ্ধনা জনোৱা হয়। সাংবাদিকতাৰ চৰকাৰী স্বীকৃতি পোৱা চৈয়দ মোস্তাফা আহমেদ, নয়নজ্যোতি কলিতা, অংকুৰ কলিতাকো সম্বৰ্ধনা জনোৱা হয়। কাৰ্যসূচীত সদ্য ঘোষিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত কলা শাখাত ২য় শ্ৰেষ্ঠ হোৱা প্ৰাগমেটিক একাডেমি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰী প্ৰীতি শৰ্মা আৰু বিজ্ঞান শাখাত বৃহত্তৰ ৰঙিয়াৰ ভিতৰত শ্ৰেষ্ঠ হোৱা ইউক্লিড চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ ছাত্ৰী নাচিমা ফাৰহানাৰ লগতে আন কেইবাগৰাকী মেধাৱী ছাত্ৰ -ছাত্ৰী নিষ্ঠা কাশ্যপ, ভাৰ্লোনা কলিতা, ডাঃ দিক্ষা কলিতা, ডাঃ দেৱাশিস ভূঞা, পৰিণীতা ডেকাক শুভেচ্ছা জ্ঞাপন কৰা হয়। কামৰূপ জিলা লেখিকা সমাজৰ সভাপতি সৰিতা বৰ্মন মজুমদাৰৰ সভাপতিত্বত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ সভাখনত আমন্ত্ৰিত অতিথিৰ আসন গ্ৰহণ কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক পবিন কলিতা ,শিক্ষক জয়ন্ত কুমাৰ শৰ্মা, কামৰূপ জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক জয়ন্তজিৎ কলিতাই। সভাখন উদ্বোধন কৰে অৱসৰী অধ্যক্ষ অনুপমা দেৱীয়ে। সভাত ৰীণা মহন্ত, দিপালী তালুকদাৰ, মামনি লহকৰ, ৰীতা পাচনীয়ে কবিতা পাঠ আৰু অনামিকা বৰ্মনে গীত পৰিবেশন কৰে।

# আন্তঃৰাষ্ট্ৰীয় কাৰাটে ছেম্পিয়নশ্বিপত নগাঁৱৰ প্ৰজ্ঞাত জ্যোতিৰ সাফল্য

**ই-সংবাদ, বেবেজীয়া, ২৫ মে':** আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উজ্জ্বল প্ৰতিভাৰ স্বাক্ষৰ ৰাখি অসমলৈ গৌৰৱ কঢ়িয়াই আনিলে নগাঁও জিলাৰ এগৰাকী কনমাণি ছাত্ৰই! নগাঁও জিলাৰ হাতীচোং মৌজাৰ চকলাঘাট জে বি স্কুলৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ প্ৰজ্ঞাত জ্যোতি শইকীয়াই নেপালত অনুষ্ঠিত একাদশ আন্তঃৰাষ্ট্ৰীয় কাৰাটে ছেম্পিয়নশ্বিপত দুটা পদক জয় কৰি ৰাজ্যৰ নাম উজ্জ্বল কৰিছে। ৰাইদঙীয়াৰ আইভেটী নিবাসী দিগন্ত শইকীয়া আৰু প্লাৱিতা মুদৈ শইকীয়াৰ পুত্ৰ তথা জ্যেষ্ঠ সাংবাদিক জয়ন্ত মুদৈৰ ভাগিন প্ৰজ্ঞাত জ্যোতিয়ে ২৪ মে'ৰ পৰা দুদিনীয়াকৈ নেপালৰ মেছি নগৰত অনুষ্ঠিত এই প্ৰতিযোগিতাত অংশ লৈছিল। নেপাল চিট'ৰিঅ' কাৰাটে স্কুলৰ ব্যৱস্থাপনাত আৰু নেপাল কাৰাটে ড' ফেডাৰেচন তথা নেপাল চিট'ৰিঅ' কাৰাটে ড' এছ'চিয়েশ্বনৰ সহযোগত আয়োজিত এই ছেম্পিয়নশ্বিপত প্ৰজ্ঞাতে কাটাৰ ল'ৰাৰ ১০-১১ বছৰ শাখাত সোণৰ পদক আৰু কুমিটেৰ ল'ৰাৰ ৩৫ কেজিৰ অনূৰ্ধ্ব শাখাত ৰূপৰ পদক জয় কৰে। স্কুলীয়া শিক্ষাৰ সমান্তৰালকৈ চিহান পংকজ মুদৈৰ প্ৰশিক্ষণত কাৰাটেৰ প্ৰতি একাগ্ৰতাৰে নিয়োজিত প্ৰজ্ঞাত জ্যোতিয়ে ইতিপূৰ্বে জিলা আৰু ৰাজ্যিক পৰ্যায়তো কেইবাটাও পদক জয় কৰিছে। বিগত দুটা বছৰত নেপালত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় কাৰাটে ছেম্পিয়নশ্বিপত তেওঁ এটা সোণ, এটা ৰূপ আৰু দুটা ব্ৰঞ্জৰ পদকো লাভ কৰিছিল।




নেপালত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় কাৰাটে ছেম্পিয়নশ্বিপত দুটাকৈ পদক অৰ্জনেৰে কৃতিত্ব নগাঁৱৰ প্ৰজ্ঞাত জ্যোতিৰ

# গোৱাত অনুষ্ঠিত কাৰাটেত উজ্বলিল অসম দল

**ই-সংবাদ, ৰঙিয়া, ২৫ মে':** গোৱাৰ মনোহৰ পাৰিকৰ ইন্দোৰ ষ্টেডিয়ামত ২৪ মে'ৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত ২৩ তম সৰ্বভাৰতীয় কাৰাটে প্ৰতিযোগিতাত পদক অৰ্জনেৰে উজ্বলিল অসম দল। চৈয়দ মাজহাৰুল ইছলামৰ নেতৃত্বত অসমক প্ৰতিনিধিত্ব কৰা ২৫ জনীয় কাৰাটে দলটিয়ে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ৪টা সোণ, ১৩টা ৰূপ আৰু ১৯টা ব্ৰঞ্জৰ পদক অৰ্জন কৰে। আনহাতে আজি অনুষ্ঠিত কাৰাটেৰ ব্লেক বেল্ট পৰীক্ষাত অসমৰ ১৫ জন পৰীক্ষাৰ্থীয়ে ব্লেক বেল্টৰ সন্মান অৰ্জন কৰিবলৈ সক্ষম হয়।

## অসমৰ লগতে পাঁচ ৰাজ্যত এছিয়াৰ পুৰণি ফুটবল প্ৰতিযোগিতা

# ২২ জুলাইৰ পৰা অনুষ্ঠিত হ'ব ১৩৪ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ

**কলকাতা, ২৫ মে':** এছিয়াৰ আটাইতকৈ পুৰণি ফুটবল প্ৰতিযোগিতা ইণ্ডিয়ান অইল ডুৰাণ্ড কাপৰ ১৩৪ সংখ্যক সংস্কৰণ আগন্তুক ২২ জুলাইৰ পৰা ২৩ আগষ্টলৈ অনুষ্ঠিত হ'ব। আয়োজক সমিতিৰ ঘোষণা অনুসৰি, এইবাৰ দেশৰ পাঁচখন ৰাজ্যত ডুৰাণ্ড কাপৰ খেল অনুষ্ঠিত হ'ব। অসমৰ কোকৰাঝাৰে ক্ৰমাগতভাৱে তৃতীয় বছৰৰ বাবে ডুৰাণ্ড কাপৰ আয়োজক হিচাপে মৰ্যাদা লাভ কৰিছে, আনহাতে দুবছৰৰ বিৰতিৰ পিছত পুনৰ মণিপুৰৰ ইম্ফলত এই প্ৰতিযোগিতাৰ খেল হ'ব। যোৱা বছৰৰ দৰেই ঝাৰখণ্ডৰ জামছেদপুৰ আৰু মেঘালয়ৰ শ্বিলঙকো আয়োজক হিচাপে সংযোজন কৰা হৈছে। ইয়াৰ উপৰি, ২০১৯ চনত দিল্লীৰ পৰা স্থানান্তৰিত হোৱা এই ঐতিহাসিক প্ৰতিযোগিতা ষষ্ঠবাৰৰ বাবে কলকাতাত অনুষ্ঠিত হ'ব। এইবাৰো পূৰ্বৰ দৰে ইণ্ডিয়ান ছুপাৰ লীগ (আই এছ এল)ৰ সকলো ক্লাবকে ধৰি মুঠ ২৪টা দলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। ভাৰতীয় সেনাৰ ইষ্টাৰ্ণ কমাণ্ডৰ তত্ত্বাৱধানত আয়োজিত এই প্ৰতিযোগিতাৰ খেল মুঠ ছটা স্থানত অনুষ্ঠিত হ'ব। কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণ আৰু কিশোৰ ভাৰতী ক্ৰীড়াংগণৰ লগতে ইম্ফলৰ খুমান লম্পক ষ্টেডিয়াম, জামছেদপুৰৰ জে আৰ ডি টাটা স্প'ৰ্টছ কমপ্লেক্স, শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়াম আৰু কোকৰাঝাৰৰ এছ এ আই ষ্টেডিয়ামত এটাকৈ গ্ৰুপৰ খেল অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, ভাৰতৰ ফুটবল ইতিহাস আৰু সংস্কৃতিৰ প্ৰতীক ডুৰাণ্ড কাপ এছিয়াৰ আটাইতকৈ পুৰণি আৰু বিশ্বৰ তৃতীয় পুৰণি ফুটবল প্ৰতিযোগিতা। ভাৰতীয় সেনাৰ দ্বাৰা আয়োজিত এই ডুৰাণ্ড কাপ ভাৰতৰ শ্ৰেষ্ঠ ফুটবল প্ৰতিভাৰ প্ৰজনন ক্ষেত্ৰ হিচাপে পৰিচিত। ১৮৮৮ চনত ছিমলাত প্ৰথমবাৰৰ বাবে এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল, পিছত ১৯৪০ চনত নতুন দিল্লীলৈ স্থানান্তৰিত হয়। ২০১৯ চনত ইষ্টাৰ্ণ কমাণ্ডৰ তত্ত্বাৱধানত এই প্ৰতিযোগিতা দেশৰ পূৱাঞ্চললৈ স্থানান্তৰিত হয়।

## সশ্ৰদ্ধ সোঁৱৰণ



**পৰম পূজনীয় দেউতা,**

হঠাৎ কোন অজান মুলুকলৈ গুচি গ'ল নাজানো! এতিয়া যে আপোনাক বিচাৰি মনটোৱে হাহাকাৰ কৰি উঠে দেউতা। আপোনাৰ স্মৃতিবোৰ অন্তৰত কঢ়িয়াই লৈ ফুৰিছো প্ৰতিটো মুহূৰ্তত...। আজি আপোনাৰ পবিত্ৰ ছয়মাহিলি তিথি। আপুনি কুশলে থাকক দেউতা। তাৰেপৰাই আমাক আটাইকে আশীৰ্বাদ কৰি থাকক। আমি যেন সদায় আপুনি দেখুৱাই যোৱা বাটেৰেই আগবাঢ়িব পাৰো।

**আপোনাৰ জীয়ৰী ৰুমী দেৱী**
**কাকতি আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গ**

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনস্তৰি